# অন্বেষণ

ত্ৰয়োদশ বছৰ ■ নৱম সংখ্যা ■অক্টোবৰ, ২০২৬

জুবিনৰ
সাংগীতিক
যাত্ৰা আৰু
বৌদ্ধিক
সমাজৰ
সঁহাৰি







সংৰক্ষণৰ যোগেদি
খাদ্যবস্তুৰ উৎপাদন

আজাদ হিন্দ ফৌজ

# বিভিন্ন লেখাৰ লগত সম্পৰ্কিত ছবি



কৃত্ৰিম উপগ্ৰহৰ পৰা লোৱা ঘূৰ্ণীবতাহৰ ছবি



লিবাৰ্টি বেল



Telescopefish



বৰলৰ বাহ




The majestic magnetic hill

# অন্বেষণ

**ত্ৰয়োদশ বছৰ, নৱম সংখ্যা, অক্টোবৰ, ২০২৬ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত
সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, a general knowledge based monthly magazine
published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **জুবিন গাৰ্গ অমৰ হওক**
■ অসীম কৃষ্ণ বৰুৱা

৪ **অসম জাতীয় বিদ্যালয়ত ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ উদযাপন**

৫ **জুবিন দিৱসত ছয় লক্ষাধিক শিক্ষাৰ্থীৰ কণ্ঠত 'দিয়া ঘূৰাই দিয়া'**

৬ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **জুবিনৰ সাংগীতিক যাত্ৰা আৰু বৌদ্ধিক সমাজৰ সঁহাৰি**
■ দিগন্ত ওজা

১৪ **সংৰক্ষণৰ যোগেদি খাদ্যবস্তুৰ উৎপাদন**
■ অভিজিত শৰ্মা বৰুৱা

১৬ **বৰলৰ বাহ আৰু জীৱন চক্ৰ**
■ কল্যাণী পাটগিৰি

১৭ **ফ্ল'ৰ'ছিছ**
■ উদয়া ফুকন

১৯ **ঢেঁকীয়াপতীয়াৰ পিঠিত এঘুমটি**
■ শিপা ভৰদ্বাজ

২০ **নেপচুন গ্ৰহ কেতিয়া আৱিষ্কাৰ হৈছিল?**
■ মেঘনা দাস

২১ **সাগৰ দেখিলোঁ**
■ বিৰিখ শৰ্মাচাৰ্য্য

২২ **অতুল চন্দ্ৰ হাজৰিকাৰ 'ওলট-পালট'**
■ পল্লৱী ভাগৱতী

২৩ **বলিয়া বান**
■ দ্বীপশিখা বসুমতাৰী

২৩ **মাতৃভাষাৰ সুবাস**
■ ধীচান জিন্নাত আহমেদ

২৩ **আকাশৰ তৰাবোৰ**
■ কৃতিকা নাথ

২৪ **আজাদ হিন্দ ফৌজ**
■ ৰোহিনী কুমাৰ গোস্বামী

২৫ **ঘূৰ্ণীবতাহ কিদৰে সৃষ্টি হয়?**
■ নিবেদিতা তালুকদাৰ

২৭ **কুইজ**
■ দীপাংকৰ কৌশিক

২৮ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

৩৪ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৫ **Stories from World Classics**
■ Papari Kalita

৩৬ **Did You Know**
■ Binoy Bikash Gogoi

৩৭ **পাৰ্ল এছ বাক**
■ অপৰাজিতা দত্ত

৩৮ **চুড'কু**

৩৯ **ৰাষ্ট্ৰীয় কেডেট ক'ৰ্প্ছ**
■ অপৰ্ণা দেৱী

৪০ **বৰাক নদী**
■ পলাশ কুমাৰ নাথ

**মুখ্য সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সম্পাদক** : পংকজ দত্ত
**সহযোগী সম্পাদক** : ড° লিপিমণি দত্ত, কুশল গোস্বামী
**সহকাৰী সম্পাদক** : ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস, দুলাল বনিয়া
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
**ছবি** : ইণ্টাৰনেট
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।*

# জুবিন গাৰ্গ অমৰ হওক

■ অসীম কৃষ্ণ বৰুৱা



জুবিন গাৰ্গ। শিশু, প্ৰাপ্তবয়স্ক, যুৱক-যুৱতী, নাৰী-পুৰুষ, বৃদ্ধ-বৃদ্ধা সকলোৱে আজিৰ তাৰিখত সমস্ত গভীৰতাৰে ভালপোৱা মানুহজন জুবিন গাৰ্গ। হিয়াৰ আমঠু, সূৰ্য্যকণ্ঠ, গন্ধৰ্বপুত্ৰ আদি নামবোৰে যেন সম্পূৰ্ণতা নাপায় জুবিন গাৰ্গ নামৰ এই ব্যক্তিগৰাকীৰ ওচৰত। মহাপুৰুষ শ্ৰীমন্ত শংকৰ-মাধৱৰ সাংস্কৃতিক মহামন্ত্ৰ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অসম প্ৰেম, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সমাজ-সংস্কৃতিৰ ৰূপান্তৰৰ আদৰ্শ, কলাগুৰু-কমৰেড বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ সাংস্কৃতিক-ৰাজনৈতিক সচেতনতা আৰু সক্ৰিয়তা, সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱৰ যাযাবৰী-বিশ্বজনীন জীৱনৰ বিশালতা— এই সকলোবোৰ গুণেৰে সমৃদ্ধ ২১ শতিকাৰ সৰ্বাত্মক প্ৰভাৱশালী অসমীয়াজনেই জুবিন গাৰ্গ।

১৯৭২ চনত জন্মলাভ কৰা জুবিন গাৰ্গে ২০২৫ চনলৈকে প্ৰায় ৫৩ বছৰীয়া জীৱনকালত প্ৰায় ৪০টা ভাষাত প্ৰায় ৪০ হাজাৰ গীত গালে। কবিতা লিখিলে, চিনেমা নিৰ্মাণ কৰিলে, অন্তৰ খুলি হাজাৰজনলৈ সহায়ৰ হাত আগবঢ়ালে, অসম-অসমীয়াৰ স্বাভিমানক অসন্মান কৰা প্ৰতিটো কথাৰ প্ৰতিবাদ কৰিলে। অসম-অসমীয়াৰ বাৰেৰহণীয়া সন্তাক, জাতীয় জীৱনক এক অদম্য সাহসৰ অভয়বাণী প্ৰদান কৰিলে।

তাৰ সমান্তৰালভাৱে কৈ গ'ল "কিতাপ নপঢ়া জাতিক গামোচাই নবচায়।" বজ্ৰকণ্ঠে ঘোষণা কৰি গ'ল— "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মই কাঞ্চনজংঘা—" তাৰ মাজেৰে তেখেতে মানৱতাবাদ, বিশ্ব ভ্ৰাতৃত্ববোধৰ আদৰ্শ প্ৰতিফলিত কৰি গ'ল। জুবিন গাৰ্গে কৈ গৈছে—

"মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেহে ঈশ্বৰক সেৱা কৰা হয়।"

"কিছুমান মানুহ ধনৰ ধনী, কিছুমান মনৰ ধনী, মই মনৰ ধনী"।

"মই যেনেকৈ অৰ্জন কৰিছোঁ, মই যেনেকৈ লৈছোঁ, মানুহে মোক দিছে, মই আকৌ মানুহক ঘূৰাই দি থৈ যাম- মই নিজৰ কাৰণে একো নাৰাখোঁ"।

জুবিন গাৰ্গদেৱৰ এনে উক্তি অলেখ আছে। এইকেইটা উক্তিৰ মাজেৰেই জুবিন গাৰ্গ নামৰ মহানায়কজনৰ ব্যক্তিত্বৰ বিশালতা ততালিকে অনুভৱ কৰিব পৰা যায়। প্ৰতিগৰাকী ব্যক্তিয়ে এইবোৰ কথাৰ যথাৰ্থ বুজিলেহে জুবিন গাৰ্গদেৱক ভালপোৱাৰ সাৰ্থকতা থাকিব।

অসম-অসমীয়াৰ প্ৰতি অকৃত্ৰিম প্ৰেম, প্ৰকৃতি-গছ-গছনি, ফুল-লতা, চৰাই-চিৰিকটি, জীৱ-জন্তুৰ প্ৰতি সীমাহীন প্ৰেমৰ অন্য নাম জুবিন গাৰ্গ। প্ৰকৃতিৰ ৰম্যভূমি অসম আৰু উত্তৰ-পূব ভাৰতৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ এক অন্যতম সূত্ৰধাৰ জুবিন গাৰ্গ। সেই আদৰ্শ আমি অনুকৰণ কৰিব লাগিব।

অসম তথা উত্তৰ-পূব ভাৰতৰ এনে কোনো মানুহ নাই, যি জুবিন গাৰ্গক চিনি নাপায় অথবা জুবিন গাৰ্গৰ প্ৰেমত পৰা নাই। সৰ্বভাৰতীয় পৰ্য্যায়ৰ সংগীত জগতত জুবিন গাৰ্গদেৱে নিজৰ অনন্য প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। অথচ মুম্বাইৰ চিনেমা আৰু সংগীত জগতৰ চকমকীয়া পোহৰ এৰি তেওঁ নিজৰ জন্মভূমি অসম আৰু বৃহত্তৰ অসমীয়া মানুহৰ উত্তৰণৰ বাবে এই মানুহ-মাটি-আকাশক সৰ্বোচ্চ স্থান দি গ'ল। এজন ব্যক্তি হিচাপে জুবিন গাৰ্গদেৱে অকলেই এশ বছৰৰ কাম কৰি গ'ল। যিদৰে শংকৰ-মাধৱ, সাহিত্যৰথী, ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠ আদি শব্দবোৰে অসম-অসমীয়াৰ চিনাকি আৰু

গৌৰৱক প্ৰতিনিধিত্ব কৰে, একেদৰেই জুবিন গাৰ্গ নামটোৱেও সেই একেই চিনাকি, স্বাভিমান আৰু গৌৰৱকে প্ৰতিনিধিত্ব কৰে। সমাজখনে তাৰ প্ৰমাণ দিলে। জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ সেই তুলনাবিহীন বেদনাত জৰ্জৰিত বৃহত্তৰ অসমীয়া জাতিয়েও তুলনাবিহীন ধৈৰ্য্য, অনুশাসনৰ পৰিচয় দিলে। এজন মানুহক ইমান ভাল পাব পাৰিনে? ইমান আপোন হ'ব পাৰেনে কোনোবা মানুহ? পাৰে পাৰে, সেয়া জুবিন গাৰ্গদেৱৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতক, সমগ্ৰ বিশ্বৰ সন্মুখত অসমীয়া মহাজাতিয়ে প্ৰমাণ কৰিলে। এতিয়া জুবিন গাৰ্গ সমগ্ৰ বিশ্বত সমাদৃত এক নাম।

অসম জাতীয় বিদ্যালয় আৰু সমগ্ৰ জাতীয় বিদ্যালয় সত্তাৰ প্ৰতি জুবিন গাৰ্গদেৱৰ অৱিহণা কিমান সেয়া সুগভীৰভাৱে অনুভৱ কৰাৰ আমাৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য। ইয়াৰ এক ঐতিহাসিক পটভূমি আছে।

১৯৭৯ চনৰ পৰা ১৯৮৫ লৈ অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য অধ্যায় 'বিদেশী বহিষ্কৰণ আন্দোলন'। ইয়াৰ আগতে অসমীয়া জাতিয়ে ভাষা ৰক্ষাৰ আন্দোলন কৰিছিল, মাধ্যম আন্দোলন কৰিছিল। অৰ্থাৎ অসমীয়া ভাষাৰ জৰিয়তে জাতীয় পৰিচয় প্ৰতিষ্ঠা, মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ। তাৰ কিছু বছৰৰ পাছত বিদেশী বহিষ্কৰণ আন্দোলন ওৰফে অসম-অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন। অসমীয়া জাতিৰ ইতিহাস সংঘাত আৰু সংগ্ৰামৰ ইতিহাস। অলেখজনৰ আত্মবলিদানৰ মাজেৰে সেয়া এক সুদীৰ্ঘ ইতিহাস। সেই ইতিহাসৰ চৰ্চা সমগ্ৰ অসমীয়া জাতি আৰু বিশেষভাৱে জাতীয় বিদ্যালয়সমূহৰ বাবে নৈতিক কৰ্তব্য। নহ'লে আমি অনুভৱ কৰিব নোৱাৰিম আমাৰ দায়িত্ব আৰু কৰ্তব্য।

ইতিমধ্যে কোৱাৰ দৰে শংকৰ-মাধৱ, সাহিত্যৰথী, ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠকে নেতৃত্ব কৰি অসমীয়া জাতিৰ কাণ্ডাৰীসকলে অসমীয়া ভাষা আৰু শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা অসমীয়াৰ যি পৃষ্ঠপোষকতা কৰিছিল, এক সংঘাতময় সন্ধিক্ষণত জুবিন গাৰ্গদেৱে অসমীয়া সংগীতৰ নতুনত্ব আনিছিল, তেখেতৰ ৰচিত-সুৰাৰোপিত গীতবোৰ শুনিলেহে অসমীয়া ভাষাৰ কালিকা, মাধুৰ্য্যক নতুন ৰূপত অনুভৱ কৰিব পাৰি।

অবৈধ নাগৰিকৰ অনুপ্ৰৱেশ, জাতিসত্তাৰ প্ৰতি ভাবুকি, জাতীয় ভাষা-সাহিত্যৰ প্ৰতি দুৰ্ভাৱনাৰ সময়তেই জুবিন গাৰ্গদেৱৰ আৱিৰ্ভাৱ, ১৯৯১-৯২ চনৰ পৰা প্ৰকাশিত-প্ৰচাৰিত লোক-সংগীত, আধুনিক সংগীতে পুনৰ অসমীয়া ভাষাৰ প্ৰাণ-প্ৰতিষ্ঠা কৰিলে। সমসাময়িকভাৱে ১৯৯৪ চনত জন্ম হ'ল অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তা। যোৱা তিনিটা দশকত জাতীয় বিদ্যালয় সত্তা অসমীয়া মহাজাতিৰ বাবে ধৰ্মনিৰপেক্ষ, ভাষিক পৰিচয়, উদাৰতাবাদৰ প্ৰতিভূ হিচাপে গঢ় লৈ উঠিল। জুবিন গাৰ্গদেৱে তাৰেই পটভূমি তৈয়াৰ কৰিলে।

বিহুনাম, নাগাৰা নাম, দেহবিচাৰ গীত, কামৰূপী লোকগীত, গোৱালপাৰীয়া লোকগীত, জনগোষ্ঠীয় গীত, বৰগীত, আধুনিক অসমীয়া গীত আদি মাধ্যমত অসমীয়া ভাষা আৰু অসমীয়া মহাজাতিক পুনৰ প্ৰতিষ্ঠাৰ পটভূমি তৈয়াৰ কৰোঁতাসকলৰ অন্যতম জুবিন গাৰ্গ। নিজৰ মাতৃভাষা অসমীয়া তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ ভাষাৰে হাজাৰ-হাজাৰ গান গাই তেখেতে মাতৃভাষাৰ সৌন্দৰ্য্য, মহত্ত্ব আৰু শক্তিক সাৱলীলভাৱে প্ৰতিষ্ঠা কৰি থৈ গ'ল। এনে প্ৰেক্ষাপটতেই জাতীয় বিদ্যালয়সমূহেও নিজস্ব চিন্তা আৰু কৰ্মপদ্ধতিৰে মাতৃভাষা মাধ্যম প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ কৰিছিল আৰু এই সংগ্ৰামখন আগবাঢ়ি গৈ আছে। আজিৰ এই পবিত্ৰ জুবিন দিৱসত এই মহানায়কজনৰ প্ৰতি আমি কৃতজ্ঞতা জনাইছোঁ। এই কৃতজ্ঞতাক আমাৰ জাতীয় দায়িত্ব আৰু কৰ্তব্য হিচাপে গ্ৰহণ কৰাৰ সংকল্প গ্ৰহণ কৰিছোঁ।

জুবিন দিৱসৰ আন্তৰিক ওলগ আৰু শুভকামনা জনালোঁ।

"জয়তু জুবিন গাৰ্গ, জয়তু জাতীয় বিদ্যালয় সত্তা,
জয় আই অসম।" ❖

*(এই লেখাটো যোৱা ১৯ ছেপ্টেম্বৰ তাৰিখে অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত 'জুবিন দিৱস'ৰ কাৰ্য্যসূচীত পুৱাৰ সমাবেশত পাঠ কৰা হৈছিল। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহতো সেইদিনা পুৱাৰ সমাবেশত এই বিশেষ লেখাটো পাঠ কৰা হৈছিল।)*

# অসম জাতীয় বিদ্যালয়ত
# ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ উদযাপন




সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ (৮ ছেপ্টেম্বৰ, ২০২৫ - ৮ ছেপ্টেম্বৰ, ২০২৬) অনুষ্ঠান অসম জাতীয় বিদ্যালয়ত বৰ্ষজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয়। জন্ম-শতবৰ্ষৰ আৰম্ভণি অনুষ্ঠান হিচাপে ২০২৫ বৰ্ষৰ ৮ ছেপ্টেম্বৰ তাৰিখে বিদ্যালয়ত আয়োজন কৰা বিশেষ অনুষ্ঠানত বিশিষ্ট সংগীতজ্ঞ, লোক-সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া উপস্থিত থাকি ভূপেন হাজৰিকাদেৱৰ বিচিত্ৰ, বৰ্ণিল জীৱন-পৰিক্ৰমা আৰু তেওঁৰ বিভিন্ন গীতৰ অন্তৰালৰ কথা বিৱৰি কোৱাৰ লগতে গীতবোৰৰ মৰ্মাৰ্থ সম্পৰ্কেও মননশীল বক্তৃতা আগবঢ়ায়। বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক লৈ দুটা পৰ্য্যায়ত আয়োজন কৰা এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী পৰিবেশন কৰে।

জন্ম-শতবৰ্ষ অনুষ্ঠানৰ অংশ হিচাপে যোৱা ৭ জানুৱাৰী তাৰিখে বিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃজাতীয় বিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২৫খন জিলাৰ ৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

অসম জাতীয় বিদ্যালয়ৰ মাহেকীয়া আলোচনী অন্বেষণৰ ২০২৫ বৰ্ষৰ নৱেম্বৰ সংখ্যাটো ভূপেন হাজৰিকা বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰি ভূপেন হাজৰিকাদেৱলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৮৮ পৃষ্ঠাৰ এই বিশেষ সংখ্যাটোত ভূপেন হাজৰিকাৰ জীৱন তথা কৰ্মৰ বিভিন্ন দিশ সামৰি ১৭টা মননশীল লেখা প্ৰকাশ কৰা হয়। তদুপৰি ভূপেন হাজৰিকাৰ কৰ্ম-কীৰ্তি আৰু বৰেণ্য ব্যক্তিৰ সৈতে তেওঁৰ সান্নিধ্যৰ চানেকি বহন কৰা ভালেসংখ্যক ৰঙীন ছবিও আলোচনীখনত প্ৰকাশ কৰা হয়। উল্লেখযোগ্য যে বিগত বৰ্ষৰ (২০২৫) বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ বাখৰতো ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কেইবাটাও বিশেষ লেখা প্ৰকাশ কৰা হয়।

ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ সামৰণি অনুষ্ঠানো যোৱা ৮ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে বিদ্যালয়ত বিশেষ কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয়। সেইদিনা বিদ্যালয়ৰ পুৱাৰ সমাবেশত দুই সহস্ৰাধিক শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে ড° হাজৰিকাদেৱৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমবেত কণ্ঠত পৰিবেশন কৰি তেওঁলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। ভূপেন্দ্ৰ জয়ন্তীৰ বিশেষ অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ড° নাৰায়ণ শৰ্মাই এটি মননশীল বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ড° ভূপেন হাজৰিকাদেৱৰ বিভিন্ন গীতৰ নেপথ্যৰ কথাসমূহ আলোকপাত কৰি কয় যে ভূপেন হাজৰিকাৰ 'সুধাকণ্ঠ' উপাধিটো এটা অসম্পূৰ্ণ অভিধা। তেওঁ কেৱল গীতৰ মাজেৰেই নহয়, সৰ্বতোদিশেৰে অসম আৰু অসমীয়াৰ বাবে কাম কৰা এগৰাকী মহাপুৰুষ। তেওঁৰ গীতসমূহত পৰিস্ফুট সমাজ-চেতনা, জাতীয়তাবোধ, মানৱতাবাদ, বিশ্বজনীন একতা, বিশ্ব-প্ৰেম আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰতিজন অসমীয়াৰ বুকুত চিৰদিন অনুৰণিত হৈ থাকিব। এই অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ সান্নিধ্য লাভ কৰা অসমৰ এগৰাকী বিশিষ্ট কণ্ঠশিল্পী লোহিত গগৈ উপস্থিত থাকি হাজৰিকাদেৱৰ কেইবাটিও কালজয়ী গীত পৰিবেশন কৰে। ❖

# জুবিন দিৱসত ছয় লক্ষাধিক শিক্ষাৰ্থীৰ কণ্ঠত ‘দিয়া ঘূৰাই দিয়া’




অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু জুবিন গাৰ্গ ন্যাসৰ যৌথ উদ্যোগত যোৱা ১৯ ছেপ্টেম্বৰ তাৰিখে জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ দিনটোত অসম জাতীয় বিদ্যালয়ত জুবিন দিৱস পালন কৰা হয়। সেইদিনা বিদ্যালয়ৰ পুৱাৰ সমাবেশত ‘জুবিন গাৰ্গ অমৰ হওক’ শীৰ্ষক ‘আজিৰ চিন্তা’ পাঠ কৰাৰ লগতে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, জুবিন গাৰ্গ ন্যাসৰ অন্যান্য সদস্য তথা অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকলৰ উপস্থিতিত বিদ্যালয়ৰ প্ৰায় ২৫০০ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে জুবিন গাৰ্গৰ কালজয়ী গীত ‘দিয়া ঘূৰাই দিয়া’ পৰিবেশন কৰে। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত বিভিন্ন জাতীয় বিদ্যালয়ৰ ছয় লক্ষাধিক শিক্ষাৰ্থীয়ে একে সময়তে ‘দিয়া ঘূৰাই দিয়া’ গীতটো পৰিবেশন কৰি প্ৰাণৰ শিল্পীগৰাকীক একক আৰু অনন্যভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ উপৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে দুখন বিশেষ বাহনেৰে ‘শ্ৰদ্ধাৰ্ঘ্য যাত্ৰা’ উলিওৱা হয়। এই বিশেষ বাহন দুখনে গুৱাহাটী মহানগৰৰ মুঠ ৬০টা প্ৰান্তলৈ গৈ প্ৰাণৰ শিল্পীগৰাকীৰ বাবে শ্ৰদ্ধাৰ্ঘ্য যাত্ৰা সমাপন কৰে। অনুষ্ঠানত উপস্থিত থাকি জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে কয় যে জুবিন গাৰ্গৰ গীত, তেওঁৰ কৰ্ম আৰু মানুহজনক বুজিবলৈ আমি চেষ্টা কৰিব লাগিব। নতুন প্ৰজন্মৰ মাজত জুবিন গাৰ্গৰ সৃষ্টিৰাজিক প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰা প্ৰচেষ্টা একক আৰু অনন্য বুলি তেওঁ মত প্ৰকাশ কৰে। জুবিন দিৱসৰ বিশেষ অনুষ্ঠানত বিশিষ্ট সাংবাদিক, লেখক দিগন্ত ওজাই জুবিন গাৰ্গ বিষয়ক এটি মননশীল ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে যিটো সময়ত অসমীয়া সংগীতৰ প্ৰতি মানুহৰ মোহভংগ অৱস্থাই দেখা দিছিল, সেই সময়ত জুবিন গাৰ্গে পাশ্চাত্য সংগীতৰ ধাৰা গ্ৰহণ কৰি অসমীয়া সংগীতৰ প্ৰতি মানুহৰ আস্থা পুনৰ ঘূৰাই আনি অসমীয়া সংগীতৰ এক নতুন যুগৰ সূচনা কৰিছিল। এই অনুষ্ঠানতে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী, গীতিকাৰ তথা কণ্ঠশিল্পী ৰাহুল গৌতম শৰ্মাই জুবিন গাৰ্গৰ কেইবাটাও গীত পৰিবেশন কৰি সকলোকে সন্মোহিত কৰে।

উল্লেখযোগ্য যে বিদ্যালয়ৰ মাহেকীয়া আলোচনী অন্বেষণৰ ২০২৫ বৰ্ষৰ অক্টোবৰ সংখ্যাটো জুবিন গাৰ্গ বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰা হয়। বিদ্যালয়ৰ বাৰ্ষিক আলোচনী বাখৰতো জুবিন গাৰ্গ বিষয়ক ভালেমান লেখা প্ৰকাশেৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তদুপৰি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত চলিত বৰ্ষৰ ১৯ মে’ তাৰিখে সদৌ অসম আন্তঃজাতীয় বিদ্যালয় জুবিন গাৰ্গৰ কণ্ঠৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২৩ খন জিলাৰ ৪৬ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ❖

## দিল্লী ব্ৰিকছ সন্মিলনৰ সফল সামৰণি




যোৱা ১২ আৰু ১৩ ছেপ্টেম্বৰ তাৰিখে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ১৮ সংখ্যক ব্ৰিকছ (BRICS–Brazil, Russia, India, China and South Africa) শীৰ্ষ সন্মিলনৰ সফলভাৱে সামৰণি পৰে। ২০২৬ বৰ্ষত ভাৰত ব্ৰিকছ সংস্থাৰ অধ্যক্ষ ৰাষ্ট্ৰ। ২০ বছৰ পূৰ্ণ কৰা ব্ৰিকছৰ এই বৰ্ষৰ শীৰ্ষ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙকে ধৰি মূল ১১খন সদস্য ৰাষ্ট্ৰৰ সকলো ৰাষ্ট্ৰ নেতা উপস্থিত থাকে। তদুপৰি ১০খন সহযোগী দেশৰ ৰাষ্ট্ৰনেতাসকলো উপস্থিত থকা সন্মিলনত কেইবাটাও অতি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন দিল্লী ব্ৰিকছ ঘোষণা পত্ৰ বুলি পৰিচিত এই ঘোষণা পত্ৰত সন্নিৱিষ্ট মূল ঘোষণাকেইটাৰ বিষয় হৈছে—একমেৰু বিশ্ব ব্যৱস্থাৰ বিপৰীতে বহুমেৰু বিশ্ব ব্যৱস্থাৰ পোষকতা; বিশ্ববেংক, আইএমএফকে ধৰি প্ৰধান বিত্তীয় প্ৰতিষ্ঠানসমূহৰ গাঁথনিগত সংস্কাৰ; ভাৰত আৰু ব্ৰাজিলক ৰাষ্ট্ৰসংঘৰ (UNO) নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যপদ প্ৰদানৰ দাবী; পেহেলগাম নৰসংহাৰক গৰিহণা; গাজা, ছুডান, ছিৰিয়াৰ যুদ্ধ সংকট; কিউবাৰ বিৰুদ্ধে আৰোপিত অৰ্থনৈতিক নিষেধাজ্ঞাক লৈ উদ্বিগ্নতা প্ৰকাশ; ড্ৰাগছৰ বিশাল নেটৱৰ্কৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে ব্ৰিকছ গুৱাহাটী ঘোষণা পত্ৰ (এই বিষয়ক শীৰ্ষ সন্মিলনখন ২০২৬ চনৰ জুলাই মাহত গুৱাহাটীত অনুষ্ঠিত হৈছিল।) শীঘ্ৰে কাৰ্য্যকৰী কৰাত গুৰুত্ব প্ৰদান আদি। ৪৫টা দফা সম্বলিত ঘোষণা পত্ৰখনত আন্তঃৰাষ্ট্ৰীয় শান্তি বজাই ৰখাত গুৰুত্ব দিয়া হয়। পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগ কৰাৰ বিৰুদ্ধে প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। সন্মিলনত ডলাৰৰ আধিপত্য ৰোধ কৰি ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰসমূহত নিজ নিজ দেশীয় মুদ্ৰাৰে বাণিজ্য চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সন্মিলনত ব্ৰিকছ পেমেণ্ট টাস্ক ফ'ৰ্চৰ জৰিয়তে নিৰাপদ আন্তঃৰাষ্ট্ৰীয় লেনদেন কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

## অনন্ত নাগলৈ দাদাচাহেব ফাল্কে বঁটা

যোৱা ১৬ ছেপ্টেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰে বিশিষ্ট অভিনেতা অনন্ত নাগলৈ ২০২৪ বৰ্ষৰ দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। যোৱা পাঁচ দশক জুৰি ৩০০খনতকৈও অধিক চলচ্চিত্ৰত অভিনয় কৰা ৭৮ বছৰীয়া নাগৰ ঘৰ কৰ্ণাটকৰ ভাথকালত। ১৯৪৮ চনৰ ৪ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা নাগে মুম্বাইত শিক্ষা গ্ৰহণ কৰি



কংকনী আৰু মাৰাঠী নাটকত অভিনয়েৰে অভিনয় জীৱনৰ পাতনি মেলে। যশস্বী অভিনেতাগৰাকীৰ প্ৰথমখন চলচ্চিত্ৰ হৈছে কানাড়া ভাষাৰ 'সংকল্প' (১৯৭৩)। বঁটাপ্ৰাপক নাগৰ সম্পূৰ্ণ নাম হৈছে অনন্ত নাগৰ কাট্টে। ৰাষ্ট্ৰীয় দূৰদৰ্শনৰ জনপ্ৰিয় হিন্দী ধাৰাবাহিক 'মালগুৰি ডেইজ'ত দুৰ্দান্ত অভিনয় কৰা অভিনেতা নাগৰ কেইখনমান অতি জনপ্ৰিয় হিন্দী চলচ্চিত্ৰ হৈছে—অংকুৰ, নিশান্ত, মন্থন, ভূমিকা, কনডুৰা, কলিযুগ আদি। কানাড়া ভাষাৰ এজন অতি সফল জনপ্ৰিয় অভিনেতা নাগ অভিনীত আৰু জিবি আয়াৰ পৰিচালিত 'হামচাগীথে' চলচ্চিত্ৰখনে ১৯৭৫ চনত শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা (স্বৰ্ণকমল) লাভ কৰিছিল। কানাড়া, মাৰাঠী, মালায়ালম, হিন্দী, ইংৰাজী আদি ভাষাৰ চলচ্চিত্ৰত অভিনয় কৰা নাগে জীৱনজোৱা সাধনা বঁটাৰ উপৰি ছয়বাৰ ফিল্মফেয়াৰ বঁটা লাভ কৰিছিল। এজন গায়ক হিচাপেও জনপ্ৰিয়তা অৰ্জন কৰা নাগে ১৯৯৬-৯৯ চনত কৰ্ণাটকৰ মন্ত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। ২০২৫ বৰ্ষত তেওঁক পদ্মভূষণ সন্মান প্ৰদান কৰা হয়।

## এছিয়ান গেমছ, ২০২৬ৰ শুভাৰম্ভ

যোৱা ১৯ ছেপ্টেম্বৰ তাৰিখে জাপানৰ আইচি-নাগোৱা চহৰত ২০ সংখ্যক এছিয়ান গেমছ বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানেৰে শুভাৰম্ভ কৰা হয়। পালোমা মিজুহো ষ্টেডিয়ামত জাপানৰ ৰজা নাৰুহিটোৱে আনুষ্ঠানিকভাৱে এই বৃহৎ ক্ৰীড়া মহোৎসৱখন আৰম্ভ হোৱা বুলি ঘোষণা কৰে। এই বৰ্ষৰ প্ৰতিযোগিতাত এছিয়া মহাদেশৰ ৪৫খন দেশে অংশগ্ৰহণ কৰিছে। ক্ৰীড়া

মহাৰণখনত ৪৩বিধ খেলত প্ৰায় ১৭ হাজাৰ প্ৰতিযোগীয়ে ৪৬৯টা বিভাগত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ভাৰতে ৩৫বিধ খেলত অংশগ্ৰহণ কৰিব আৰু ৫০১ জনীয়া ভাৰতীয় দলটোক নেতৃত্ব দিছে পেৰিছ অলিম্পিকৰ দুটা পদকজয়ী তাৰকা শ্বুটাৰ মনু ভাকেৰ আৰু কাবাদী খেলুৱৈ পৱন শ্বেৰাৱটে। ৪ অক্টোবৰত সামৰণি পৰিবলগীয়া গেমছত আঠ শতাধিক খেলুৱৈৰে চীন হৈছে প্ৰতিযোগিতাখনৰ সৰ্ববৃহৎ দল।

এছিয়াদ বুলিও পৰিচিত এছিয়ান গেমছ পোনপ্ৰথমবাৰৰ বাবে ১৯৫১ চনত নতুন দিল্লীত অনুষ্ঠিত হৈছিল। ভাৰতৰ ৫০১ জনীয়া দলটোৰ ভিতৰত ১৫ বছৰীয়া বৈভৱ সূৰ্য্যবংশী কনিষ্ঠতম খেলুৱৈ আৰু ৫৫ বছৰীয়া অশ্বাৰোহী শ্ৰুতি বৰা বয়োজ্যেষ্ঠ খেলুৱৈ। পৰৱৰ্তী এছিয়ান গেমছ কাটাৰৰ ডোহাত অনুষ্ঠিত হ'ব।

## মহিলা এছিয়া কাপ টি-২০ ক্ৰিকেটৰ চেম্পিয়ন ভাৰত

যোৱা ১৩ ছেপ্টেম্বৰত ডুবাই আন্তৰ্জাতিক ষ্টেডিয়ামত অনুষ্ঠিত ১০ সংখ্যক মহিলা ক্ৰিকেট টি-২০ প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে চেম্পিয়নৰ খিতাপ দখল কৰে। ফাইনেল খেলখনত ভাৰতে শ্ৰীলংকাক ৭২ ৰানত পৰাজিত কৰি এই খিতাপ লাভ কৰে। ফাইনেল খেলখনত ভাৰতে পাঁচ উইকেটত ১৮৩ ৰান কৰাৰ বিপৰীতে শ্ৰীলংকাই ১১১ ৰান কৰি আটাইকেইটা (২০ অভাৰত) উইকেট হেৰুৱাই পৰাজয় বৰণ কৰে। ২৮ আগষ্টত আৰম্ভ হোৱা প্ৰতিযোগিতাখনত ৮টা দল মুঠ ১৫খন খেলত অৱতীৰ্ণ হৈছিল। প্ৰতিযোগিতাখনত ভাৰতৰ শ্বেফালী বাৰ্মাই মুঠ ২৩৬ ৰান কৰি শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। এছিয়ান ক্ৰিকেট কাউন্সিলৰ দ্বাৰা পৰিচালিত এই প্ৰতিযোগিতাখনত ভাৰতে চতুৰ্থবাৰৰ বাবে চেম্পিয়নৰ খিতাপ লাভ কৰে। চেম্পিয়ন দল ভাৰতে সুদৃশ্য ট্ৰফীৰ লগতে ২১ লাখ টকাৰ পুৰস্কাৰ লাভ কৰে।

## কৃত্ৰিম উপগ্ৰহ জি-ছাট-১ৰ সফল উপস্থাপন

যোৱা ৪ ছেপ্টেম্বৰ তাৰিখে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ইছৰো) দেশৰ প্ৰথমটো ইমেজিং উপগ্ৰহ জি-ছাট-১ মহাকাশৰ কক্ষপথত সফলভাৱে স্থাপন কৰে। শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা জিএছএলভি-এফ-১৭ ৰকেটৰ জৰিয়তে কৃত্ৰিম উপগ্ৰহটো মহাকাশলৈ প্ৰেৰণ কৰা হয়। এই অত্যাধুনিক উপগ্ৰহটো পৃথিৱীপৃষ্ঠৰ পৰা প্ৰায় ৩৫,০০০ কিলোমিটাৰ উচ্চতাত স্থাপন কৰা হৈছে। ২৩৬৭ কেজি ওজনৰ উপগ্ৰহটোৱে পৃথিৱীৰ আৱৰ্তনৰ সৈতে তাল মিলাই একে গতিত ঘূৰি ভাৰত-চীন-পাকিস্তান সীমান্ত ২৪ ঘণ্টাই পৰ্য্যবেক্ষণ কৰিব। প্ৰায় ৪০০ কোটি টকা ব্যয় সাপেক্ষ উপগ্ৰহটোৱে ঘূৰ্ণীবতাহ, বান, ডাৱৰ বিস্ফোৰণ, বনজুই আদি প্ৰাকৃতিক দুৰ্য্যোগৰ ছবি ৫ মিনিটৰ ভিতৰতে ইছৰোলৈ প্ৰেৰণ কৰিব পাৰিব। এই উপগ্ৰহটোক আকাশৰ নেত্ৰ বুলি (Eye in the sky) অভিহিত কৰা হৈছে।

## নগা চলচ্চিত্ৰ 'আং' অস্কাৰলৈ মনোনীত

যোৱা ২২ ছেপ্টেম্বৰ তাৰিখে নাগালেণ্ডৰ যুৱ চলচ্চিত্ৰ পৰিচালক থেজা ৰিঅ'ৰ দ্বাৰা পৰিচালিত 'আং' (Angh) চলচ্চিত্ৰখন ভাৰতৰ পৰা অস্কাৰ প্ৰতিযোগিতাৰ বাবে মনোনীত কৰা হয়। অস্কাৰ প্ৰতিযোগিতালৈ এই বৰ্ষত ভাৰতৰ পৰা মনোনীত এইখন একমাত্ৰ কথাছবি। কন্যাক ভাষাত নিৰ্মিত এই চলচ্চিত্ৰখনে ২০২৬ বৰ্ষত টৰণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত (TIFF) প্লেটফৰ্ম বঁটা (Platform prize) লাভ কৰি ইতিহাস ৰচনা কৰে। এই বঁটা লাভ কৰাৰ বাবে চলচ্চিত্ৰখনে ২০২৭ বৰ্ষৰ অস্কাৰ (Oscar) বঁটাৰ 'শ্ৰেষ্ঠ আন্তঃৰাষ্ট্ৰীয় বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ' শাখাত পোনপটীয়াকৈ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ যোগ্যতা অৰ্জন কৰে। কন্যাক ভাষাত আঙৰ অৰ্থ হৈছে 'গাঁৱৰ মুখিয়াল' বা ৰজা। ১৯৬০ চনৰ পটভূমিত নিৰ্মিত এই চলচ্চিত্ৰখনত ভাৰত-ম্যানমাৰ সীমান্তৰ দূৰৱৰ্তী এটা নগা পৰিয়ালৰ কাহিনী দেখুওৱা হৈছে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ আগষ্ট ২০২৬ ৰ পৰা ২০ ছেপ্টেম্বৰ ২০২৬লৈ)**

২১ আগষ্ট : অসম চিকিৎসা মহাবিদ্যালয়সমূহত মুঠ আসনৰ সংখ্যা ১৯২৫খনলৈ বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়।

২২ আগষ্ট : মিৰ্জা ফকৰুল আলমগীৰে বাংলাদেশৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

২৩ আগষ্ট : ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত ইষ্ট বেংগল এফ চিয়ে মোহন বাগানক ৪-১ গ'লত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে।

২৫ আগষ্ট : নিউজিলেণ্ডত ১৬ বছৰ অনূৰ্দ্ধৰ বাবে সামাজিক মাধ্যম নিষিদ্ধ ঘোষণা কৰা হয়।

৩১ আগষ্ট : পুৰুষ হকী ৱৰ্ল্ড কাপ প্ৰতিযোগিতাত জাৰ্মানীয়ে চেম্পিয়নৰ খিতাপ দখল কৰে।

১ ছেপ্টেম্বৰ : বিছেখত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ (SCO) শীৰ্ষ সন্মিলনত সন্ত্ৰাসবাদ নিৰ্মূলকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২ ছেপ্টেম্বৰ : বিশ্বৰ আগশাৰীৰ প্ৰযুক্তি কোম্পানী এপলৰ মুখ্য কাৰ্য্যবাহী বিষয়া (CEO) হিচাপে জন টাৰ্নাছে নিযুক্তি লাভ কৰে।

৩ ছেপ্টেম্বৰ : অধ্যাপক ড° উদয় শইকীয়ালৈ অষ্ট্ৰেলিয়াৰ গৱেষণা ক্ষেত্ৰৰ সৰ্বোচ্চ সন্মান 'এৱাৰ্ড ফৰ এক্সিলেন্স' (Award For Excellence) আগবঢ়োৱা হয়।

- বক্সাৰ আইকন মিলিক অসম চৰকাৰে ২০২৫ বৰ্ষৰ অসমৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰে।

৪ ছেপ্টেম্বৰ : ভাৰত চৰকাৰে আহোমৰ ৰাজধানী হিচাপে ৰংপুৰৰ ঐতিহাসিক ঐতিহ্যক ইউনেস্ক'ৰ 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ' হিচাপে স্বীকৃতি দিয়াৰ বাবে (দেশৰ একমাত্ৰ প্ৰস্তাৱ) মনোনয়ন প্ৰেৰণ কৰে।

৫ ছেপ্টেম্বৰ : চলিত বৰ্ষৰ ডিচেম্বৰ মাহত ভাৰতৰ প্ৰথমখন মানৱবিহীন গগনযানৰ পৰীক্ষণ কৰা হ'ব বুলি ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণনে ঘোষণা কৰে।

৬ ছেপ্টেম্বৰ : ভাৰতৰ তাৰকা যুটি সাত্ত্বিক ৰংকিৰেড্ডী আৰু চিৰাগ শেট্টীয়ে চীন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত খিতাপ দখল কৰে।

৭ ছেপ্টেম্বৰ : জনপ্ৰিয় মণিপুৰী সংগীতজ্ঞ ৫৪ বছৰীয়া চংথম বিক্ৰম সিঙৰ অজ্ঞাত আততায়ীৰ হাতত দিল্লীত মৃত্যু হয়।

৮ ছেপ্টেম্বৰ : ৰাজ্যজুৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান উলহ-মালহেৰে পালন কৰা হয়।

১২ ছেপ্টেম্বৰ : উত্তৰ কোৰিয়াই ২৫০ কিলোমিটাৰ দূৰত্ব ভেদি অসংখ্য বেলিষ্টিক মিছাইল উৎক্ষেপণ কৰি বিশ্বক স্তম্ভিত কৰি তোলে।

১৩ ছেপ্টেম্বৰ : চীনত অনুষ্ঠিত এছিয়া কনিষ্ঠ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ ১৫ বছৰীয়া তনভী পাত্ৰীয়ে চেম্পিয়নৰ খিতাপ দখল কৰে।

১৪ ছেপ্টেম্বৰ : সত্ৰীয়া সংস্কৃতিৰ সাধক পদ্মশ্ৰী বঁটাপ্ৰাপক গোপীৰাম বৰগায়নৰ ১০৩ বছৰত দেহাৱসান ঘটে।

১৫ ছেপ্টেম্বৰ : মেক্সিকোত অনুষ্ঠিত বিশ্বকাপ আৰ্চাৰী প্ৰতিযোগিতাত প্ৰথম ভাৰতীয় হিচাপে ধীৰাজ বোম্মাদেৱৰাই স্বৰ্ণপদক লাভ কৰে।

- ইউপিআইৰ জৰিয়তে দুহেজাৰ টকাৰ অধিক লেনদেনত ০.৪ শতাংশ মাচুল গ্ৰাহকে ভৰিব লাগিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

১৭ ছেপ্টেম্বৰ : অসমত ৰেল নেটৱৰ্ক সম্পূৰ্ণৰূপে বৈদ্যুতিকীকৰণ কৰা বুলি কেন্দ্ৰীয় ৰেলৰে মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

- অসমৰ আইপিএছ বিষয়া সংযুক্তা পৰাশৰক চিআৰপিএফৰ কোব্ৰা বাহিনীৰ মহাপৰিদৰ্শক (প্ৰথম মহিলা) হিচাপে নিযুক্তি দিয়া হয়।

১৯ ছেপ্টেম্বৰ : অসম জাতীয় বিদ্যালয় আৰু অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত অন্যান্য জাতীয় বিদ্যালয়ৰ ছয় লক্ষাধিক শিক্ষাৰ্থীয়ে জুবিন দিৱসত তেওঁৰ চিৰসেউজ গীত 'দিয়া ঘূৰাই দিয়া পৃথিৱী আমাৰ' গীতটো একে সময়তে পৰিৱেশন কৰে।

২০ ছেপ্টেম্বৰ : যশস্বী কবি, লেখক আনিছ উজ জামানৰ ৭৯ বছৰ বয়সত দেহাৱসান ঘটে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# জুবিনৰ সাংগীতিক যাত্ৰা আৰু বৌদ্ধিক সমাজৰ সঁহাৰি

দিগন্ত ওজা

জুবিন গাৰ্গ মানে এক মূৰ্তমান প্ৰতিভা। সাংগীতিক জ্যোতি। সুশোভন মেৰুপ্ৰভাৰ বৰ্ণচ্ছটা। সংগীতাকাশৰ ৰামধেনু। হয়তোবা এক লোকাতীত প্ৰতিভা। অন্যথা এটা কণ্ঠৰেই, ত্ৰিছটা বছৰত ছয়ত্ৰিছ হাজাৰ গীত জানো সম্ভৱ !

ভূপেন হাজৰিকাত বিচাৰি পোৱা যায় জ্যোতিপ্ৰসাদ আগৰৱালা-বিষ্ণুপ্ৰসাদ ৰাভা-পাৰ্ৱতি প্ৰসাদ বৰুৱাৰ সাংগীতিক উত্তৰাধিকাৰ। পাশ্চাত্য সংগীতৰ সৈতে জ্যোতিপ্ৰসাদ কিম্বা ভূপেন হাজৰিকাৰ ঘনিষ্ঠ সংযোগ আছিল—কিন্তু পশ্চিমীয়া চিন্তাক তেওঁলোকে পিন্ধাইছিল অসমীয়া সাজ। ভূপেন হাজৰিকা যুগৰ অপৰাহ্ণত প্ৰস্ফুটিত জুবিন এইখিনিতেই ব্যতিক্ৰম। সাংগীতিক উত্তৰাধিকাৰক সীমাৰ পৰিধিত আবদ্ধ ৰখাৰ পক্ষপাতী তেওঁ মুঠেও নাছিল। জুবিন আছিল বল্গাহীন— চিন্তাৰে, সংগীতেৰে, কথাৰে।



'আছিল'—কাৰণ কায়িক জুবিন এতিয়া যে অতীত; সাগৰৰ দৰে বিশাল প্ৰতিভাক ছিংগাপুৰত আঁকোৱালি ল'লে ভাৰত মহাসাগৰে ! শৰীৰী জুবিন নাই, আছে কেৱল তেওঁৰ মায়াৱী সুৰ, ঐন্দ্ৰজালিক কণ্ঠ— য'ত বৰ্তমানভেদী ভৱিষ্যতেও মোহাচ্ছন্ন হৈ ৰ'ব অজস্ৰ সংগীতপ্ৰাণ। তেওঁৰ জীৱদ্দশাত মোৰ ব্লগত লিখা এটি লেখাৰ সামান্য সম্পাদনাৰে এয়া মোৰেই সমসাময়িক খ্যাতিমান প্ৰতিভালৈ সামান্য শ্ৰদ্ধাঞ্জলি, যদিও এই প্ৰতিভাধৰৰ সাংগীতিক সাধনাৰ আলোচনাৰ যোগ্যতা মোৰ নিচেই সীমিত।[১]

* * *

১৯৯২ চনত 'অনামিকা' এলবামৰ মাজেৰে ওলাই আহিছিল জুবিন গাৰ্গ। তাৰ আগতেই সংগীতানুৰাগীৰ মাজত জুবিন নামৰ সদ্য-কৈশোৰ উত্তীৰ্ণ যুৱকজনে পৰিচিতি লাভ কৰিলেও 'অনামিকা' আছিল জুবিন গাৰ্গৰ সবল আত্মপ্ৰকাশ। ইতিপূৰ্বেই জিতুল সোণোৱালকে ধৰি মুষ্টিমেয় দুজনমানে অসমীয়া সংগীতত নতুন সাজ পিন্ধোৱাৰ প্ৰয়াস কৰিলেও 'অনামিকা'ৰ মাজেৰে অসমীয়া সংগীতে লাভ কৰিছিল এক নতুন মাত্ৰা। পৰৱৰ্তী কালত ন ন সম্পৰীক্ষাৰে এই ধাৰাটোৰেই স্ফুৰণ ঘটিছিল। এইক্ষেত্ৰত জুবিনে লৈছিল বিশিষ্ট ভূমিকা আৰু তাৰেই আনুষ্ঠানিক প্ৰকাশ ঘটিছিল ১৯৯২ চনত। সেই অৰ্থত অসমীয়া সংগীতত জুবিন গাৰ্গৰ স্থিতিৰ চলিত বৰ্ষতে তেত্ৰিছ বছৰ সম্পূৰ্ণ হৈছে। চলিত বৰ্ষতে তেত্ৰিছ বছৰত ভৰি থৈছে অসমীয়া সংগীতৰো দুটা শিবিৰে—'জুবিনক ভাল পোৱা শিবিৰ' আৰু 'জুবিনক বেয়া পোৱা শিবিৰ'। নিঃসন্দেহে এই 'বেয়া পোৱা'ৰ আঁৰত প্ৰতিভাতকৈ ক্ৰিয়াশীল আছিল শিল্পীজনৰ কিছু বাহ্যিক আচৰণ—কিন্তু এই সময়ছোৱাত 'ভাল পোৱা' আৰু 'বেয়া পোৱা' কাৰণ কিছুমানৰ সংবাদসুলভ পৰিবেশন কিম্বা উপৰুৱা আলোচনাৰ বাগাড়ম্বৰৰ

বাহিৰে জুবিনৰ গীতৰ প্ৰাসংগিকতা বা সীমাবদ্ধতাৰ বৌদ্ধিক আলোচনা হ'ল কিমান? এই দায়িত্ব আছিল জুবিনক 'বেয়া পোৱা' শ্ৰেণীটোৰেই বেছি। এই কথা অনস্বীকাৰ্য্য যে ভূপেন হাজৰিকা-পৰবৰ্তী অসমীয়া সংগীত ক্ষেত্ৰৰ জুবিনেই সবাতোকৈ প্ৰভাৱশালী ব্যক্তি। এই অৰ্থতো ভাল পোৱা-বেয়া পোৱাৰ ঊৰ্দ্ধলৈ গৈ জুবিনৰ সংগীতৰ বস্তুনিষ্ঠ, গভীৰ আলোচনাৰ অতীব প্ৰয়োজন। তীক্ষ্ণদৰ্শী সমালোচনাই গভীৰ জীৱন বীক্ষা, ব্ৰহ্মাণ্ডভেদী প্ৰসাৰিত ভাবনা তথা সমাজৰ মৰ্মস্থলৰ সত্যসন্ধানী লক্ষ্যৰে কেৱল সৃষ্টিকৰ্মত জড়িতসকলকে যে উদ্বুদ্ধ কৰে তেনে নহয়, তেনে সৃষ্টিকৰ্মৰ ৰসগ্ৰাহীসকলকো সমৃদ্ধ আৰু দীক্ষিত কৰে। এয়া অসমীয়া সমাজ আৰু সমালোচনা ক্ষেত্ৰৰেই দুৰ্ভাগ্য যে বিপুল জনসমাদৰ লাভ কৰা সত্বেও জুবিনৰ সংগীতক কেন্দ্ৰ কৰি তেনে বৌদ্ধিক-তীক্ষ্ণদৰ্শী সমালোচনা তেওঁৰ জীৱদ্দশাত বিশেষ হৈ নুঠিল। বিপৰীতে জুবিনৰ জনপ্ৰিয়তাৰ আঁৰত সংগীতৰ বাহিৰৰ ক্ষেত্ৰখনত তেওঁৰ কিছু কৃতকৰ্মক তুচ্ছ-তাচ্ছিল্য কৰাতেই বিদ্যায়তনিক ক্ষেত্ৰৰ একাংশ মজি ৰ'ল। আন এচামে সংগীতৰ এই নব্য জনপ্ৰিয় ধাৰাটোকেই অৱজ্ঞা-উপেক্ষাৰে বৌদ্ধিক দূৰত্বত অৱস্থান কৰিলে। প্ৰশ্ন হয় জুবিন বা জুবিনে বাট কটা অসমীয়া জনপ্ৰিয় সংগীত সঁচাকৈয়ে আলোচনাৰ যোগ্য নহয় নেকি?

পাশ্চাত্যত ১৯৬০ৰ দশকৰ পৰা সাংস্কৃতিক, গণ-সম্পৰ্ক আৰু সমাজবিদ্যাৰ বিভিন্ন শাখা-প্ৰশাখাৰ অধ্যয়নৰ ক্ষেত্ৰত জনপ্ৰিয় সংগীত (popular music) এক অপৰিহাৰ্য্য সমলত পৰিণত হৈছে। অৱশ্যে এইটোও ঠিক যে পাশ্চাত্যতো পোনতে জনপ্ৰিয় সংস্কৃতি[২] চৰ্চাৰ প্ৰতি প্ৰজ্ঞাজীৱীসকলৰ (intellectual) সঁহাৰি বা উৎসাহ আছিল সেমেকা। এলেন মেক্কীয়ে তেওঁৰ দ্বাৰা সম্পাদিত *বিউটিফুল থিংছ ইন পপুলাৰ কালচাৰ*ৰ পাতনিত তেওঁৰ একালৰ অভিজ্ঞতা বিৱৰি লিখিছে—"অগণন-অভগন লোকে চলচ্চিত্ৰ, টেলিভিছনৰ অনুষ্ঠান, কম্পিউটাৰ গেম, নিম্নৰুচিৰ আলোচনী, পপ সংগীত, হেভী মেটেল, ৰেপ, গ্ৰাম্য আৰু পশ্চিমীয়া (সংগীত), অপৰাধ উপন্যাস, ৰোমাঞ্চকে ধৰি হৰেক ৰকমৰ সংস্কৃতি হজম কৰি আছে—এনেদৰে তেওঁলোকে সেইবোৰৰ ভাল-বেয়া বিচাৰ কৰি আছে, সিদ্ধান্ত লৈছে অমুকটো টি-ছাৰ্ট, তমুকখন ষ্টেকবʼৰ্ড বা ভচুকটো ৱেবছাইট ভাল নে বেয়া। জনপ্ৰিয় সংস্কৃতি নিতৌ হজম কৰি থকা কথাই জনপ্ৰিয় নৈতিক ব্যৱস্থাকে প্ৰভাৱিত কৰিছে। তথাপি—আশ্চৰ্য্যকৰভাৱে—নিজে বাস কৰা সংস্কৃতিক বুজাটো যিসকলে উপলব্ধি কৰি বিশ্লেষণ কৰাৰ দৰকাৰ, সেই প্ৰজ্ঞাজীৱীসকলে এই গাঁথনিটোৰ বিষয়ে খুব কমেইহে জানে।" (McKee : 2007 : p 2. ভাবানুবাদ এই লেখকৰ) ইয়াৰ কাৰণো মেক্কীয়ে ব্যাখ্যা কৰিছে এইদৰে ঃ "এই বিভ্ৰান্তিৰ কাৰণ বুজাটো বিশেষ জটিল নহয়—বহু প্ৰজ্ঞাজীৱীৰ বাবে জনপ্ৰিয় সংস্কৃতি তেওঁলোকৰ সংস্কৃতি নহয়, আৰু তেওঁলোকে এই বিষয়ে বেছি একো নাজানেও। থিয়ডʼৰ এডʼৰ্ন', ষ্টুৱাৰ্ট হল, বা হেৰল্ড ব্লুমে জনপ্ৰিয় সংস্কৃতিৰ বিষয়ে কি কৈছে সেই বিষয়ে তেওঁলোকে (প্ৰজ্ঞাজীৱীসকলে) বহু কথা জানিব পাৰে, পিছে স্বয়ং জনপ্ৰিয় সংস্কৃতিৰ বিষয়ে জানে তেনেই কম।"

মেক্কী বৰ্ণিত এই পৰিবেশ সত্বেও ১৯৬০ৰ দশকৰ পৰা জনপ্ৰিয় সংস্কৃতি সন্দৰ্ভত ইউৰোপ-আমেৰিকা, জাপান-কোৰিয়াত অনেক গৱেষণা সম্পন্ন হৈছে। এতিয়া পৰিবেশ আৰু সলনি হৈছে। জনপ্ৰিয় সংস্কৃতিয়ে "স্ক্ৰীনত থিতাপি লৈছে। অটʼমʼবাইল উইণ্ডশ্বিল্ড (বৃটিছ ইংলিছত উইণ্ডস্ক্ৰীন), মʼভি স্ক্ৰীন, টেলিভিছন স্ক্ৰীন, কম্পিউটাৰ স্ক্ৰীন, আৰু আনকি মʼবাইলৰ সৰু স্ক্ৰীনত—স্ক্ৰীনেই এতিয়া মধ্যস্থতাকাৰী, জগতৰ খুলিব নোৱৰা খিৰিকী।" (Betts : 2004 : p. 145) আৰু বিশ্বৰ চুকে-কোণে প্ৰতি সপ্তাহতে অগণিত সাংগীতিক অনুষ্ঠান পৰিবেশিত হৈ থকাৰ সময়ত, প্ৰযুক্তিগত বিকাশে বিনোদনক উদ্যোগত পৰিণত কৰাৰ পৰত, অসম মুলুকতো জনপ্ৰিয় সংগীতে নিৰ্বাচনতো প্ৰভাৱ বিস্তাৰ কৰাৰ পৰত, জনপ্ৰিয় সংস্কৃতিৰ বা অধিক পোনপটীয়াকৈ কʼবলৈ গʼলে জনপ্ৰিয় সংগীতৰ চৰ্চাৰ

পৰা আঁতৰি থাকিব পাৰি কিদৰে? তাতেই জনপ্ৰিয় সংগীতে প্ৰথমে স্পৰ্শ কৰা শ্ৰেণীটো হৈছে কিশোৰ আৰু মূলতঃ যুৱপ্ৰজন্ম। লক্ষ্যণীয় কথাটো হ'ল এই যুৱপ্ৰজন্মক দ্বিতীয় মহাসমৰৰ পাছত এটা 'শক্তি' বা বিশেষ 'গোট' হিচাপে প্ৰতিষ্ঠা কৰাৰ আঁৰতো আছে জনপ্ৰিয় সংগীতৰেই ভূমিকা।

যুৱপ্ৰজন্ম সন্দৰ্ভত এই মন্তব্যক কেন্দ্ৰ কৰি মূল প্ৰসংগলৈ যোৱাৰ পূৰ্বে সামান্য ব্যাখ্যাৰ প্ৰয়োজন। এ ডিকাৰ্টিছ সম্পাদিত *প্ৰেজেণ্ট টেন্স ঃ ৰক এণ্ড ৰ'ল এণ্ড কালচাৰ* গ্ৰন্থত ডি শ্বামৰে'ই মন্তব্য কৰিছে যে ১৯৫০ৰ দশক আৰু তাৰ পৰৱৰ্তী কালত চেমনীয়াসকল (টিনেজাৰ) এক গুৰুত্বপূৰ্ণ বজাৰ, অৰ্থাৎ ব্যয়সাধ্য ধনৰ গৰাকী হৈ নুঠা হ'লে যুৱ সংস্কৃতিও গঢ় লৈ নুঠিলেইহেঁতেন। (Decurtis, A. (ed) : 1992 : p. 119-20) প্ৰকৃততে দ্বিতীয় মহাসমৰৰ বিভীষিকাৰ অৱসানৰ পাছত ৰণক্ষেত্ৰ হৈ উঠিছিল ৰং-ৰহইচৰ ক্ষেত্ৰ, আতংক ওপজোৱা অগ্নিগোলকৰ ঠাইত আগমন ঘটিল উদযাপনৰ ফুলজাৰিৰ, ৰণৰ সময়ত অন্ধকাৰে আবৰা মহানগৰী শোভা কৰি উপচি পৰিছিল পোহৰৰ বান। (Betts : 2004 : p. 80) এই সময়ছোৱাত প্ৰযুক্তিগত বিকাশে ভোগবাদী ব্যৱস্থাক পূৰ্বৰ সীমিত মধ্যবিত্তক চেৰাই গৈ খাটিখোৱা শ্ৰেণীৰো সহজসাধ্য কৰি তুলিলে—ৱাশ্বিং মেচিন, মিক্সাৰ, টেইপ ৰেকৰ্ডাৰ আদি প্ৰযুক্তিগত সঁজুলিক ঘৰে-ঘৰোৱাহে উপভোগ্য কৰি তুলিলে। ইউৰোপ-আমেৰিকাত এপিনে উদ্যোগ খণ্ডত যুৱপ্ৰজন্মক মকৰলৰ ফলত আৰু আনপিনে গাইগুটীয়া পৰিয়ালত যুৱকসকলে গুৰুত্ব লাভ কৰিলে। এণ্ডি বেনেটৰ ভাষাত এনে প্ৰেক্ষাপটতে 'যুৱ বজাৰ' মুকলি হ'ল। উপভোক্তা উদ্যোগসমূহে শীঘ্ৰেই উপলব্ধি কৰিলে যৌৱনোদ্দীপ্ত লোকসকলে এক অতি ৰূপায়ণসাধ্য, লাভজনক বজাৰ উপহাৰ দিছে আৰু সমান্তৰালভাৱে তেওঁলোকৰ বাবে বিশেষকৈ প্ৰস্তুত কৰা দেধাৰ সামগ্ৰী ওলাবলৈ ধৰিলে। এইবোৰৰ মাজত আছিল চৌখিন কাপোৰ, লিপষ্টিক-মাছকাৰাৰ দৰে প্ৰসাধন সামগ্ৰী, আৰু আপেক্ষিকভাৱে নতুন সঁজুলি, যেনে— প্লাষ্টিক 45rpm (ৰিভলিউছন পাৰ মিনিট) ৰেকৰ্ডছ, ৰেকৰ্ড প্লেয়াৰ আৰু ট্ৰেনজিষ্টৰ ৰেডিঅ'।" (Bennett : 2001 : p. 9) বিনোদনৰ বাবে এনেদৰে লাভ কৰা সঁজুলি আৰু সময়ে মহাসমৰোত্তৰ যুৱশক্তিক এক নতুন সূত্ৰৰে ঐক্যবদ্ধ কৰে আৰু সেয়া আছিল ৰক এন ৰ'ল। এণ্ডি বেনেটক পোনপটীয়াকৈ উদ্ধৃত কৰিবলৈ হ'লে— "While all of these commodities played their part in articulating the collective identity of youth, the most significant aspect of post-war youth culture was the music which effectively became its signature tune, rock 'n' roll." (Bennett : 2001 : p. 10)

ইউৰোপত যুৱশক্তিৰ অভ্যুদয় আৰু ৰক 'এন' ৰ'লৰ সম্পৰ্কৰ সৈতে অসমত জুবিন আৰু তেওঁৰ অনুৰাগী যুৱপ্ৰজন্মৰ সম্পৰ্কৰ ক্ষীণ সমান্তৰাল ৰেখা টানিব পাৰি নিশ্চয়। জুবিনৰ 'অনামিকা' মুকলি হৈছিল সেই সময়ত, যেতিয়া ভাৰতে গ্ৰহণ কৰিছে নতুন অৰ্থনৈতিক নীতি-LPG—লিবাৰেলাইজেছন, প্ৰাইভেটাইজেছন, গ্লোবেলাইজেছন। জুবিনে এলবাম মুকলি কৰাৰ বাবে আত্মবিশ্বাস লাভ কৰিছিল পাশ্চাত্য সংগীত চৰ্চাৰ মাজেৰে, ১৯৯২ৰ যুৱ মহোৎসৱত পাশ্চাত্য সংগীতত স্বৰ্ণপদক লাভৰ মাজেৰে। (উইকিপিডিয়াৰ তথ্য, সংগ্ৰহ ১৭ জানুৱাৰী, ২০২২) ভাৰতত বিশ্বায়নে ক্ৰমান্বয়ে মুকলি কৰিছিল পাশ্চাত্যৰ সমাজ-সংস্কৃতিত ইতিমধ্যে অভিন্ন অংশ হৈ উঠা আৰু আমাৰ বাবে ইতিপূৰ্বে আচহুৱা অলেখ উপকৰণ। আকৰ্ষণীয়-সহজসাধ্য পণ্য, বিনোদনৰ নতুন সঁজুলি আৰু জুবিনৰ গানে একেলগেই হাত ধৰাধৰিকৈ অসমৰ যুৱ সমাজৰ ওচৰত দেখা দিছিল। অসমীয়া থলুৱা সুৰৰ সৈতে পাশ্চাত্য সংগীতৰ সুৰৰ সমন্বয়-সাধনেৰে এই গীতিকাৰ-গায়কজনে ৰোমাণ্টিকতাক পিন্ধোৱা নতুন সাজ নৱ-যৌৱনেৰে উজ্জীৱিতসকলক উদ্বাউল কৰিবৰ বাবেও আছিল যথেষ্ট। 'জোনাক গলা' ৰাতি 'মনৰ নিজানত' 'প্ৰীতিৰ সুবাস' বিচাৰি যেতিয়া পালে 'এন্ধাৰ হ'ব' নোৱাৰাৰো সংকল্প, তেতিয়াই জুবিন হৈ উঠিল

এচাম যুৱকৰ হিয়াৰ আমঠু। জুবিনৰ এই অনুৰাগীৰ মাজত লক্ষ্যণীয় হৈ ধৰা দিয়ে লিছা এ লিৱিছ সম্পাদিত *দি এড'ৰিং অডিয়েঞ্চ ঃ ফেন কালচাৰ এণ্ড পপুলাৰ মিডিয়া* গ্ৰন্থত জ'লি জেনছেনে শ্ৰেণীবিভক্ত কৰা দুয়োবিধ ভক্তক— নিয়ন্ত্ৰণহীন সমষ্টি (hysterical crowd) আৰু আচ্ছন্ন একাকী (obsessed individual) [Lewis : 1992 : p. 9। প্ৰসংগতঃ অনুৰাগী সন্দৰ্ভত তেওঁৰ প্ৰবন্ধৰ আৰম্ভণিতেই জেনছেনে কোৱা এই কথাষাৰলৈও ৰসগ্ৰাহী পঢ়ুৱৈয়ে মন কৰিব পাৰে ঃ The fan is consistently characterized (referencing the term's origins) as a potential fanatic. This means that fandom is seen as excessive, bordering on deranged, behavior.] এইসকল অনুৰাগীক গানেৰে মুগ্ধ কৰাই নহয়, বহু দূৰলৈ প্ৰভাৱিতও কৰি ৰাখিলে জুবিন গাৰ্গে। কণ্ঠৰ যাদুৰে শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰাৰ লগতে অনুজ বহু অসমীয়া সংগীত-শিল্পীকো তেওঁ মাৰ্গ দৰ্শন কৰাই থৈ গ'ল।

সেইবাবেই প্ৰশ্ন উঠে, সংগীতৰ সাধনাৰে প্ৰভাৱশালী হৈ উঠা জুবিন গাৰ্গৰ সাংগীতিক বৈশিষ্ট্য আৰু বৈবিধ্যক কেন্দ্ৰ কৰি বৌদ্ধিক বিচাৰ কৰাত সংগীত তথা গীতি-সাহিত্যৰ বিদ্যায়তনিক ক্ষেত্ৰখনে প্ৰদৰ্শন কৰা শুচিবায়ুগ্ৰস্ততা সমসাময়িক অসমীয়া সামাজিক কেৰোণৰে আন এটা উদাহৰণ হৈ নৰয়তো? জুবিন গাৰ্গে কেৱলতো অসমীয়া আধুনিক গীতকেই নতুন সাজ পিন্ধোৱা নাছিল, পৰিবেশন কৰিছিল অলেখ কামৰূপী-গোৱালপাৰীয়া লোকগীত, শতাধিক টোকাৰী গীত, সহস্ৰাধিক বিহুগীত। গীতৰ এনে যিকোনো এটা শাখাৰ চৰ্চাকাৰী হিচাপেই য'ত বৌদ্ধিক ক্ষেত্ৰত বিভিন্নজনৰ চৰ্চা কৰা বা মান্যতা হয়, তেনেস্থলত সংগীতৰ বহুধাবিভক্ত ক্ষেত্ৰৰ এইজন সাধকৰ প্ৰতি বিদ্যায়তনিক ক্ষেত্ৰখনৰ অমনোযোগিতা আৰু ইচ্ছাকৃত উদাসীনতাৰ ব্যাখ্যা আমি হয়তো পামগৈ ইতিপূৰ্বে উল্লেখ কৰি অহা এলেন মেক্কীৰ কথাতেই। ই অৱশেষত জনপ্ৰিয় সংগীতৰ গৱেষণা-অধ্যয়ন সন্দৰ্ভত যেন আমাৰ বিদ্বৎ সমাজৰ অজ্ঞতা-অক্ষমতাৰেই প্ৰকাশ। অথচ সাম্প্ৰতিক অসমীয়া সমাজখনৰ গতিগোত্ৰ উপলব্ধি কৰিবলৈও অসমীয়া যুৱ মনটোক বুজিব লাগিব, সেই যুৱ মনক আচ্ছন্ন কৰি ৰখা জনপ্ৰিয় সাংস্কৃতিক পৰিমণ্ডলটোৰ কাষ চাপিবই লাগিব। আমোদজনকভাৱে জুবিনৰ অনুৰাগীৰ জেনছেনে বৰ্ণিত 'নিয়ন্ত্ৰণহীন সমষ্টি'ৰ (hysterical crowd) আদব-কায়দাৰ বাবে বৌদ্ধিক মহলৰ এচামে জুবিনৰ নেতৃত্বক দোষাৰোপ কৰাই পৰিলক্ষিত হয়। তাৰ আঁৰতো ক্ৰিয়াশীল বিশ্বায়নে আগমন ঘটোৱা জনপ্ৰিয় সংস্কৃতিৰ প্ৰতি একধৰণৰ অৱজ্ঞা-অজ্ঞতা। গছৰ তলৰ পৰা প্ৰেম নিবেদনে ইণ্টাৰনেটত স্থান পাইছে, মুখামুখি বক্তব্যৰ স্থান লৈছে ম'বাইলৰ ভিডিঅ'-বাৰ্তালাপে, বজাৰ-সমাৰ, মেল-মিটিঙো চলে ইণ্টাৰনেটত, ঢেঁকীৰ চিৰা-কোমল চাউলতকৈ পিজ্জা-বাৰ্গাৰৰ প্ৰতি মধ্যবয়স্কৰো বাঢ়িছে আসক্তি,—আৰু এইবোৰৰ সংবাদসুলভ পৰিবেশনৰ বাহিৰে গভীৰ বিশ্লেষণ য'ত উপেক্ষিত—বিগত শতিকাৰ আশীৰ দশকৰ মূল্যবোধেৰে এইবোৰক লৈ চলি থকা সামাজিক বিচাৰ অৱশেষত জনপ্ৰিয় সংস্কৃতিৰ মননশীল বিচাৰ নোহোৱাৰ পৰিণতিৰেই নামান্তৰ। ইয়াৰ মাজতে বিশ্বায়ন-উত্তৰ পৰিবৰ্তিত মূল্যবোধ আৰু চেতনাই ৰাজনীতিও গ্ৰাস কৰিছে ইতিমধ্যে। ১৯৮০ৰ দুৱাৰডলিৰ পৰা আঁতৰি আহি সামাজিক চেতনাৰে জড়িত বিষয়সমূহৰ বিচাৰ এই পথতে হ'ব লাগিব। সেই অৰ্থতো সৰ্বাগ্ৰে জনপ্ৰিয় সাংস্কৃতিক উপকৰণেৰে আৱৰা আজিৰ যুৱপ্ৰজন্মক এটা দূৰলৈ মন্ত্ৰমুগ্ধ কৰি ৰখা জুবিন গাৰ্গৰ দৰে শিল্পীৰ বৌদ্ধিক বিচাৰ হোৱাৰ প্ৰয়োজন আছিল। একেদৰে বিগত শতিকাৰ অন্তিম দশকৰ পৰা অসমৰ সমাজ জীৱনলৈ অহা পৰিবৰ্তনসমূহৰ লগতো জুবিনৰ সাযুজ্যতাৰ বিশ্লেষণৰ থল থাকে। জুবিনকেন্দ্ৰিক শ্ৰেণীবিভক্ত সমাজৰ পৰা বিদ্বান-গৱেষকে উপযুক্ত সময়ত এনে অন্বেষণ কৰাহেঁতেন বিগত তিনিটা দশকৰ জুবিন গাৰ্গক হয়তো অধিক দীক্ষিত-সমৃদ্ধ ৰূপতেই অসমীয়া সমাজখনে লাভ কৰিলেহেঁতেন। সংগীতক্ষেত্ৰৰ বাহিৰৰ যিবোৰ কৃতকৰ্মৰ বাবে এইগৰাকী শিল্পীক ককৰ্থনা কৰা হৈছিল,

সেই কাৰবাৰবোৰো ক'ৰবাত বৌদ্ধিক সমাজৰ অনীহাৰেই পৰিণতি নহয়তো?

কোৱা হয়, অভিভাৱকহীন হ'লেই সন্তান তথা সমাজ বিপথগামী হয়। ঊনবিংশ শতিকাৰ মাজভাগতে হেনৰি ডেভিদ থৰোৱে সকীয়াই দিছিল যে বাৰ্ধক্য যৌৱনতকৈ ভাল শিক্ষক নহয়, কাৰণ বাৰ্ধক্যই যিমান পালে তাতকৈ বেছি হেৰুৱালে। 'যৌৱন'ক বাট দেখুওৱাৰ দায়িত্ব 'বাৰ্ধক্য'ই ল'ব লাগিব সঁচা, তাকে হ'ব লাগিব 'যৌৱন'ক উপলব্ধিৰ মাজেৰে— ককৰ্থনা-নিন্দাৰে নহয়। জুবিনৰ দুৰ্ভাগ্য এইটোৱেই যে জীৱদ্দশাত তেওঁ তেনে বৌদ্ধিক দিশৰ সম্ভেদ বৰ এটা নাপালে[৩]—যথাযোগ্য অভিভাৱকসকলে তাৰ সলনি খং-ৰাগ কৰাতেই মত্ত হৈ ৰ'ল। আমাৰ সমাজৰ এইটোও আচলতে অন্যতম কেৰোণ।

**টোকা ঃ**

১) পূৰ্বৰ এটা লেখাতে আমি উল্লেখ কৰিছিলোঁ যে "গীতৰ সৈতে আমাৰ সম্পৰ্ক কেৱল শ্ৰোতাৰ আৰু ভাল লগা কথাংশৰ মনতে পাগুলনি তুলি থকাৰহে।" (https://manimugdha.blogspot.com/2022/01/blog-post_8.html) গীতৰ আঁৰৰ নিৰ্মিতি উপলব্ধি কৰাৰ লেশমানো যোগ্যতা আমাৰ নাই। সমাজ বিজ্ঞানৰ এগৰাকী অনুৰাগী আৰু অন্বেষক হিচাপে সামাজিক ৰূপান্তৰৰ ক্ষেত্ৰত জনপ্ৰিয় সংস্কৃতিয়ে লোৱা ভূমিকা উপলব্ধিৰ প্ৰয়াসেৰে দুবছৰমান পৰা পঢ়া কিছুসংখ্যক কিতাপে আমাৰ মনত ওপজোৱা জুবিনকেন্দ্ৰিক ভাবনাৰ ফলতহে এই লেখাৰ সৃষ্টি। এই লেখাত তেনে দুখনমান কিতাপৰ উল্লেখ আছে।

২) popular musicক অসমীয়াত জন-সংগীত বুলিও ক'ব পাৰি নেকি, তেনে ভাবনা এটাও আমাৰ মনলৈ আহিছিল। পিছে জন-সংগীতে 'গণ-সংগীত' বা mass musicৰ সৈতে বেমেজালি সৃষ্টি কৰাৰ শংকাতে এই লেখাত জনপ্ৰিয় সংগীত বুলিয়েই উল্লেখ কৰা হৈছে।

৩) ২০২২ চনতে লিখা এই প্ৰবন্ধ সামৰাৰ সময়তে ব্যক্তিগত আলাপত শান্তনু কৌমুদীয়াই জনোৱা মতে জুবিন গাৰ্গৰ গীত সন্দৰ্ভত সমুদ্ৰ কাজল শইকীয়াই এক বৌদ্ধিক বিশ্লেষণ আগবঢ়াইছে। একেদৰে, সঞ্জীৱ পল ডেকাই জনাইছে যে *আমাৰ অসম* কাকতত অংকুৰ তামুলী ফুকনেও এটা মননশীল আলোচনা কৰিছিল। উক্ত লেখা দুটাও আমাৰ লেখাৰ প্ৰসংগতে আগ্ৰহীসকলে পঢ়ি চাব নিশ্চয়। ❖

**গ্ৰন্থপঞ্জী ঃ**


1. Bennett, Andy. 2001. Cultures of Popular Music. New York. Open University Press.
2. Betts, Raymond F. 2004. A History of Popular Culture : More of Everything, Faster and Brighter. New York. Routledge. E-book.
3. Decurtis, A. (ed). 1992. Present Tense : Rock and Roll Culture. Durham. Duke University Press. pdf
4. Lewis, Lisa A. (ed.) 1992. The Adoring Audience : Fan Culture and Popular Media. London. Routledge. E-book.
5. McKee, Alan. (ed.) 2007. Beautiful Things in Popular Culture. Malden, USA. Blackwell Publishing.


## তোমালোকৰ বাবে প্ৰশ্ন, অক্টোবৰ, ২০২৬

১। জুবিন গাৰ্গে কোনজন সংগীত পৰিচালকৰ পৰিচালনাত চলচ্চিত্ৰত প্ৰথম গীত গাইছিল?

২। মীৰাবাঈ চানুৱে ২৮ বছৰীয়া প্ৰতীক্ষাৰ অৱসান ঘটাই নাগোয়া এছিয়াডত ভাৰোত্তোলনত পদক লাভ কৰে। তেওঁৰ পূৰ্বে ১৯৯৮ চনত কোনে এই পদক লাভ কৰিছিল?

৩। ইংৰাজী ভাষাত জ্ঞানপীঠ বঁটা লাভ কৰা একমাত্ৰ সাহিত্যিকগৰাকীৰ প্ৰথম প্ৰকাশিত কিতাপখনৰ নাম কি?

৪। হৰ্ষিতা জাখাৰ—কোনবিধ ক্ৰীড়া সমাৰোহত অংশ লোৱা প্ৰথমগৰাকী ভাৰতীয়?

৫। টমাছ এলিয়টে সাহিত্যৰ আৰু পল হাৰ্মান মূলাৰে চিকিৎসাবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰা বছৰত শান্তিৰ ন'বেল বঁটা কোনে লাভ কৰিছিল? ❖

নিবন্ধ

# সংৰক্ষণৰ যোগেদি খাদ্যবস্তুৰ উৎপাদন

■ অভিজিত শৰ্মা বৰুৱা



এটা সৰু কথাৰেই আৰম্ভ কৰা যাওক। ভাৰত হ'ল বিশ্বৰ ভিতৰতে আটাইতকৈ বেছি পিঁয়াজ উৎপাদন কৰা দেশ। ভাৰতৰ মহাৰাষ্ট্ৰত বেছিভাগ পিঁয়াজ উৎপাদন কৰা হয়। কিন্তু কেনেবাকৈ যদি তাত বেছি বৰষুণ বা আন প্ৰাকৃতিক কাৰণৰ বাবে উৎপাদন কম হয়, তেতিয়া ওচৰৰ চীন, পাকিস্তান আদি দেশৰ পৰা পিঁয়াজ আমদানি কৰিবলগীয়া হয়। তেনে কাৰণতে ১৯৯৮ আৰু ২০০৫ চনত ভাৰতে পিঁয়াজ আমদানি কৰিবলগীয়া হৈছিল। পাছতহে দেখা গ'ল যে তেনে অসুবিধা সত্ত্বেও ভাৰতত যিমান পিঁয়াজ উৎপাদিত হৈছিল, সেয়াও দেশখনৰ চাহিদা পূৰণ কৰিবলৈ যথেষ্ট আছিল। কিন্তু প্ৰায় ৪০ শতাংশ পিঁয়াজ গেলি যোৱাৰ বাবেহে সেই সমস্যাৰ সৃষ্টি হৈছিল।

**কিমান খাদ্যসামগ্ৰী নষ্ট হয়?**

চৰকাৰী হিচাপমতে ভাৰতত উৎপাদিত মুঠ কৃষিজাত দ্ৰব্যৰ ২০ৰ পৰা ৫০ শতাংশই গেলি-পচি নষ্ট হৈ যায়। আমাৰ দেশৰ সামগ্ৰিক পৰিবেশো খাদ্যবস্তু গেলা-পচাৰ বাবে বেছ উপযুক্ত। সেমেকা জলবায়ুত বেক্টেৰিয়া বা জীৱাণুৱে বংশবৃদ্ধি কৰিবলৈ সুবিধা পায়, আৰু সেইবোৰেই বস্তুবোৰ গেলাই দিয়ে। যি ২০ৰ পৰা ৫০ শতাংশ খাদ্য গেলি-পচি যায়, আমি যদি সেইখিনি নষ্ট নকৰাকৈ ৰাখিব পাৰোঁ, তেন্তে সেইখিনি আমি উৎপাদন কৰাৰ নিচিনাই হয়। তাৰ বাবে বীজ বা পুলি নালাগে, পথাৰ নালাগে, সাৰ নালাগে, মানুহে কষ্ট কৰিব নালাগে, সেই কাৰণেই আজিকালি নতুন নতুন উপায়েৰে ফল-মূল-পাচলি-শস্য আদিক বেয়া নোহোৱাকৈ বেছিদিন ৰাখিবলৈ চেষ্টা কৰা হয়। এতিয়া খাদ্য সংৰক্ষণৰ বাবে আগৰ শুষ্ককৰণ, পেষ্টুৰীকৰণ, নিৰ্জলীকৰণ, আচাৰকৰণ আদি পদ্ধতিতো আছেই, তাৰ উপৰি নতুনকৈ খাদ্য বিকিৰণন (Food Irradiation) নামেৰে এক আধুনিক পদ্ধতি বিকশিত হৈছে আৰু তাৰ দ্বাৰা এই ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিব পৰা গৈছে। নতুন বুলি ক'লেও এই খাদ্য বিকিৰণন পদ্ধতিটো কিন্তু একেবাৰে নতুন নহয়। বিভিন্ন গৱেষণাৰ যোগেদি অৰ্ধ শতিকা আগতেই সেই পদ্ধতিৰ উদ্ভাৱন হৈছিল। আমি বৰং ক'ব পাৰোঁ যে এতিয়া এই পদ্ধতি বেছি জনপ্ৰিয় হ'বলৈ ধৰিছে।

**খাদ্য বিকিৰণন পদ্ধতিনো কি?**

খাদ্য বিকিৰণন পদ্ধতি হ'ল নিয়ন্ত্ৰিত মাত্ৰাত আয়নীয় বিকিৰণৰ সহায়ত খাদ্যবস্তুক বেছিদিন সতেজ আৰু বীজাণুমুক্ত কৰি ৰখাৰ এক পদ্ধতি। ভাৰতত খেতিপথাৰত উৎপাদিত হোৱাৰ পাছত সঠিক সংৰক্ষণৰ অভাৱত ৫০ শতাংশ পৰ্যন্ত খাদ্যসামগ্ৰী নষ্ট হৈ যায়। খাদ্য বিকিৰণন পদ্ধতিয়ে এই নষ্ট হোৱাটো প্ৰতিহত কৰিব পাৰে। তদুপৰি খাদ্যবস্তুত থকা ছালম'নেলা, ই কলাই আদি ক্ষতিকাৰক বেক্টেৰিয়া, ভেঁকুৰ আৰু আন পৰজীৱীক ধ্বংস কৰি এই পদ্ধতিয়ে খাদ্যবাহিত বেমাৰৰ বিপদো কমাব পাৰে। খাদ্য বিকিৰণনে আলু, পিঁয়াজ, আদা আদিত গজালি সৃষ্টি হোৱাটো বন্ধ কৰিব পাৰে, ফলসমূহ দ্ৰুতভাৱে পকি গেলি যোৱাটো ৰোধ কৰিব পাৰে আৰু খাদ্যসামগ্ৰীৰ গুণগত মান অক্ষুণ্ণ ৰাখি সেইবোৰৰ আয়ুসকাল বৃদ্ধি কৰিব পাৰে। ভাৰতত মূলতঃ আলু, পিঁয়াজ, বিভিন্ন ধৰণৰ মচলা, আম (ৰপ্তানিৰ বাবে), দাইল, দানা শস্য আৰু সামুদ্ৰিক মাছ আৰু মাংস সুৰক্ষাৰ বাবে এই প্ৰযুক্তি ব্যৱহাৰ কৰা হয়।

**বিভিন্ন প্ৰকাৰৰ বিকিৰণ**

আমাৰ দেশত খাদ্য বিকিৰণন পদ্ধতিত মূলতঃ তিনি প্ৰকাৰৰ বিকিৰণ উৎস ব্যৱহাৰ কৰা হয়।

● **গামা ৰশ্মি** (Gamma Rays): এই ৰশ্মি সাধাৰণতে ক'বাল্ট-৩০, চিজিয়াম-১৩৭ আদিৰ পৰা

আহৰণ কৰা হয়। ভাৰত চৰকাৰৰ পৰমাণু শক্তি বিভাগৰ অধীনত থকা 'ব'ৰ্ড অফ ৰেডিয়েছন এণ্ড আইছ'টপ টেকন'লজি' (BRIT) হ'ল এই ৰাসায়নিক পদাৰ্থসমূহ যোগান ধৰাৰ কৰ্তৃত্বশীল প্ৰতিষ্ঠান।

- **ৰঞ্জন ৰশ্মি বা এক্স-ৰে** (X-rays) আৰু
- **ইলেকট্ৰন ৰশ্মি** (electron beams)

ভাৰতত এই প্ৰযুক্তিৰ নিৰাপত্তা আৰু বিকিৰণৰ নিৰাপদ মান নিৰ্ধাৰণ কৰে 'ফুড ছেফটি এণ্ড ষ্টেণ্ডাৰ্ডছ অথৰিটি অফ ইণ্ডিয়া' (FSSAI) আৰু পৰমাণু শক্তি নিয়ন্ত্ৰণ ব'ৰ্ডে (AERB)।

ভাৰত চৰকাৰৰ 'ফুড প্ৰচেছিং ইণ্ডাষ্ট্ৰী' মন্ত্ৰালয়ে (MoFPI) 'প্ৰধানমন্ত্ৰী কিষাণ সম্পদ যোজনা'ৰ (PMKSY) অধীনত খাদ্য বিকিৰণন গোট স্থাপনৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আৰু বিত্তৰ যোগান ধৰে। এতিয়া ভাৰতৰ বিভিন্ন ৰাজ্যত প্ৰায় ২৫টা এনে গোট কাৰ্য্যক্ষম হৈ আছে আৰু PMKSYৰ অধীনত ১০০০ কোটি টকা আবণ্টিত ধনেৰে আন ৫০টা বৃহৎ খাদ্য বিকিৰণন গোট স্থাপন কৰিবলৈ লোৱা হৈছে। বৰ্তমান কাৰ্য্যক্ষম গোটবোৰৰ ভিতৰত অন্যতম হ'ল নাছিকৰ 'কৃষক' (KRISHAK) প্লেণ্ট আৰু নৱী মুম্বাইৰ 'ভাছিৰ ৰেডিয়েছন প্ৰচেছিং প্লেণ্ট'। পূব ভাৰতৰ প্ৰথম খাদ্য বিকিৰণন প্লেণ্ট 'বিকিৰণ' পশ্চিমবংগৰ কলকাতাৰ ওচৰৰ ডানকুনিত স্থাপন কৰা হৈছে। তাত মূলতঃ মচলা, ভেষজ আৰু আয়ুৰ্বেদিক পণ্য জীৱাণুমুক্ত কৰা হয়।

অনেকে ভাবে যে বিকিৰণন পদ্ধতি ব্যৱহাৰৰ ফলত খাদ্যবস্তু তেজস্ক্ৰিয় গুণসম্পন্ন হৈ যায়। কিন্তু বিশ্ব স্বাস্থ্য সংস্থা (WHO) আৰু ভাৰতীয় বিজ্ঞানীসকলে জানিবলৈ দিছে যে বিকিৰণন কৰা খাদ্য সম্পূৰ্ণ নিৰাপদ আৰু তাত কোনো ক্ষতিকাৰক তেজস্ক্ৰিয়তা নাথাকে। এনে খাদ্য সামগ্ৰী বজাৰলৈ অহাৰ আগতে কিছুমান কঠিন পৰীক্ষাৰ সমুখীন হ'ব লাগে আৰু আন্তৰ্জাতিকভাৱে স্বীকৃত 'ৰাডুৰা' (Radura) প্ৰতীক চিহ্ন লাভ কৰিব লাগে।

গামা ৰশ্মি, এক্স-ৰে, ইলেকট্ৰন ৰশ্মি আদিৰ বিকিৰণসমূহে খাদ্যবস্তুৰ বেছ গভীৰতালৈ গৈ সেইবোৰ গেলি যোৱাত সহায় কৰা অণুজীৱ, বেক্টেৰিয়া আদিতো ধ্বংস কৰেই, তদুপৰি আন কিছুমান গুৰুত্বপূৰ্ণ কামো কৰে। উদাহৰণস্বৰূপে, ফল-মূলৰ ক্ষেত্ৰত সেইবোৰ বেছিকৈ পকাটো বিলম্বিত কৰি দিয়ে, খাদ্যবস্তুৰ ভিতৰত থকা যি জলভাগে বস্তুটো নষ্ট হোৱাত সহায় কৰে, সেই জলভাগ আঁতৰাই দিয়ে আৰু খাদ্যবস্তুৰ ভিতৰত এনে এটা পৰিবেশ সৃষ্টি কৰে যাতে পাছতো কে'বামাহলৈকে বেক্টেৰিয়া, অণুজীৱ আদিয়ে তাত সহজে প্ৰবেশ কৰি নিজৰ আস্তানা গঢ়ি তুলিব নোৱাৰে।

বিকিৰণন পদ্ধতিৰে খাদ্যবস্তুৰ সংৰক্ষণৰ বাবে প্ৰথমতে পেকেট কৰা বা মুকলিকৈ ৰখা খাদ্যবস্তুবোৰ এক বিকিৰণন প্ৰকোষ্ঠত ৰখা হয়। এই প্ৰকোষ্ঠৰ বেৰবোৰৰ ডাঠেই হ'ল ১.৫ মিটাৰৰ পৰা ১.৮ মিটাৰ পৰ্য্যন্ত। প্ৰয়োগ কৰা বিকিৰিত ৰশ্মি যাতে বাহিৰ ওলাই যাব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা লোৱা হয়। এক পৰিবহণ পদ্ধতিৰে খাদ্যবস্তুসমূহ সেই দেৱালত থকা সুৰুঙাৰ মাজেদি বিকিৰণন প্ৰকোষ্ঠত প্ৰবেশ কৰে, আৰু প্ৰয়োজনীয় বিকিৰণ লাভ কৰাৰ পাছত পুনৰ বাহিৰ ওলায়ো আহে। কাক কিমান বিকিৰণ শক্তিৰ প্ৰয়োজন তাৰ ওপৰত ভিত্তি কৰি সেই বস্তুবোৰ ভিতৰত থকাৰ সময় ঠিক কৰা হয়।

যেতিয়া ক'বাল্ট বা চিজিয়ামৰ দৰে তেজস্ক্ৰিয় সমস্থানিকৰ বিকিৰণৰ প্ৰয়োজন নাথাকে বা খাদ্য সংৰক্ষণৰ প্ৰক্ৰিয়া কিছু সময়ৰ বাবে বন্ধ থাকে, তেতিয়া সেই তেজস্ক্ৰিয় সমস্থানিকক পানীৰ ন্যূনতম ছয় মিটাৰ গভীৰতাত ডুবাই ৰখা হয়। এক্স-ৰে বা ইলেকট্ৰন বিকিৰণৰ ক্ষেত্ৰত অৱশ্যে তাৰ প্ৰয়োজন নাই।

আগতে বিকিৰণ শক্তিৰ একক হিচাপে 'ৰেড' ব্যৱহাৰ কৰা হ'লেও এতিয়া বিকিৰণৰ মাত্ৰা 'গ্ৰে' নামৰ এক এককেৰে জোখা হয়। এক গ্ৰে মানে হ'ল এক জুল প্ৰতি কিলোগ্ৰাম। অৱশ্যে 'ৰেড' আৰু 'গ্ৰে'ৰ মাজতো এক সম্পৰ্ক আছে। এক গ্ৰে মানে ১০০ ৰেড। খাদ্যবস্তুবোৰক প্ৰয়োজনীয় বিকিৰণ এবাৰ দিলেই হৈ যায়। সকলো বস্তুতে সমান বিকিৰণ শক্তিও দিব নালাগে। আলু-পিঁয়াজৰ ক্ষেত্ৰত নিম্ন মাত্ৰাৰ (০.১৫ কিলো গ্ৰে) বিকিৰণ শক্তি দিলেই হয়। বিকিৰণৰ মাত্ৰা ১ কিলো গ্ৰেলৈকে হ'লে সেয়া হ'ল নিম্ন মাত্ৰা, ১.১ৰ পৰা ১০ কিলো গ্ৰেলৈকে মধ্যমীয়া মাত্ৰা আৰু ১০ কিলো গ্ৰেৰ ওপৰত হ'লে, সেয়া উচ্চ মাত্ৰা।

এনে বিকিৰণ দিয়াৰ বাবে খাদ্যবস্তুৰ মূল্য সামান্য বাঢ়ে। নিম্ন মাত্ৰাৰ বিকিৰণৰ বাবে খৰচ পৰে প্ৰতি কিলোগ্ৰামত প্ৰায় ৫০ পইচা। বিকিৰণৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি মধ্যমীয়া মাত্ৰা আৰু উচ্চ মাত্ৰাৰ বিকিৰণৰ খৰচ প্ৰতি কিলোগ্ৰামত ১ টকাৰ পৰা ৩ টকালৈকে হ'ব পাৰে। ❖

# বৰলৰ বাহ আৰু জীৱন চক্ৰ

■ কল্যাণী পাটগিৰি



১৯৪৬ চনত ইটালীৰ কোম্পানী পিয়াজিঅ'ৰ (Piaggio) মুখ্য কাৰ্য্যবাহী বিষয়া এনৰিকো পিয়াজিঅ'ই (Enrico Piaggio) নতুনকৈ নিৰ্মাণ কৰা স্কুটাৰ এখনৰ গঠন আৰু ইঞ্জিনৰ শব্দ শুনি কৈছিল, "Sembra Una vespa" যাৰ অৰ্থ হ'ল এইখন একেবাৰে বৰলটোৰ দৰে। উৰি থকা বৰল এটাৰ শব্দ আৰু স্কুটাৰখনৰ ইঞ্জিনৰ শব্দৰ মিল দেখা পাই পিয়াজিঅ'ই স্কুটাৰখনৰ নাম ৰাখিছিল ভেছপা। ইটালীয় ভাষাত বৰলক ভেছপা বোলা হয়।

বৰল হ'ল হাইমেনপটেৰা (Hymenoptera) বৰ্গৰ অন্তৰ্গত এবিধ উৰণীয়া পতংগ। সমগ্ৰ পৃথিৱীতে বৰলৰ প্ৰায় এক লাখমান প্ৰজাতি দেখা পোৱা যায়। ইহঁতৰ দেহটো তিনিটা ভাগত বিভক্ত। মূৰ, বুকু আৰু পেট। বৰলৰ ছখন ঠেং, দুযোৰ পাখি আৰু দুডাল শুং থাকে। পেটৰ একেবাৰে তলভাগত বৰলৰ এডাল বিষাক্ত হুল থাকে, যাক সাধাৰণতে দেখা নাপায়। বিপদৰ সময়তহে বৰলে এই হুলডাল উলিয়াই অন্য প্ৰাণীক আক্ৰমণ কৰে। বৰল সাধাৰণতে দুই ধৰণৰ। সামাজিক বৰল আৰু অকলশৰীয়া বৰল। সমগ্ৰ বিশ্বৰ প্ৰায় ৯৯% বৰলেই অকলশৰীয়া বৰল। ইহঁতে সাধাৰণতে নিজে বাহ সাজি, কণী পাৰি পোৱালি জন্ম দিয়ে। এই ধৰণৰ বৰল সাধাৰণতে অপকাৰী নহয়। সামাজিক বৰলৰ গোটেই পৃথিৱীত প্ৰায় এহাজাৰমান প্ৰজাতিহে আছে। সিহঁতে বাহ সাজি দলবদ্ধভাৱে বাস কৰে। সামাজিক বৰলৰ বাহত ৰাণী, কৰ্মী আৰু মতা বৰলবোৰ থাকে। ৰাণীয়ে কণী পাৰি পোৱালি জন্ম দিয়ে আৰু কৰ্মী বৰলবোৰে বাহ সজা, খাদ্য সংগ্ৰহ কৰা আৰু ৰাণী আৰু পোৱালিবোৰক সুৰক্ষা দিয়া কাম কৰে। মতা বৰলবোৰৰ কাম হ'ল বংশবৃদ্ধিত সহায় কৰা।

**বৰলৰ বাহ :** বৰলৰ বাহ হ'ল প্ৰকৃতিৰ এক বিস্ময়কৰ সৃষ্টি। বৰলে সাধাৰণতে গছৰ ডাল, মানুহৰ ঘৰৰ ছাল, বেৰ, শিলৰ মাজত আৰু মাটিৰ তলৰ গাঁত আদিত বাহ সাজে। বাহ সাজোঁতে বৰলে কাঠ বা গছৰ আঁহবোৰ প্ৰথমতে উলিয়াই লয়। তাৰ পাছত তাত লালটি ঢালি কোমল কৰি লয়। পাছত আঁহবোৰ চোবাই চোবাই তাৰে একোটা মণ্ড সাজি লয় আৰু পাছত এই মণ্ডবোৰৰ পৰাই এটা সময়ত ধুনীয়া ষড়ভুজাকৃতিৰ কিছুমান কোষ তৈয়াৰ কৰি লয়। এই কোষবোৰৰ কিছুমানত কণী পাৰে, কিছুমানত পলু ডাঙৰ কৰে আৰু কিছুমানত খাদ্য সংৰক্ষণ কৰে। আনহাতে বৰলৰ কিছুমান প্ৰজাতিয়ে মাটি বা বোকাৰে বাহ সাজে। ইয়াৰ ভিতৰত আমি সচৰাচৰ দেখা পোৱা কুমাৰণী (Mason wasp) অন্যতম। আনহাতে কোদোজাতীয় কিছুমান বৰলে বাহৰ চাৰিওফালে ডাঠ আবৰণ দি বাহটোক বতাহ, বৰষুণ আৰু বাহিৰা শত্ৰুৰ পৰা ৰক্ষা কৰে আৰু এটা সৰু ছিদ্ৰৰে সিহঁতে বাহটোৰ ভিতৰলৈ অহা-যোৱা কৰে। বৰলে যিধৰণে বাহ সাজে, সেয়া মানুহৰ বাবে সঁচাকৈ বিস্ময়কৰ।

**বৰলৰ জীৱন চক্ৰ :** ৰাণী বৰলবোৰ সাধাৰণতে ১ বছৰৰ অধিক কাল জীয়াই থাকে, কিন্তু আন বৰলবোৰৰ জীৱনকাল ৪০ৰ পৰা ৬০ দিনলৈহে। সকলোবোৰ বৰলৰ জীৱনচক্ৰ কণী, পলু, লেটা বা পিউপা আৰু প্ৰাপ্তবয়স্ক—এই চাৰিটা স্তৰৰ মাজেৰে সম্পন্ন হয়।

**কণী** (egg) : এটা বৰলৰ জীৱনচক্ৰ কণীৰ পৰা আৰম্ভ হয়। ৰাণী বৰলে বাহৰ একোটাকৈ কোষত এটাকৈ সৰু আৰু বগা কণী পাৰে। পাছত ৫ দিনৰ পৰা ৮ দিনৰ ভিতৰত সেই কণীবোৰৰ পৰা পলু ওলায়।

**পলু** (larva) : কণীৰ পৰা ওলোৱা বৰলৰ পলুবোৰৰ পাখি বা ঠেং নাথাকে। ইহঁতে নিজে খাদ্য সংগ্ৰহ কৰিব

নোৱাৰে বাবে ৰাণী আৰু কৰ্মী বৰলবোৰে খাদ্য যোগান ধৰে। এই স্তৰটো সাধাৰণতে প্ৰায় দুসপ্তাহমান থাকে।

**লেটা বা পিউপা** (pupa) : বৰলৰ জীৱনচক্ৰৰ এই স্তৰটো সাধাৰণতে ১০ৰ পৰা ১৮ দিনীয়া হয়। এইটো স্তৰত পলুবিলাক প্ৰথমতে লেটালৈ ৰূপান্তৰিত হয় আৰু পাছত প্ৰাপ্তবয়স্ক বৰলৰ ৰূপ লয়।

**প্ৰাপ্তবয়স্ক** (adult) : বৰল প্ৰাপ্তবয়স্ক হোৱাৰ পাছত এইটো স্তৰত বৰলবোৰ কোষৰ পৰা বাহিৰলৈ ওলাই আহে। ওলাই অহাৰ সময়ত বৰলবোৰৰ শৰীৰটো কোমল হৈ থাকে যদিও কিছু সময় পাছত কঠিন হৈ উৰিব পৰা হয়।

সাধাৰণতে বসন্ত আৰু গ্ৰীষ্ম ঋতুত বৰলে নতুনকৈ বাহ সাজি পোৱালি জগায় আৰু শীতকালত বৰলবোৰে নিৰাপদ ঠাইতে আশ্ৰয় লৈ শীতৰ দিনকেইটা পাৰ কৰে।

“কেঁচা বৰলক জোকাই ল’লে গা সাৰিবলৈ টান।”

অসমৰ প্ৰথমজন জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ বিখ্যাত উপন্যাস ‘মৃত্যুঞ্জয়’ৰ আৰম্ভণি এই কথাষাৰৰ মাজেৰেই হৈছিল। বিষাক্ত হ’লেও বৰল যে নিৰীহ জীৱ, উক্ত বাক্যশাৰীৰ পৰা অনুমান কৰিব পাৰি। আমি যদি জোকাই নলওঁ বা তাৰ অনিষ্ট সাধন নকৰোঁ, বৰলে কেতিয়াও আমাৰ অনিষ্ট সাধন নকৰে। ❖

## বিজ্ঞান-বাৰ্তা

# ফ্ল’ৰ’ছিছ

■ **উদয়া ফুকন**

মানুহৰ সুস্বাস্থ্যৰ বাবে দাঁত দুপাৰি ভালে থকা প্ৰয়োজন। দাঁতে খাদ্য চোবাই হজম হোৱাত সহায় কৰে। ইয়াৰ দ্বাৰা শৰীৰে পুষ্টি লাভ কৰে। একেদৰে দুপাৰি সুন্দৰ দাঁতে মুখাৱয়বৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। দাঁতৰ যত্ন লৈ দন্তৰোগৰ পৰা বাচি থাকিবলৈ সকলোৱে চেষ্টা কৰে। দাঁত দুপাৰিৰ যত্ন লোৱাৰ পাছতো কেতিয়াবা ইয়াৰ বেমাৰ হ’ব পাৰে, যাৰ অন্যতম কাৰণ হ’ল খোৱাপানী। খোৱাপানীৰ মাধ্যমেৰে হোৱা দাঁতৰ এবিধ ৰোগ হ’ল ফ্ল’ৰ’ছিছ (flurosis)। ফ্ল’ৰ’ছিছ হৈছে প্ৰতিৰোধ কৰিব পৰা দাঁতৰ এক ৰোগ যি বিশ্বজুৰি লাখ লাখ মানুহক আক্ৰান্ত কৰি জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই আনিছে। যি অঞ্চলত খোৱাপানীৰ প্ৰধান উৎস হ’ল ভূগৰ্ভস্থ পানী, তেনে অঞ্চলত এই ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা যায়।



দীৰ্ঘদিন ধৰি ফ্ল’ৰাইডযুক্ত পানী অত্যধিক পৰিমাণে সেৱন কৰাৰ ফলত মানুহৰ ফ্ল’ৰ’ছিছ নামৰ ৰোগবিধ হয়। দাঁতৰ সুস্থ গঠনৰ বাবে নিয়মিত পৰিমাণৰ ফ্ল’ৰাইডৰ প্ৰয়োজন। খোৱাপানীত ফ্ল’ৰাইডৰ পৰিমাণ ০.৭-১.০ মিলিগ্ৰাম/লিটাৰ থাকিলে দাঁতৰ এনামেল (enamel) মজবুত হয়। ফ্ল’ৰাইডৰ পৰিমাণ ইয়াতকৈ বেছি হ’লে দাঁতৰ ফ্ল’ৰ’ছিছ ৰোগ হোৱাৰ আশংকা থাকে। ফ্ল’ৰ’ছিছে মূলতঃ দাঁত আৰু হাড়ৰ ক্ষতিসাধন কৰে। ফ্ল’ৰ’ছিছৰ তীব্ৰতা বাঢ়ি গ’লে পেশী আৰু স্নায়ুৰ ওপৰত প্ৰভাৱ পৰে। সেইবাবে এই ৰোগ হ’লে চিনাক্তকৰণ কৰি ইয়াৰ প্ৰতিকাৰ লোৱাটো অত্যন্ত জৰুৰী। ভূগৰ্ভস্থ পানীৰ স্তৰত আগ্নেয়শিল, গ্ৰেনাইট আদি থাকিলে তেনে পানীত ফ্ল’ৰাইডৰ মাত্ৰা বেছি হয়। তেনে পানী সেৱন ফ্ল’ৰ’ছিছৰ অন্যতম মূল কাৰণ। ফ্ল’ৰাইডযুক্ত মাটিত বা ফ্ল’ৰাইডযুক্ত পানীৰে জলসিঞ্চন কৰা মাটিত খেতি কৰাৰ ফলত খাদ্যশস্যত ফ্ল’ৰাইড জমা হয়। তেনে খাদ্যৰ ফলতো কালক্ৰমত ফ্ল’ৰ’ছিছ হ’ব পাৰে। সৰু ল’ৰা-ছোৱালীয়ে ফ্ল’ৰাইডযুক্ত টুথপেষ্ট ব্যৱহাৰ কৰিলে আৰু ভুলবশতঃ পেটলৈ গ’লে ফ্ল’ৰ’ছিছ ৰোগ হ’ব পাৰে। ফ্ল’ৰ’ছিছ তিনি প্ৰকাৰৰ—দাঁতৰ ফ্ল’ৰ’ছিছ (dental

fluorosis), কংকালৰ ফ্ল’ৰ’ছিছ (skeletal fluorosis) আৰু ন’ন স্কেলিটেল ফ্ল’ৰ’ছিছ (non-skeletal fluorosis)।

শিশুৰ দাঁতৰ পূৰ্ণ গঠন আৰু বিকাশৰ সময় প্ৰায় আঠ বছৰ বয়সলৈকে থাকে। সেই সময়ত শিশু এটিয়ে উচ্চ মাত্ৰাত ফ্ল’ৰাইডৰ সংস্পৰ্শলৈ আহিলে দাঁতৰ ফ্ল’ৰ’ছিছ ৰোগ হয়। এই ৰোগ হ’লে দাঁতত পাতল বগা ৰেখা বা দাগ পৰে। ই মৃদুভাৱে ফ্ল’ৰ’ছিছৰ কবলত পৰা সূচায়। যদি দাঁতত হালধীয়া বা বাদামী ৰঙৰ দাগ পৰে তেতিয়া বুজিব লাগিব যে শিশুটিৰ মধ্যমীয়া ৰূপত ফ্ল’ৰ’ছিছ ৰোগ হৈছে। এই ৰোগ গুৰুতৰ হ’লে দাঁত ৰুক্ষ, গাঁতযুক্ত হোৱাৰ লগতে দাঁতৰ এনামেলত সৰু সৰু বিন্ধা হোৱা দেখা যায়। এনে হ’লে দাঁত ক্ষয় গৈ দাঁতৰ গঠনত বিৰূপ প্ৰভাৱ পেলায়। আনহাতে দীৰ্ঘদিন ধৰি হাড়ত ফ্ল’ৰাইড জমা হোৱাৰ ফলত কংকাল ফ্ল’ৰ’ছিছ হয়। সময় বাঢ়ি গ’লে ফ্ল’ৰাইডে হাড়ৰ ঘনত্বত প্ৰভাৱ পেলায়।

এই ৰোগ হ’লে প্ৰথমতে গাঁঠিৰ মৃদু বিষ তথা জঠৰতা পৰিলক্ষিত হয়। এই ৰোগত দীৰ্ঘদিন ধৰি ভুগি থাকিলে গাঁঠিৰ বিষৰ বাবে চলা-ফুৰাত অসুবিধা হোৱাৰ লগতে লিগামেণ্টৰ (ligament) গঠনত বিৰূপ প্ৰভাৱ পেলায়। শেষলৈ হাড়ৰ বিকৃতি গুৰুতৰ হৈ ব্যক্তিৰ স্বাভাৱিক চাল-চলনত অক্ষমতা আনিব পাৰে। নন-স্কেলিটেল ফ্ল’ৰ’ছিছে কলা আৰু অংগৰ ওপৰত প্ৰভাৱ পেলায়। এই ৰোগ হ’লে পেশী দুৰ্বল হয়, অতি সোনকালে ভাগৰ লাগে, পেটৰ বিষ, স্নায়ুজনিত অসুবিধা আদি হ’ব পাৰে। যিহেতু ফ্ল’ৰ’ছিছ ৰোগ হ’লে ৰোগৰ লক্ষণসমূহ সহজে মন কৰা নহয় সেয়েহে ৰোগবিধৰ মাত্ৰা বেছি হ’লেহে ধৰা পৰে। ইয়াৰ ফলত ৰোগবিধে জটিল ৰূপ ধৰে। দাঁত আৰু হাড়ৰ ক্লিনিকেল (clinical)



পৰীক্ষা, খোৱা পানীৰ ফ্ল’ৰাইডৰ পৰিমাণ নিৰ্ধাৰণৰ পৰীক্ষা, প্ৰস্ৰাৱত ফ্ল’ৰাইডৰ মাত্ৰা নিৰ্ধাৰণৰ পৰীক্ষা আদিৰ সহায়ত এই ৰোগ ধৰা পেলাব পাৰি।

ফ্ল’ৰ’ছিছৰ সম্পূৰ্ণ নিৰাময় নাই যদিও আগতীয়াকৈ প্ৰয়োজনীয় সাৱধানতা ল’লে ৰোগবিধৰ পৰা বাচি থাকিব পাৰি। সাৱধানতাসমূহ এনে ধৰণৰ হ’ব পাৰে—খোৱাপানীত ফ্ল’ৰাইডৰ পৰিমাণ হ্ৰাস কৰা, কেলছিয়াম সমৃদ্ধ পুষ্টিকৰ খাদ্য, যেনে—গাখীৰ, দৈ, সেউজীয়া শাক আদি নিয়মিত খাদ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰা, ভিটামিন চি আৰু ডি গ্ৰহণ কৰা, পালেং শাক, বাদাম, ষ্ট্ৰবেৰী আদি খাদ্য হিচাপে গ্ৰহণ কৰা আদি।

এই ৰোগৰ পৰা হাত সাৰি থাকিবলৈ জনসচেতনতা বৃদ্ধি কৰাটো অতি জৰুৰী। ইয়াৰ লগতে সুষম পুষ্টিকৰ আহাৰ গ্ৰহণ কৰিবলৈ শিশু আৰু আন সকলো বয়সৰ লোকক উৎসাহিত কৰা দৰকাৰ। ভূগৰ্ভস্থ পানীৰ ওপৰতে কেৱল নিৰ্ভৰ নকৰি আন গ্ৰাম্য বা নগৰৰ পানী যোগান আঁচনিৰ সুবিধা লোৱা এটা উত্তম উপায়। ফ্ল’ৰ’ছিছে কেৱল শাৰীৰিক আৰু মানসিক স্বাস্থ্যই নহয়, সামাজিক স্বাস্থ্য আৰু আৰ্থ-সামাজিক ব্যৱস্থাতো প্ৰভাৱ পেলায়। ❖

## কুইজৰ উত্তৰসমূহ

১। হছুৰ কুকাপ্পা ছীথাৰন ২। চাৰমিনাৰ ৩। বল অব দি চেঞ্চুৰী ৪। কনকলতা ৫। আৰ্কিমিডিছ ৬। দাণ্ডী যাত্ৰা ৭। মানৱ কম্পিউটাৰ শকুন্তলা দেৱী ৮। আন্তঃৰাষ্ট্ৰীয় ন্যায় আদালত ৯। ছাৰে জাহা চে আচ্ছা ১০। বৰযুণ ১১। শইচৰ পথাৰ মানুহ। কবি হীৰেন ভট্টাচাৰ্য ১২। দাদাচাহেব ফাল্কে বঁটা ১৩। অসমৰ অস্মিতা চলিহা ১৪। ৰাস্কিন বণ্ড ১৫। বিশ্বৰ প্ৰথমটো ক্ল’ন কৰা স্তন্যপায়ী। ডলী দি চীপ ১৬। উশ্মু ❖

# ঢেঁকীয়াপতীয়াৰ পিঠিত এঘুমটি

■ শিপা ভৰদ্বাজ
অষ্টম শ্ৰেণী

ৰেডিঅ'ত সন্ধিয়াৰ আঞ্চলিক বাতৰিটো শুনো বুলি ককাই বাৰাণ্ডাতে বহি চেণ্টাৰ মিলাই আছে। আকাশখনে গধূলিৰে পৰা বিজুলী মাৰি আছে, ৰেডিঅ'টোও খেৰখেৰাই আছে। কাৰেণ্ট কাটিছে কেতিয়াবাই। চাৰ্জিং লাইট এটা জ্বলাই লৈ মই বিজ্ঞানৰ চিত্ৰ এটা আঁকি আছোঁ—ফুলৰ অংশবোৰ। গৰ্ভাশয়, পুংকেশৰ, পাপৰি আদি খুব যত্ন কৰি আঁকিছোঁ। অৱশ্যে কাঠপেন্সিলেৰে ঘঁহোঁতে ঘঁহোঁতে আৰু ৰবৰডালেৰে মোহাৰোঁতে মোহাৰোঁতে বহীৰ পাত ফুটি যোৱাৰ উপক্ৰম হৈছে।

লাহে লাহে বৰষুণ নামিল। আমাৰ ঘৰৰ টিনৰ চালত প্ৰথমে গধুৰ টোপালবোৰ টোপ টোপকৈ পৰিল। তাৰ পাছত বতাহ, বিজুলী-গাজনি আৰু দোপালপিটা বৰষুণ। পঢ়িবলৈ আৰু মন নগ'ল। টোপনি এছাটিয়েও চকুৰ পতা গধুৰ কৰি আনিছে। বিছনাত গাৰুটো লৈ আৰামকৈ বহিলোঁ। এনেকুৱা বতৰত সদায় মোৰ সেই দীঘলঠেঙীয়াৰ সাধুটোলৈ মনত পৰে। দুৰন্ত বাঘৰ পিঠিত এটা চোৰ... বাঘে নেগুৰ দাঙি দৌৰিছে... ভয়ত মাথোঁ দৌৰিছে... গোঁজৰণিত হাবি কঁপাব পৰা হিংস্ৰ চকু আৰু চিকাৰৰ দেহ মুহূৰ্ততে ছিৰাছিৰি কৰিব পৰা ধাৰাল দাঁতৰ এটা প্ৰকাণ্ড বাঘ...

তেনেকুৱা এটা প্ৰকাণ্ড বাঘ এবাৰ আমাৰ ঘৰতো পুহিছিলোঁ। কথাটোত আনকি মই নিজেই আচৰিত হওঁ। যেতিয়া তাক আমাৰ পিছবাৰীৰ বাঁহনিতলৰ উঁই হাফলুটোৰ ওপৰত বহি থকা ককাই দেখিছিল, তেতিয়া সি দীঘে দুবেগেতমানহে। বাঘ নে বোন্দা, শিয়াল নে জহামালৰ পোৱালি ধৰাই টান আছিল। পাছে ককাই চকু দেখিয়েই কৈ দিছিল—“এইটো ঢেঁকীয়াপতীয়াৰ পোৱালি।” আমাৰ ঘৰতে সি পোহ ল'লে, দস্তুৰমত চিকাৰ নকৰাকৈ পোৱা মঙহ ভোজন কৰি কৰি সি এটা তেজাল বাঘ হৈ পৰিল।

ককাৰ নিয়মীয়া কঠোৰ প্ৰশিক্ষণৰ ফলত সি শিষ্টাচাৰ শিকিছিল। সেয়ে ককাৰ ৰাইডাং বেতডাললৈ তাৰ ভীতি প্ৰবল। কিন্তু সি মোৰ অনুগত আৰু পৰম আজ্ঞাবাহী। লাহে লাহে তাৰ পিঠিত মই উঠি ফুৰিবলৈ ধৰিলোঁ। মই যেন গোসাঁনী মহামায়া আৰু সি মোৰ বাহন। যেনিয়ে যাওঁ তেনিয়ে মই বাঘ-বাহনত উঠিহে যাওঁ। প্ৰথমবাৰৰ বাবে মই যিদিনা তাৰ পিঠিত উঠি একে চেঁকুৰে লগৰীয়াবোৰে খেলা ঠাই পাইছিলোঁগৈ—বাপৰে কি সন্ত্ৰাস ! আটায়ে যেন পলাবলৈ উদ্যত। মই পাছে বুজনি দিলোঁ—“মোৰ বাঘ মহাৰাজে এনেয়ে কাকো একো নকৰে। কিন্তু ৰজা-ৰাণী খেলোঁতে মোক ৰাণী হ'বলৈ দিব লাগিব, লুকা-চুৰি খেলোঁতে মোক দেখিলেও নেদেখাৰ ভাও জুৰিব লাগিব আৰু পথাৰৰ পিকনিকৰ বাবে পইচা তোলোঁতে মোক কোনেও নয়া পইচাও খুজিব নোৱাৰিব।

বচ, সেই দিন ধৰি মই ছবৰে নেত্ৰী। বাঘৰ পিঠিত বহি মোৰ অহা-যোৱা, সকলো মোৰ বশ। তেনেকৈ মই এদিন প্ৰকাণ্ড ঢেঁকীয়াপতীয়াটোৰ পিঠিত উঠি বজাৰ ওলালোঁগৈ। লাগি গ'ল হৈ-হাল্লা। কিনোতা-বেচোতা সকলো ত্ৰস্তমান। কোনেও মোৰ কাষ চাপিবকে নোখোজে। সদায় মিঠাই খালে গণি গণি পইচা লোৱা ৰচুল দোকানীয়ে সেইদিনা পইচা ল'ব নুখুজিলে। চানাচুৰ খালোঁ, আইচক্ৰীম খালোঁ বিনা পইচাই। এইদৰে মন গ'লেই মই বাঘৰ পিঠিত উঠি বজাৰ বেহাওঁ আৰু পেট পূৰাই খাই উলটি আহোঁ। মুঠতে বাঘৰ পিঠিত উঠি ফুৰা ছোৱালীজনী বুলিয়েই মই চৌপাশে জনাজাত হৈ পৰিলোঁ। মোৰ অলপ দম্ভও হৈছিল। নহ'বনো কিয়, বাঘ এটা বইত কৰি চলাই ফুৰাই থকাটো জানো মামুলি কথা !

লাহে লাহে স্কুললৈ মই বাঘ-বাহনতে আহ-যাহ কৰিবলৈ ধৰিলোঁ। লেতেৰা মোজা পিন্ধি গ'লেও চেকনিৰ কোব দিয়া কাঢ়া প্ৰধান শিক্ষকো তাপ মাৰিলে। মই শ্ৰেণীকোঠাত থাকোঁ, হাড় চোবাই চোবাই বাঘ বহি থাকে বাৰাণ্ডাত। আগৰ দৰে শিক্ষকে মোক পূৰণৰ বৰনেওতা মুখস্থ নোলোৱা হ'ল, পৰীক্ষাত ভুল হ'লেও নম্বৰ নকটা হ'ল, দৌৰ প্ৰতিযোগিতাত মোকেই প্ৰথম হ'বলৈ

বাকীবোৰে ইচ্ছা কৰিয়েই পিছ পৰি দিয়া হ'ল, যেতিয়াই মন যায় তেতিয়াই স্কুলৰ পৰা গুচি আহিলেও কোনেও একো নোকোৰা হ'ল। মুঠতে সকলোতে মইহে মই।

কিন্তু লাহে লাহেচোন মোৰ ছব বিৰক্তি লাগিল। সমনীয়াৰ সৈতে খেলাবোৰত একো মজাই নালাগে। বজাৰলৈ গৈ বিনা পইচাৰ মিঠাই খোৱাৰ হেঁপাহটোও লোপ পালে। স্কুলনো কি—এনেয়ে অহা, এনেয়ে যোৱা। আগৰ সেই টনা-আঁজোৰা, ঠেহ-অভিমান, নিয়মানুৱৰ্তিতা প্ৰতিযোগিতাবোৰ নোহোৱা হ'ল, মই যেন নিৰস হৈ পৰিলোঁ।

কিছুদিন মই ঘৰৰ পৰা বাজ নহ'লোঁ। বহুত ভাবি-চিন্তি এদিন ককাৰ সৈতে গৈ আমাৰ পোহনীয়া বাঘটো দূৰৰ হাবিত মেলি থৈ আহিবলৈ ওলালোঁ। বাঘটোৱেও চাগে' আমাৰ অভিসন্ধি বুজি পালে। আদবাটতে সি আমাক উভতি ধৰি গৰজিবলৈ ধৰিলে। আমি তভক মানিলোঁ। এইবাৰ সি আমাক হিংস্ৰ ৰূপ ধৰি খেদি আহিল। আমি প্ৰাণপণে পলাইছোঁ, পলাইছোঁ, মাথোঁ পলাইছোঁ...।

তেনেতে হঠাৎ চকামকাকৈ সাৰ পালোঁ। কাৰেণ্ট আহিল, বৰষুণো হয়তো কমিছে বাহিৰত। ককাই এতিয়াও ৰেডিঅ' চেণ্টাৰ মিলায়ে আছে। ❖

# নেপচুন গ্ৰহ কেতিয়া আৱিষ্কাৰ হৈছিল?

■ মেঘনা দাস
সপ্তম শ্ৰেণী



সৌৰজগতৰ গ্ৰহসমূহৰ বিষয়ে আমি সকলোৱে পাই আহিছোঁ। কিন্তু ইয়াৰে অষ্টম গ্ৰহ নেপচুনটোনো কেতিয়া আৱিষ্কাৰ হৈছিল?

১৮৪৬ চনত ফৰাচী বিজ্ঞানী, গণিতজ্ঞ য়ুহবান লা ভেহৰিয়েই (Urbain Le Verrier) নেপচুন গ্ৰহৰ উপস্থিতি প্ৰথমে গাণিতিকভাৱে প্ৰমাণ কৰিছিল। প্ৰথম অৱস্থাত বিজ্ঞানীজনে ইউৰেনাছ সম্পৰ্কীয় গণনাহে কৰিছিল। ইউৰেনাছে প্ৰতি ৮৪ বছৰৰ মূৰে মূৰে সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। এই হিচাপত ই প্ৰতি ছেকেণ্ডত সাত কিলোমিটাৰ বেগত যাব লাগে। জ্যোতিৰ্বিদসকলে ইউৰেনাছৰ এই গতিবেগৰ ওপৰতে ভিত্তি কৰি ই কেতিয়া সৌৰজগতৰ কোন ঠাইত থাকিব তাৰ গণনা কৰে। কিন্তু গণনা মতে গ্ৰহটো প্ৰতি কুৰি বা পঁচিছ বছৰৰ পাছত সৌৰজগতৰ যি ঠাইত থাকিব লাগিছিল, বিজ্ঞানীসকলে তাক সেই ঠাইত দেখা পোৱা নাছিল। বিজ্ঞানীসকল গ্ৰহটোৰ এই ৰহস্যৰ সন্ধানত ব্যস্ত। গণিতজ্ঞ ভেহৰিয়েই কিন্তু চকুত দূৰবীক্ষণ যন্ত্ৰ লৈ আকাশলৈ চাই ৰহস্যৰ সন্ধান কৰা নাছিল। তেওঁ কোঠাৰ ভিতৰত বহি কাগজ-কলম লৈ অংকহে কৰি গৈছিল। অৱশেষত অংকৰ মাজতেই তেওঁ এই ৰহস্যৰ গূঢ়াৰ্থও বিচাৰি উলিয়াইছিল। তেওঁৰ গণনাত ধৰা পৰিছিল যে, কোনো এটা নতুন গ্ৰহৰ আকৰ্ষণ বা বিকৰ্ষণৰ ফলতে ইউৰেনাছৰ এই বেমেজালিবোৰ ঘটিব লাগিব। ইউৰেনাছৰ প্ৰদক্ষিণৰ সময়ত কক্ষপথত বেমেজালিবোৰ ঘটোৱা এই গ্ৰহটোনো ক'ত আছে—এই সম্পৰ্কীয় গণনাত বহিল ভেহৰিয়ে। অৱশেষত ১৮৪৬ চনৰ ২৩ ছেপ্টেম্বৰৰ দিনা গণনা কৰি কৰিয়েই তেওঁ নতুন গ্ৰহটোৰ অৱস্থাৰ কথা আন আন জ্যোতিৰ্বিদসকলকো জানিবলৈ দিলে।

নতুন গ্ৰহটোৰ নাম দিয়া হ'ল 'নেপচুন'। ৰোমানসকলৰ মাজত প্ৰচলিত কিংবদন্তি মতে নেপচুন আছিল জল দেৱতা, যেনেকৈ ভাৰতীয়সকলৰ মানত বৰুণ দেৱতা। ভূমধ্যসাগৰীয় দেশসমূহত নেপচুন সম্পৰ্কীয় উৎসৰসমূহ অতি পৌৰাণিক। গ্ৰীক পৰম্পৰাত নেপচুন হ'ল সমুদ্ৰ দেৱতা—জাহাজৰ নাৱিকসকলৰ মুখ্য পৃষ্ঠপোষক। ❖

# সাগৰ দেখিলোঁ

■ বিৰিখ শৰ্মাচাৰ্য্য
নৱম শ্ৰেণী

ছবি-ভিডিঅ'ততো সাগৰ দেখিয়েই থাকোঁ, কিন্তু স্বচক্ষে সাগৰ দেখাৰ সৌভাগ্য হোৱা নাছিল। পাছে যোৱা ২০২৫ বৰ্ষৰ দুৰ্গা পূজাৰ বন্ধত দক্ষিণ ভাৰত ভ্ৰমণত সাগৰ দেখাৰ আৰু সাগৰত স্নান কৰাৰ সুযোগ পালোঁ।

কেৰলমৰ বিমান বন্দৰত বিমানখন অৱতৰণ কৰাৰ পাছত বন্দৰৰ পৰা ওলাই আহি এখন টেক্সি লৈ কোচিস্থিত পূৰ্ব নিৰ্ধাৰিত অস্থায়ী বাসস্থানলৈ ৰাওনা হ'লোঁ। গৈ পোৱালৈ আন্ধাৰ হৈছিল, প্ৰায় ৭-৮ মান বাজিছিল। হাত-ভৰি ধুই কিছু সময় জিৰাই ওলাই আহিছিলোঁ সাগৰখন চাওঁ বুলি, যিহেতু আমি থাকিবলৈ লোৱা ঠাইখিনি প্ৰায় সাগৰৰ পাৰতেই আছিল। সেই সময়ত ৰাতিৰ আন্ধাৰে আবৰি থকাৰ বাবে ভালকৈ দেখা নাপালোঁ যদিও সশব্দে পাৰত খুন্দা মাৰি থকা ঢৌবোৰ দেখিলোঁ, বিশেষকৈ অনুভৱ কৰিলোঁ। ঢৌৰ সৈতে বাগৰি অহা চেঁচা বতাহজাক আৰু শব্দৰ সংগমত সৃষ্টি হোৱা সুমধুৰ পৰিবেশে মোক আপ্লুত কৰিছিল। চকুৰে ভালদৰে মনিব নোৱাৰিলেও পৰিবেশৰ দ্বাৰাই উমান পাইছিলোঁ সাগৰৰ সৌন্দৰ্য্যৰ।

তাৰ পাছৰ দুদিন নিৰ্ধাৰিত ভ্ৰমণসূচী অনুসৰি কোচিতেই ঠাইসমূহ ভ্ৰমি পাছদিনা তামিলনাডু অভিমুখে ৰেলেৰে যাত্ৰা কৰিলোঁ। গৈ পোৱালৈ পুনৰ ৰাতি হোৱাৰ বাবে ক'তো ফুৰা নহ'ল। পাছদিনা পুৱাই কন্যাকুমাৰীত সূৰ্য্যোদয় চোৱাৰ পাছত গ'লোঁ ত্ৰিবেণী সংগমলৈ। ইপাৰ-সিপাৰ নমনা দুয়োপাৰ ওপচা তিনিখন সাগৰৰ সংগমৰ দৃশ্যয়ো এইবাৰ যোগ দিছিল পূৰ্বৰ সেই অদৃশ্যমান অনুভৱত। নীলা বৰণীয়া তিনিখন সাগৰৰ মাজত কোনো প্ৰভেদ বিচাৰি পোৱা নাছিলোঁ। কেৱল মূৰৰ ওপৰৰ অসীম আকাশখন এইবাৰ যেন হাতেৰে ঢুকি পোৱাকৈ তলতেই দেখা পাইছিলোঁ। আকুলভাৱে দৃষ্টি নিক্ষেপ কৰিছিলোঁ ইয়াৰ সীমা বিচাৰি। কিন্তু ই যে অসীম ! প্ৰতিটো তটমুখী ঢৌৱে যেন কঢ়িয়াই আনিছিল অসীম আনন্দ ! কেৱল চকুৰে দেখাই নহয়, ভূপৃষ্ঠ-সংলগ্ন আকাশখনত নামি সেই অসীমক অনুভৱ কৰাৰ সুযোগ পাইছিলোঁ। ঢৌবোৰে গাত খুন্দা মাৰি এবাৰ পাৰৰ ফালে ঠেলিছিল, এবাৰ সাগৰৰ ফালে টানিছিল। এই আৱৰ্তনৰ মাজত আবদ্ধ হৈ পৰিছিলোঁ মই। ইতিমধ্যে ওলোৱা প্ৰখৰ ৰ'দে গাৰ ছাল পুৰি পেলাইছিল। লুণীয়া পানীও মুখত সোমাইছিল, কিন্তু সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি কেৱল অসীম সাগৰখনক সাবটি ধৰি আনন্দ-উপভোগ কৰাত ব্যস্ত হৈ পৰিছিলোঁ। এই আনন্দই লগত কঢ়িয়াই আনিছিল শান্তি। মোৰ ধাৰণা হৈছিল, এই শান্তিয়ে জগাই তোলা আধ্যাত্মিক ভাবেই এই ঠাইৰ পবিত্ৰতাৰ মূল কাৰণ।

দক্ষিণ ভাৰতৰ কেৰলমৰ নেয়াৰ নদী, আৰব সাগৰ আৰু বেকৰাটাৰৰ মাজত আছে এটা মনোৰম দ্বীপ, যাৰ নাম পুভৰ দ্বীপ। এই দ্বীপৰ চাৰিওকাষে সৃষ্টি হৈছে এক অপূৰ্ব জলৰাশি, যি হৈ পৰিছে পৰ্য্যটকৰ মূল আকৰ্ষণ। এই সুন্দৰ জলপথটি অন্বেষণৰ বাবে ইয়াত নৌকাবিহাৰৰ ব্যৱস্থা আছে। আন বহুতৰে মুখত ইয়াৰ প্ৰশংসা শুনি আমিও ইয়ালৈ যাবলৈ ওলালোঁ। টিকট কটাৰ পাছতো দীঘলীয়া অপেক্ষাৰ অন্তত নৌকাবিহাৰ আৰম্ভ কৰাৰ সুযোগ পালোঁ। অতি ঠেক বেকৰাটাৰ জলপথেৰে আমি যাত্ৰা আৰম্ভ কৰিছিলোঁ। চালকজনে প্ৰথমে এখন সৰু অৰণ্যৰ মাজেৰে নাওখন লৈ গৈছিল। গছ-গছনি, জীৱ-জন্তুৰ বিচিত্ৰতা, ঠেক জলৰাশিৰ মাজেৰে টুলুং-ভুটুংকৈ উটি গৈ থকা নাওখনত বহি যোৱাৰ অভিজ্ঞতা আছিল অতুলনীয়। অৰণ্যৰ গভীৰতা, নীৰৱতা আৰু গহীন গহীন ভাবৰ মাজত বিলীন হৈ পৰিছিল মোৰ মন।

সেই জলৰাশিৰে আহি আহি আমি পাইছিলোঁ নেয়াৰ নদী। বাট-পথত আছিল পানীত ওপঙি থকা কেইবাটাও কুটীৰগৃহ আৰু খাদ্য-বিপণি। নদীৰ মাজভাগতে এটা উঁই হাঁফলুৰ সমান দ্বীপৰ নাঙঠ গছ এডালত প্ৰথমবাৰৰ বাবে দেখিছিলোঁ মুক্তভাৱে উৰি ফুৰা কেইবাটাও ঈগল চৰাই। এনেদৰে গৈ গৈ শেষত পাইছিলোঁ এই নদীৰ মোহনা অঞ্চল। ইয়াত আছিল এখন বিখ্যাত সমুদ্ৰতীৰ। বালিবোৰ সোণালী ৰঙৰ হোৱাৰ

বাবেই ইয়াৰ নাম হৈ পৰিল গ'ল্ডেন বীচচ। বীচচৰ পৰা দেখা গৈছিল আৰব সাগৰ। প্ৰতিটো ঢৌৱেই আছিল প্ৰকাণ্ড, প্ৰচণ্ড বেগী আৰু ওখ ওখ। ইয়াত স্নান কৰাও একেবাৰে নিষেধ আছিল। ঠায়ে ঠায়ে থিয় হৈ আছিল নিৰাপত্তাৰক্ষী। বিনোদনৰ বাবে ইয়াত অশ্বাৰোহণ, উষ্ট্ৰাৰোহণৰ (camel ride) ব্যৱস্থা আছিল। বিভিন্ন সাগৰীয় খাদ্যৰ বিপণি, মণিহাৰী বেপাৰীয়ে নিজৰ বাণিজ্য চলোৱাত ব্যস্ত আছিল। কিছু সময় উট আৰু ঘোঁৰাৰ সৈতে ফটো তুলি পুনৰ নাৱেৰে ঘূৰি আহিছিলোঁ আমি নৌকাবিহাৰ আৰম্ভ কৰা নিৰ্দিষ্ট স্থানলৈ। ইয়াতেই অন্ত পৰিছিল এই চিৰস্মৰণীয় নৌকা ভ্ৰমণৰ।

ইয়াৰ পৰৱৰ্তী গন্তব্যস্থান আছিল তিৰুৱনন্তপুৰমৰ কোভালাম বীচচ। এইবাৰ পুনৰ আৰব সাগৰৰ বুকুত স্নান কৰাৰ সুযোগ পাইছিলোঁ। অসংখ্য লোকৰ সমাগম ঘটিছিল ইয়াত। সমুদ্ৰতটখন কিছু ডাঙৰেই আছিল কিন্তু সকলো ঠাইত স্নান কৰাৰ অনুমতি নাছিল। সাগৰৰ বেছি গভীৰলৈ যোৱাও নিষেধ আছিল। কেৱল স্থানীয় মাছমৰীয়াকেইজনমানহে আগলৈ যোৱা দেখা পাইছিলোঁ। গ'ল্ডেন বীচচৰ দৰে ইয়াতো আছিল নিৰাপত্তাৰক্ষী। সাগৰৰ পানীত আকৌ বালিৰ পৰিমাণ খুব বেছি আছিল। কাপোৰৰ ভিতৰেৰেও বালি সোমাই গৈছিল। সাগৰৰ নিমখীয়া পানীৰ বাবেই হয়তো চকুতো অসুবিধা পাইছিলোঁ। এনেদৰে প্ৰায় ডেৰ ঘণ্টামান সাগৰৰ সোঁতৰ লগত ইফালে-সিফালে দুলি সামৰিছিলোঁ আমাৰ সাগৰ ভ্ৰমণ। ❖

# অতুল চন্দ্ৰ হাজৰিকাৰ 'ওলট-পালট'

**■ পল্লৱী ভাগৱতী**
ষষ্ঠ শ্ৰেণী

এহাল বুঢ়া-বুঢ়ী আছিল। এদিনা কথাই কথাই তেওঁলোকৰ মাজত লাগিল কাজিয়া। তেওঁলোকৰ কাজিয়াৰ বিষয় আছিল তেওঁলোকৰ দুয়োৰে ভিতৰত কোনে কিমান পৰিশ্ৰম কৰে। বুঢ়াই ক'লে—"ঐ বুঢ়ী, কেতিয়াবা তই মোৰ কামবোৰ কৰিবিচোন। কিমান কষ্ট তেতিয়াহে গম পাবি। আমাৰ মতা মানুহৰ কষ্ট কিমান তই কি বুজিবি? তহঁত ঘৰতে থাক।"

বুঢ়ীয়ে ওলোটাই ক'লে—"মই ঘৰতে থাকিব পাৰোঁ, কিন্তু তয়ো এদিন মোৰ কামবোৰ কৰি চালে মোৰ কিমান কষ্ট হয় তেতিয়া বুজিবি। সেয়েহে এদিন তই মোৰ কামবোৰ কৰিবি আৰু ময়ো সেইদিনা তোৰ কামবোৰ কৰিম।"

কথামতেই কাম। পাছদিনা পুৱাই উঠি বুঢ়ীয়ে বুঢ়াৰ দৰে কাপোৰ পিন্ধি ল'লে। তাৰ পাছত নাঙল, যুঁৱলি লৈ পথাৰলৈ গ'ল। বুঢ়ায়ো বুঢ়ীৰ দৰে ঘৰৰ কামত ব্যস্ত হ'ল।

জেঠৰ খৰ। পুৱাৰে পৰা ৰ'দে খাওঁ খাওঁ মূৰ্তি ধৰিছে। বুঢ়ীয়ে পথাৰত হাল মেলি দিলে। ইফালে আকৌ বুঢ়ীৰ নাই হালবোৱা অভ্যাস। কোনোদিনে নাঙলৰ মুঠিত ধৰি নোপোৱা বুঢ়ীয়ে অলপ সময় মাটি চহাওঁতেই লেবেজান হৈ পৰিল। কোনোমতে সময়ত হাল সামৰি ঘৰলৈ পোনালে।

ইফালে ঘৰত কোনোদিনে ঘৰুৱা কাম কৰি নোপোৱা বুঢ়াৰ বহুত কষ্ট হ'ল। পুৱা উঠাৰে পৰা ঘৰ চাফা কৰা, গোহালি ঘৰ চাফা কৰা আদি ঘৰুৱা বাহি কাম সামৰি বুঢ়া গা ধুবলৈ গ'ল। এইখিনি কাম কৰিয়ে বুঢ়াৰ অৱস্থা কাহিল হৈ পৰিল। ভাত ৰান্ধি চোতালত বহিল। বুঢ়াই ভাবিলে—বুঢ়ীয়ে কৰা কামবোৰ যিবোৰ তেনেই সহজ কাম বুলি ভাবিছিলোঁ প্ৰকৃততে সেইবোৰ কামো বৰ কষ্টকৰ। এনেদৰে ভাবি থাকোঁতেই বুঢ়ী ভাগৰত অৱশ হৈ আহি ঘৰ সোমাল। বুঢ়াই ভাতখিনি বাঢ়ি বুঢ়ীক খাবলৈ দিলে। তেতিয়া বুঢ়ীয়ে ক'লে—"তোৰ কাম সকলোৱে কৰিব নোৱাৰে। যিমান সহজ বুলি ভাবিছিলোঁ সিমান নহয়। মই তোৰ ৰূপ লৈ বেয়া কৰিলোঁ।" বুঢ়ায়ো ক'লে, "ময়ো ভাবিছিলোঁ তিৰোতাৰ কাম কিমাননো কঠিন হ'ব? মই ভুলকৈ ভাবিছিলোঁ। তয়ে মোৰ ঘৰৰ লখিমী। তোৰ দৰে কোনো নাই, মোক ক্ষমা কৰি দে।"

ইয়াৰ পাছত বুঢ়া-বুঢ়ীয়ে মিলা-প্ৰীতিৰে থাকিবলৈ ল'লে।❖

*(এই লেখাটো অতুল চন্দ্ৰ হাজৰিকাৰ 'ওলট-পালট' পদ্যটোৰ গদ্যৰূপ)*

# বলিয়া বান

## ■ দ্বীপশিখা বসুমতাৰী

নৱম শ্ৰেণী

ব্ৰহ্মপুত্ৰৰ বুকুখন কঁপি উঠিছে আজি
আকাশৰ পৰা নামি অহা অশ্ৰুৰ ধাৰা
আজি যেন অবিৰত
মেঘে মেঘে গৰ্জে, বতাহে চিঞৰে
ধৰিত্ৰী আইৰ বুকুত লাগে জলৰ আঘাত
নদীৰ দুয়ো পাৰ ভাঙি ভাঙি যায়
মূৰৰ ঘাম মাটিত পেলাই
কৃষকে ৰচা সপোনবোৰ
আজি নিমিষতে শেষ হৈ গ'ল
গছৰ তলত থকা পঁজাবোৰ ভাহি গ'ল
কোনো অজান দেশলৈ
প্ৰবল সোঁতে উটুৱাই নিলে সপোনবোৰ
চাৰিওফালে কান্দোনৰ ৰোল
ছাৰখাৰ সকলো
কোনোবা হ'ল মাতৃহাৰা
কোনোবা হ'ল পিতৃহাৰা
দুখবোৰ মচি দিবলৈ
সাহস হোৱা নাই কাৰো
সেই নিঃসংগ আৰ্তজনৰ
মনৰ ঘা জানো
মলমেৰে শুকাব ! ❖



# মাতৃভাষাৰ সুবাস

## ■ ধীচান জিন্নাত আহমেদ

নৱম শ্ৰেণী

মাতৃভাষা মোৰ প্ৰাণৰ মিঠা গান,
ইয়াতেই লুকাই থাকে জীৱনৰ সন্মান
প্ৰথম মাতৰ কোমল সুৰ,
আজিও কাণত বাজে ভৰপূৰ
ভাষাৰ সুবাসে মন ভৰাই তোলে,
আপোন মাটিৰ টান বুকুত সঁচাই জ্বলে
শব্দে শব্দে ইতিহাসৰ পোহৰ,
সংস্কৃতিৰ গৌৰৱ, হৃদয়ৰ ওচৰ
মাতৃভাষাই দিয়ে পৰিচয়ৰ মান,
ইয়াতেই জীয়াই থাকে আমাৰ সন্মান
ভাষাক ভালপোৱা হওক আমাৰ শপত
অসমীয়া ভাষাই হওক চিৰদিনৰ গৌৰৱ। ❖

# আকাশৰ তৰাবোৰ

## ■ কৃতিকা নাথ

ষষ্ঠ শ্ৰেণী

আকাশৰ তৰাবোৰৰ
এটি এটি ধেমালিয়ে
মোক যে মনত
পেলাই দিয়ে মোৰ ল'ৰালি
আকাশত জিলমিল কৰা
তৰাৰ মাজতে হয়তো
তুমি আছা মৰমৰ ককা
মনলৈ আহে তোমাৰ
নানান কথা
আহিবানে তুমি আকৌ
মৰমৰে ককা
আকাশৰে তৰাবোৰৰ
মাজে মাজে আছানে
বাৰু তুমি
আমাক মৰম বিলাই
মৰমৰ ককা। ❖

# আজাদ হিন্দ ফৌজ

■ ৰোহিনী কুমাৰ গোস্বামী



আজাদ হিন্দ ফৌজ তথা ভাৰতীয় জাতীয় সেনাবাহিনীৰ (Indian National Army) জন্মদাতা আছিল কেপ্টেইন মোহন সিং। তেওঁ বৃটিছ ভাৰত সেনাবাহিনীৰ পাঞ্জাব ৰেজিমেণ্টৰ কেপ্টেইন আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বৃটিছ অধ্যুষিত মালয় (বৰ্তমানৰ পশ্চিম মালয়েছিয়া অঞ্চল) আৰু ছিংগাপুৰ জাপানৰ হাতত পতন হয়। এই যুদ্ধৰ সময়তে বৃটিছ-ভাৰত সেনাবাহিনীৰ হাজাৰ হাজাৰ ভাৰতীয় সৈনিকে জাপানৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। কেপ্টেইন মোহন সিঙো জাপানৰ হাতত যুদ্ধবন্দী হৈছিল। আত্মসমৰ্পণ কৰি যুদ্ধবন্দী হোৱা ভাৰতীয় সৈনিকসকলক লৈ জাপানৰ পৰামৰ্শৰ ভিত্তিত কেপ্টেইন মোহন সিঙে ১৯৪২ চনত প্ৰতিষ্ঠা কৰিছিল আজাদ হিন্দ ফৌজ। মোহন সিঙে মুখ্য সেনাধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰা আজাদ হিন্দ ফৌজৰ মুখ্য উদ্দেশ্য আছিল বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰি ভাৰতৰ স্বাধীনতা অৰ্জন কৰা। কিন্তু জাপানৰ লগত কিছু বিষয় লৈ সংঘাত সৃষ্টি হোৱাত জাপানী কৰ্তৃপক্ষই কেপ্টেইন মোহন সিঙক তেওঁৰ পদৰ পৰা বিতাড়িত কৰাত আজাদ হিন্দ ফৌজৰ কাৰ্য্যকলাপ ৰুদ্ধ হৈ নিষ্প্ৰভ হৈ পৰে।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত বংগদেশৰ বিপ্লৱী বীৰ ৰাসবিহাৰী বসুৱে বৃটিছৰ বিৰুদ্ধে সশস্ত্ৰ অভ্যুত্থানৰ পোষকতা কৰিছিল। সেইবাবে বৃটিছ আক্ৰোশৰ বলি হৈ তেওঁ ১৯১৫ চনতে ভাৰতৰ পৰা পলায়ন কৰি জাপানৰ আশ্ৰয় গ্ৰহণ কৰি আছিল। ৰাজবিহাৰী বসুৱে ১৯৪২ চনৰ মাৰ্চ মাহত বিদেশত থকা ভাৰতীয়সকলক লৈ জাপানৰ টকিঅ'ত অনুষ্ঠিত হোৱা এখন সভাত গঠন কৰিছিল 'ভাৰতীয় স্বতন্ত্ৰ লীগ' নামৰ সংগঠনটো।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ দুবাৰকৈ সভাপতিৰ পদ অলংকৃত কৰিছিল স্বাধীনতাকামী, বংগদেশৰ অগ্নিবৰষা চৰমপন্থী মতাদৰ্শত বিশ্বাসী নেতা সুভাষ চন্দ্ৰ বসুৱে। বৃটিছৰ লগত আপোচহীন সংগ্ৰামত লিপ্ত হোৱাৰ বাবে ১৯৪১ চনত কলিকতাৰ নিজ গৃহত তেওঁ গৃহবন্দী হৈ থাকিবলগীয়া হয়। কিন্তু বৃটিছক ভাৰতভূমিৰ পৰা বিতাড়িত কৰাৰ অদম্য সপোনৰ বাবে বৃটিছ পুলিচ আৰু চোৰাংচোৱা বাহিনীৰ অভেদ্য বেহু ভেদ কৰি তেওঁ ছদ্মবেশেৰে পলাই গৈ আফগানিস্তান, ৰাছিয়া, জাৰ্মানী, ব্ৰহ্মদেশ হৈ শেষত মালয়ত উপস্থিত হয়।

১৯৪২ চনৰ জুন মাহত 'ভাৰতীয় স্বতন্ত্ৰ লীগ'ৰ এখন সভা থাইলেণ্ডৰ ৰাজধানী চহৰ বেংককত অনুষ্ঠিত হয়। এই বেংকক সন্মিলনতে ৰাসবিহাৰী বসুক 'ভাৰতীয় স্বতন্ত্ৰ লীগ'ৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। লগতে আজাদ হিন্দ ফৌজ পুনৰ্গঠন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। বেংকক সন্মিলনত সুভাষ চন্দ্ৰ বসুক জাপানলৈ আমন্ত্ৰণ জনাই গ্ৰহণ কৰা এটি প্ৰস্তাৱ মৰ্মে সুভাষ চন্দ্ৰ বসু জাপানত উপস্থিত হয়।

১৯৪৩ চনত জাপানত উপস্থিত হোৱাৰ পাছত সুভাষ চন্দ্ৰ বসুক ৰাসবিহাৰী বসুৱে 'ভাৰতীয় স্বতন্ত্ৰ লীগ'ৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। লগতে আজাদ হিন্দ ফৌজৰো মুৰব্বীৰ পদ সুভাষ চন্দ্ৰ বসুৰ ওপৰত ন্যস্ত কৰে। দায়িত্ব গ্ৰহণ কৰিয়ে সুভাষ চন্দ্ৰ বসুৱে ১৯৪৩ চনৰ ২১ অক্টোবৰ তাৰিখে ছিংগাপুৰত 'আৰ্জি হুকুমত-এ-আজাদ হিন্দ' তথা স্বাধীন ভাৰতৰ অস্থায়ী চৰকাৰ তথা আজাদ হিন্দ চৰকাৰ প্ৰতিষ্ঠা কৰে। ইয়াৰ লগতে ভাৰতীয় মহিলাৰ দ্বাৰা কেপ্টেইন লক্ষ্মী সেহগালৰ নেতৃত্বত 'ঝান্সী ৰাণী ৰেজিমেণ্ট' নামেৰে এটি মহিলাসকলৰ সৈন্যবাহিনীও গঠন কৰে।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে 'দেশনায়ক' উপাধি প্ৰদান কৰা সুভাষ চন্দ্ৰ বসুক আজাদ হিন্দ ফৌজৰ

সৈনিকসকলে 'নেতাজী' বুলি সম্বোধন কৰিছিল। প্ৰায় ৪০ হাজাৰ সৈন্যৰে প্ৰথম পৰ্য্যায়ত কেপ্টেইন মোহন সিঙৰ নেতৃত্বত গঠন হোৱা আজাদ হিন্দ ফৌজৰ সৈন্য সংখ্যা ইয়াৰ পুনৰ্গঠনৰ পাছত ৬০ হাজাৰ লৈ বৃদ্ধি পাইছিল। নেতাজীয়ে আজাদ হিন্দ ফৌজৰ সৈনিকসকলক 'দিল্লী চলো' আৰু 'জয় হিন্দ' শ্লোগানৰ উপৰি 'মোক তেজ দিয়া আৰু মই তোমালোকক স্বাধীনতা দিম' বাণীৰ দ্বাৰা উদ্বুদ্ধ কৰিছিল। বৃটিছ মুক্ত ভাৰত গঢ়াৰ সংকল্পৰে জাপানী সৈন্যৰ সহযোগত ব্ৰহ্মদেশত বৃটিছ সৈন্যবাহিনীৰ লগত যুদ্ধত লিপ্ত হৈ আজাদ হিন্দ ফৌজে ভাৰতভূমিত প্ৰবেশ কৰিছিল। ভাৰতভূমিত প্ৰবেশ কৰিয়ে আজাদ হিন্দ ফৌজে অসমৰ চুবুৰীয়া ইম্ফল আৰু কহিমা বৃটিছৰ দখলমুক্ত কৰিছিল। এই যুদ্ধত আজাদ হিন্দ ফৌজৰ প্ৰায় ২৬ হাজাৰ সৈনিকে মৃত্যুবৰণ কৰিছিল। কিন্তু এনে সময়তে দ্বিতীয় বিশ্বযুদ্ধত জাপানৰ পৰাজয় আৰু আত্মসমৰ্পণৰ ফলত আজাদ হিন্দ ফৌজৰো বৃটিছ মুক্ত ভাৰত গঢ়াৰ সপোন স্তব্ধ হৈ পৰে।

বৃটিছ মুক্ত ভাৰত গঢ়াৰ বাবে নেতাজী সুভাষ চন্দ্ৰ বসুৱে অসম তথা উত্তৰ-পূব ভাৰতক প্ৰথম প্ৰবেশদ্বাৰ হিচাপে গণ্য কৰিছিল। আজাদ হিন্দ ফৌজে ব্ৰহ্মদেশৰ সীমা পাৰ হৈ কহিমা আৰু ইম্ফলত প্ৰবেশ কৰাৰ পাছত অসম তথা উত্তৰ-পূব ভাৰতৰ স্থানীয় জনগণে আজাদ হিন্দ ফৌজৰ সৈনিকসকলক সকলো প্ৰকাৰৰ সহায় আৰু সমৰ্থন আগবঢ়াইছিল। ইয়াৰ উপৰি আজাদ হিন্দ ফৌজৰ এগৰাকী বীৰ সৈনিকৰ দায়িত্ব পালন কৰি যুদ্ধত লিপ্ত হৈছিল অসমৰ পাটাছাৰকুছিৰ উমেশ চন্দ্ৰ দেৱচৌধুৰীয়ে। তেওঁ তেওঁৰ সৈনিক জীৱনৰ সমস্ত অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি 'সেই ৰণাংগন' নামৰ এখন কিতাপ প্ৰকাশ কৰি থৈ গৈছে। চৌধুৰীদেৱৰ উপৰি আজাদ হিন্দ ফৌজৰ বীৰ সৈনিকৰ তালিকাত অসমৰ প্ৰথমগৰাকী শ্বহীদ যোৰহাটৰ নবাব ছেহিদুৰ ৰহমান আৰু চাব অফিচাৰ যোৰহাটৰ আক্ৰাম হুছেইন শইকীয়াৰ নাম বিশেষভাৱে উল্লেখযোগ্য। আক্ৰাম হুছেইন শইকীয়া যুদ্ধত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ ৰেংগুন হাস্পতালত শ্বহীদ হৈছিল। অসম তথা উত্তৰ-পূব ভাৰতৰ আজাদ হিন্দ ফৌজত যোগদান কৰি যুদ্ধত লিপ্ত হোৱা অন্যান্য বীৰ সৈনিকসকল হ'ল—জালালুদ্দিন আহমেদ লস্কৰ, চিত্তৰঞ্জন দেৱনাথ, শ্ৰীদাম চন্দ্ৰ মহন্ত, লৌৰত সিং, হৰেন্দ্ৰ নাথ মেচ আদি।

আজাদ হিন্দ ফৌজে যদিও বৃটিছ মুক্ত ভাৰত গঢ়িবলৈ সক্ষম হোৱা নাছিল, তথাপি ভাৰতৰ স্বাধীনতা সংগ্ৰামত সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বৰ এই বাহিনীটোৱে এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰাৰ লগতে স্বদেশ প্ৰেমৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছিল। ❖

## ভূগোল

# ঘূৰ্ণীবতাহ কিদৰে সৃষ্টি হয়?

■ নিবেদিতাতালুকদাৰ



ঘূৰ্ণীবতাহ হ'ল সাগৰপৃষ্ঠত সৃষ্টি হোৱা অতি বেগত বলা এক চক্ৰাকাৰ বতাহ। ঘূৰ্ণীবতাহৰ ইংৰাজী প্ৰতিশব্দ 'cyclone' শব্দটো গ্ৰীক শব্দ 'cyclos'ৰ পৰা অহা, যাৰ অৰ্থ হ'ল কুণ্ডলী (coil)। ঘূৰ্ণীবতাহ কুণ্ডলীৰ ৰূপত ঘূৰে। ২০ মে' ২০২০ চনত বংগোপ সাগৰৰ উপকূলীয় অঞ্চলত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ 'আম্ফান'ক (Aamphan) একবিংশ শতিকাৰ ভাৰত মহাসাগৰত সৃষ্টি হোৱা আটাইতকৈ শক্তিশালী ঘূৰ্ণীবতাহ বুলি বিবেচনা কৰা হয়। এই বতাহৰ ফলত ভাৰতবৰ্ষৰ পশ্চিমবংগ আৰু ওড়িশাৰ যথেষ্ট ক্ষতি হৈছিল।

**ঘূৰ্ণীবতাহ কিদৰে সৃষ্টি হয়?**

আমি জানো যে তাপ পালে বায়ুৰ ঘনত্ব কমে আৰু পাতল বায়ু ওপৰলৈ উঠে। পৃথিৱীৰ বিষুৱৰেখাৰ চাৰিওফালে থকা সমুদ্ৰীয় অঞ্চলত সূৰ্য্যৰ ৰশ্মি লম্বভাৱে পৰে, যাৰ ফলত এই অঞ্চলত তাপমাত্ৰা বাঢ়ে। সমুদ্ৰপৃষ্ঠৰ বায়ু উত্তপ্ত হৈ পাতল হয় আৰু পাতল বায়ু ওপৰলৈ উঠে।

এই শূন্য স্থান পূৰাবলৈ উত্তৰ আৰু দক্ষিণ মেৰু অঞ্চলৰ উচ্চ চাপ বিশিষ্ট বায়ু আহে। এই বায়ু পুনৰ উত্তাপ পাই নিম্ন চাপৰ সৃষ্টি হয় আৰু কাষৰ অঞ্চলৰ ঠাণ্ডা বায়ুৰে এই ঠাই পূৰাবলৈ আহে, কাৰণ বায়ু সদায় উচ্চ চাপৰ পৰা নিম্ন চাপৰ অঞ্চললৈ গতি কৰে। এই প্ৰক্ৰিয়া পৰ্য্যায়ক্ৰমে চলি থাকে। এই বায়ুপ্ৰবাহৰ কেন্দ্ৰত থকা নিম্ন চাপৰ তুলনাত চাৰিওফালৰ বায়ুমণ্ডলীয় চাপ বহু বেছি হোৱাৰ বাবে বতাহৰ গতিবেগ তীব্ৰতৰ হয়। পৃথিৱীৰ আৱৰ্তনৰ ফলত সৃষ্টি হোৱা বলৰ প্ৰভাৱত এই বতাহ কুণ্ডলীৰ দৰে ঘূৰিবলৈ ধৰে। এই অৱস্থাকে ঘূৰ্ণীবতাহ বোলে।

সমুদ্ৰপৃষ্ঠৰ উষ্ণতা ২৬° চেলছিয়াছতকৈ বেছি হ'লে ঘূৰ্ণীবতাহ হোৱাৰ সম্ভাৱনা বাঢ়ে। তাপ বঢ়াৰ লগে লগে বায়ুৰ চাপ কমে, জলীয় বাষ্প ওপৰলৈ উঠি ঠাণ্ডা হৈ মেঘ সৃষ্টি হয়। ফলত সেই অঞ্চলত প্ৰচুৰ বৰষুণ হয়। সাধাৰণতে সাগৰীয় অঞ্চলত সৃষ্টি হোৱা ঘূৰ্ণীবতাহে উপকূলীয় অঞ্চলত ভয়ংকৰ ৰূপ ধাৰণ কৰে আৰু বিস্তৰ ক্ষতিসাধন হয়।

**ঘূৰ্ণীবতাহ সৃষ্টি হোৱাৰ চৰ্ত** : ঘূৰ্ণীবতাহ যেতিয়াই তেতিয়াই সৃষ্টি নহয়। এই বতাহ সৃষ্টিৰ চৰ্ত কেইটামান হ'ল—

(ক) ঘূৰ্ণীবতাহ সদায় সুবিস্তীৰ্ণ জলপৃষ্ঠৰ ওপৰতহে সৃষ্টি হয়।

(খ) সাগৰপৃষ্ঠৰ উষ্ণতা ২৬° চেলছিয়াছতকৈ বেছি হ'ব লাগে। কাৰণ, তেতিয়াহে বায়ুত নিম্ন চাপৰ সৃষ্টি হয়।

(গ) পৃথিৱীৰ আৱৰ্তনৰ ফলত সৃষ্টি হোৱা বলৰ প্ৰভাৱতহে বায়ু কুণ্ডলীৰ দৰে ঘূৰে। পৃথিৱীয়ে প্ৰতিনিয়ত নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি পশ্চিমৰ পৰা পূবলৈ এপাক ঘূৰে। পৃথিৱীৰ এই আৱৰ্তন গতিৰ প্ৰভাৱত এক বলৰ সৃষ্টি হয় আৰু ঘূৰ্ণীবতাহৰ সৃষ্টি হ'বলৈ এই বলৰ বাৰুকৈয়ে প্ৰয়োজন হয়।

(ঘ) সমুদ্ৰৰ গভীৰতা অতি কমেও ৫০ মিটাৰ হ'ব লাগে।

**নামকৰণ** : ২০০০ চনত বিশ্ব বতৰ সংস্থাই (World Meteorological Organisation) ঘূৰ্ণীবতাহৰ নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সিদ্ধান্ত অনুসৰি উত্তৰ ভাৰত মহাসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহৰ বাবে বাংলাদেশ, ভাৰত, ম্যানমাৰ, পাকিস্তান, শ্ৰীলংকা, মালদ্বীপ, থাইলেণ্ড, ওমান এই দেশকেইখনৰ প্ৰতিখনে ৮টাকৈ নাম দি মুঠ ৬৪টা নাম গ্ৰহণ কৰিছিল। ইয়াৰে 'আম্ফান' নামটো আছিল শেষ নাম। ঘূৰ্ণীবতাহৰ নাম নিৰ্বাচন কৰোঁতে যাতে কোনো ধৰ্মীয়, সাংস্কৃতিক বা সামাজিক মৰ্য্যাদা হানি নহয়, তাৰ বাবে বিশেষভাৱে লক্ষ্য কৰা হয়। ২০১৩ চনত অহা এটা ঘূৰ্ণীবতাহৰ নাম আছিল 'মহাসেন', যিটো নাম শ্ৰীলংকাই অনুমোদন কৰিছিল। পাছত এই নামটো লৈ শ্ৰীলংকাত প্ৰতিবাদৰ সৃষ্টি হৈছিল, কাৰণ মহাসেন শ্ৰীলংকাৰ এজন সমৃদ্ধশালী ৰজা আছিল। পাছত এই ঘূৰ্ণীবতাহক 'নামহীন ঘূৰ্ণীবতাহ' বুলি উল্লেখ কৰা হয়। বৰ্তমান আৰু ৫খন দেশ নতুনকৈ মিলিত হৈ মুঠ ১৩খন দেশে ঘূৰ্ণীবতাহৰ বাবে ১৬৯টা নাম নিৰ্বাচন কৰি ৰাখিছে। এই নামবোৰ এটাৰ পাছত এটাকৈ আনুক্ৰমিকভাৱে দিয়া হয়। একেদৰে আটলাণ্টিক মহাসাগৰ বা প্ৰশান্ত মহাসাগৰীয় অঞ্চলতো সৃষ্টি হোৱা ঘূৰ্ণীবতাহৰ বাবেও সেই অঞ্চলৰ লগত সম্পৰ্কিত নাম দিয়া হয়।

ভাৰতীয় উপমহাদেশ বিশ্বৰ ভিতৰতে অন্যতম ঘূৰ্ণীবতাহ প্ৰৱণ অঞ্চল। এই অঞ্চলত প্ৰতি বছৰে গঢ়ে ৫ৰ পৰা ৬টালৈ ঘূৰ্ণীবতাহৰ সৃষ্টি হয় যদিও ইয়াৰ ২-৩টাহে মাৰাত্মক হয়। বিভিন্ন অঞ্চলত ঘূৰ্ণীবতাহক বিভিন্ন নামেৰে জনা যায়। যেনে—ভাৰত মহাসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহক চাইক্ল'ন (cyclone), আটলাণ্টিক মহাসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহক হাৰিকেন (hurricane) আৰু প্ৰশান্ত মহাসাগৰত ইয়াক টাইফুন (typhone) নামেৰে জনা যায়। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, ছেপ্টেম্বৰ ২০২৬

সৌম্যদ্বীপ কলিতা (পঞ্চম ঙ), পল ভৰালী (অষ্টম গ), জ্ঞানশ্ৰী কাশ্যপ (সপ্তম খ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (অষ্টম খ), ছায়াক্ষী পৰাশৰ (সপ্তম খ), নিবিৰ ডেকা (সপ্তম ক), দেৱাংগনা বৰঠাকুৰ (সপ্তম ক), ৰিহান হাজৰিকা (অষ্টম), জেনিফাৰ চবনম (সপ্তম ক), বৃষ্টি ডেকা (সপ্তম ক), অন্বেষণ শিৰম সূত (অষ্টম খ), বৈশালী শৰ্মা (সপ্তম খ)। ❖

# কুইজ

■ দীপাংকৰ কৌশিক

১। জাপানৰ নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতৰ সাৱন বাৰৱালে ৰূপৰ পদক লাভ কৰিছিল। সেয়া আছিল এছিয়াডৰ পুৰুষৰ মাৰাথনত ৪৪ বছৰ পাছত ভাৰতৰ প্ৰথমটো পদক। সাৱনৰ পূৰ্বে ১৯৮২ চনত প্ৰথমবাৰ সেই পদকটো কোনজন ভাৰতীয়ই লাভ কৰিছিল?

২। ১৫৯১ চনত চুলতান মহম্মদ কুলী কুটুব শ্বাহে প্লেগ মহামাৰীৰ নিৰ্মূলৰ স্মৃতিত কোনটো স্মৃতি চিহ্ন নিৰ্মাণ কৰিছিল?

৩। টেষ্ট ক্ৰিকেটৰ ইতিহাসত ১৯৯৩ চনৰ ৪ জুনত এছেজৰ প্ৰথম মেচত শ্বেন ৱাৰ্নে ইংলেণ্ডৰ মাইক গেটিঙক আউট কৰা বলটোক কি বুলি জনা যায়?

৪। 'নয়নমণি'—সুপ্ৰভা দেৱীয়ে পৰিচালনা কৰিছিল। এইখন মহিলা পৰিচালকৰ প্ৰথমখন অসমীয়া ছবি। দ্বিতীয়খনৰ নামটো কি বাৰু?

৫। 'ফিল্ডছ মেডেল'—গণিতৰ ক্ষেত্ৰখনৰ এটা বিশেষ সন্মান। এই বঁটাত প্ৰদান কৰা পদকটোত কোনজন বিখ্যাত ব্যক্তিৰ ছবি খোদিত কৰা আছে?

৬। ১৯৩০ চনৰ ১২ মাৰ্চৰ পৰা মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা কোনটো 'ঘটনা' ২৪ দিন ধৰি চলিছিল?

৭। 'ফিগাৰিং—দি জয় অৱ নাম্বাৰ্ছ' (Figuring–The Joy of Numbers)—এইখন গ্ৰন্থৰ লেখিকা-গৰাকীৰ নামটো কি?

৮। পীচ পেলেচ (Peace Palace)—নেডাৰলেণ্ডছৰ দি হেগ চহৰত অৱস্থিত। কোনটো আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুখ্য কাৰ্যালয় এইটো?

৯। ১৯০৪ চনৰ ১৬ আগষ্টত সাপ্তাহিক জাৰ্নাল 'ইত্তেহাড'ত কবি মহম্মদ ইকবালৰ কোনটো বিখ্যাত গীত প্ৰকাশ পাইছিল?

১০। ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু কেশৱ মহন্তৰ সশ্ৰদ্ধ সোঁৱৰণত জুবিন গাৰ্গে প্ৰস্তুত কৰা এলবামটোৰ নাম কি?

১১। 'কবিতাৰ ৰ'দ' আৰু 'বিভিন্ন দিনৰ কবিতা'—এই কিতাপ দুখনৰ কবিগৰাকীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

১২। ১৯৬৯ চনত দেৱীকাৰাণীয়ে লাভ কৰা কোনটো বঁটা ২০২৬ চনৰ ছেপ্টেম্বৰত যশস্বী অভিনেতা অনন্ত নাগলৈ আগবঢ়োৱা হৈছে?

১৩। কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন টুৰ্নামেণ্টত জয়ী হোৱা প্ৰথমগৰাকী ভাৰতীয় শ্বাটলাৰ কোন বাৰু?

১৪। 'ল'ন ফক্স ডান্সিং' (Lone Fox Dancing)—কোনগৰাকী প্ৰখ্যাত সাহিত্যিকৰ আত্মজীৱনী?

১৫। ১৯৯৬ চনৰ ৫ জুলাইত জন্ম আৰু ২০০৩ চনৰ ১৪ ফেব্ৰুৱাৰীত মৃত্যু। নাম ডলী। কোন হয় বাৰু?

**চিত্ৰ সংকেত**

১৬। তেওঁৰ নাম ৰোশিবিনা দেৱী। কোনবিধ খেলত তেওঁ নাগোয়া এছিয়াডত ৰূপৰ পদক জয় কৰিছে? ❖



## চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, ছেপ্টেম্বৰ ২০২৬

অংশুমান কুমাৰ (অষ্টম ঘ), পল ভৰালী (অষ্টম গ)। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, ছেপ্টেম্বৰ, ২০২৬

১। ইন্দ্ৰমালতী
২। সংগীত সুধাকৰ
৩। বিয়াখন হৈছিল ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনত
৪। গুগল পে
৫। অদাহ্য ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# মহাত্মা গান্ধীৰ সত্যবাদিতা



জাতিৰ পিতা মহাত্মা গান্ধীৰ (১৮৬৯-১৯৪৮) সমগ্ৰ জীৱন, কৰ্ম আৰু দৰ্শনৰ মূল চালিকা শক্তি আছিল সত্যবাদিতা। তেওঁৰ বাবে সত্য কেৱল এটা সাধাৰণ  নীতি বা মুখৰ কথা নাছিল, বৰং ই আছিল তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ শক্তি, ঈশ্বৰ আৰু সাধনা। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে সত্যৰ বাহিৰে কোনো ধৰ্ম নাই আৰু সেইবাবেই তেওঁ তেওঁৰ পূৰ্বৰ ধাৰণা 'ঈশ্বৰেই সত্য' সলনি কৰি পাছলৈ ঘোষণা কৰিছিল—'সত্যই ঈশ্বৰ' (Truth is God)।

গান্ধীজীৰ সত্যবাদিতাৰ ভেটি অতি মজবুতকৈ গঢ়ি উঠিছিল তেওঁৰ শৈশৱ কালতেই। বাল্যকালৰ দুটা বিশেষ ঘটনাই তেওঁৰ মনত সত্যৰ বীজ গভীৰভাৱে ৰোপণ কৰিছিল। শৈশৱতে চোৱা 'ৰজা হৰিশ্চন্দ্ৰ' নাটকখনে তেওঁৰ মনত গভীৰ ৰেখাপাত কৰিছিল। সত্যৰ বাবে সৰ্বস্ব ত্যাগ কৰা হৰিশ্চন্দ্ৰৰ চৰিত্ৰই তেওঁক ইমান আকৰ্ষিত কৰিছিল যে তেওঁ জীৱনত কেতিয়াও মিছা কথা নক'বলৈ আৰু সত্যৰ পথ নেৰিবলৈ সংকল্প লৈছিল।

স্কুলত পঢ়ি থকা সময়ত এবাৰ বিদ্যালয় পৰিদৰ্শক জাইলছ (Giles) চাহাবে ছাত্ৰসকলক 'Kettle' শব্দটো ইংৰাজীত লিখিবলৈ দিছিল। গান্ধীজীয়ে বানানটো ভুলকৈ লিখিছিল। শিক্ষকজনে তেওঁক কাষৰ ছাত্ৰজনৰ শ্লেটৰ পৰা চাই শুদ্ধ কৰিবলৈ ইংগিত দিছিল, কিন্তু গান্ধীজীয়ে নকল কৰিবলৈ অস্বীকাৰ কৰিলে। তেওঁ ভুল কৰাটো স্বীকাৰ কৰিলে, কিন্তু অসৎ পথ নল'লে। শৈশৱতে তেওঁ কৰা অনেক ভুলো সাহসেৰে, সততাৰে স্বীকাৰ কৰি তেওঁৰ সত্যনিষ্ঠতাৰ প্ৰমাণ দিছিল।

পৰৱৰ্তী সময়ত তেওঁৰ এই সত্যনিষ্ঠা ব্যক্তিগত জীৱনৰ পৰা ৰাজনৈতিক জীৱনলৈ সম্প্ৰসাৰিত হৈছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত গান্ধীজীয়ে সত্যক এক অভূতপূৰ্ব আৰু শক্তিশালী ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ পৰাই জন্ম হৈছিল সত্যাগ্ৰহৰ, যাৰ অৰ্থ হৈছে— সত্যৰ প্ৰতি আগ্ৰহ বা সত্যক আঁকোৱালি লৈ অন্যায়ৰ বিৰুদ্ধে থিয় দিয়া। বৃটিছ শাসনৰ বিৰুদ্ধে পৰিচালিত প্ৰতিটো আন্দোলন, যেনে—অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনৰ মূল আধাৰ আছিল সত্য আৰু অহিংসা।

ৰাজনীতিবিদসকলে প্ৰায়ে ক্ষমতা লাভৰ বাবে ছলনা বা কূটনীতিৰ আশ্ৰয় লয়, কিন্তু গান্ধীজী ইয়াৰ ব্যতিক্ৰম আছিল। ১৯২২ চনত চৌৰীচৌৰা কাণ্ডত হিংসাত্মক ঘটনা ঘটাৰ লগে লগে তেওঁ চৰম শিখৰত থকা অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰিছিল, কাৰণ তেওঁ আন্দোলনক সত্যৰ পথৰ পৰা বিচ্যুত হ'বলৈ দিব বিচৰা নাছিল। বিশ্ববন্দিত মহাত্মা গান্ধীৰ জন্মদিন ২ অক্টোবৰ তাৰিখটো সমগ্ৰ ভাৰততে 'গান্ধী জয়ন্তী' হিচাপে পালন কৰা হয়। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# কিশোৰ সাৰথি




অসমীয়া ভাষাত শিশু উপযোগী ভালেসংখ্যক কিতাপ আছে যদিও কিশোৰ মনৰ চাহিদা পূৰাব পৰা গ্ৰন্থৰ সংখ্যা নিচেই সীমিত। এই অভাৱ পূৰাব পৰা 'কিশোৰ-সাৰথি' নামৰ গ্ৰন্থখন অসমীয়া ভাষাত লিখা কিশোৰ উপযোগী এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিৰ ১০ খন কিশোৰ উপযোগী গ্ৰন্থৰ একত্ৰ সংকলন এই গ্ৰন্থ। কিতাপ পঢ়াৰ আনন্দ, আধুনিক যুগৰ জন্ম কাহিনী, বেঞ্জামিন ফ্ৰেংকলিন, অন্তহীন প্ৰেৰণাৰ উৎস লুই পেষ্টিঅ'ৰ, মোৰ প্ৰিয় মানুহ ছক্ৰেটিছ, মানুহ হোৱাৰ গৌৰৱ, পোহৰৰ সাধনা, ডাৰউইন: এক যুগান্তকাৰী বিজ্ঞানী, স্বাস্থ্য ৰক্ষাৰ সহজ নিয়ম আৰু উচ্চাকাংক্ষা—এই দহখন গ্ৰন্থ একেলগে কিশোৰ-সাৰথি গ্ৰন্থত অন্তৰ্ভুক্ত কৰা হৈছে। এই গ্ৰন্থকেইখন কিশোৰ উপযোগী যদিও যিকোনো বয়সৰ লোকে এইকেইখন কিতাপ পঢ়ি উপকৃত হ'ব। বেঞ্জামিন ফ্ৰেংকলিন, লুই পেষ্টিঅ'ৰ, ছক্ৰেটিছ, ডাৰউইন আদি গৰিমামণ্ডিত লোকৰ জীৱনৰ সংগ্ৰাম আৰু মানৱ সভ্যতাৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ যুগান্তকাৰী অবদানৰ কথা স্পষ্ট আৰু সৰল ভাষাত কিতাপকেইখনত লিখি উলিওৱা হৈছে। তদুপৰি স্বাস্থ্যৰক্ষাৰ সহজ নিয়ম, উচ্চাকাংক্ষাৰ প্ৰয়োজনীয়তা আদি গুৰুত্বপূৰ্ণ দিশবোৰো গ্ৰন্থখনত সকলোৰে সহজবোধ্য হোৱাকৈ তুলি ধৰা হৈছে। 'কিতাপ পঢ়াৰ আনন্দ' নামৰ গ্ৰন্থখনৰ পাতনিত লেখকে উল্লেখ কৰা কথাকেইষাৰো মন কৰিবলগীয়া—'মানুহে যদি আধুনিক জগতৰ উন্নতিৰ প্ৰতিযোগিতাত সমান ভাগ ল'ব খোজে তেন্তে তেওঁলোকে কিতাপক ভাল পাবলৈ শিকিব লাগিব আৰু নিয়মিতভাৱে কিতাপ পঢ়াৰ অভ্যাস কৰিব লাগিব। এই কথা সকলোৰেই জানে যে অসমৰ মানুহে কিতাপ খুব কম পঢ়ে। তেওঁলোকৰ মনত কিতাপৰ প্ৰতি অনুৰাগ কেনেকৈ বঢ়োৱা যায় সি এটা ডাঙৰ সমস্যা। কিন্তু এটা কথা ঠিক যে ছাত্ৰ অৱস্থাতেই যদি মানুহৰ মনত কিতাপৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা নহয়, তেন্তে পাছলৈ সেই আগ্ৰহ সৃষ্টি কৰা সম্ভৱ নহয়।'

কিশোৰ-সাৰথি গ্ৰন্থ সকলো কিশোৰে পঢ়াটো অতি দৰকাৰী কথা। মাথোঁ জ্ঞান লাভৰ বাবেই নহয়, সৰল গদ্য লেখাৰ আদিপাঠ হিচাপেও এই গ্ৰন্থখন অধ্যয়নপিপাসু কিশোৰৰ সাৰথি হৈ ৰ'ব। গ্ৰন্থখনৰ প্ৰকাশক ষ্টুডেণ্টছ ষ্ট'ৰচ। ❖

## শুনা কথাত নিদিবা কাণ, দেখাৰো ল'বা তিনি প্ৰমাণ



আনে কোৱা কথা এটা শুনি অতি সহজে বিশ্বাস কৰি লোৱাটো যুগুত নহয়। কোনোবাই ইচ্ছাকৃতভাৱে ৰহণ সানি কোনো কথা প্ৰচাৰ কৰিব পাৰে। গতিকে আনৰ পৰা শুনা কথা এটাৰ সত্য-অসত্য বিচাৰ নকৰাকৈ গ্ৰহণ কৰিলে কেতিয়াবা ঠগ খোৱাৰো সম্ভাৱনা থাকে। কেৱল আনৰ পৰা শুনা কথাৰেই নহয়, কেতিয়াবা আমি চকুৰে দেখা ঘটনাও আংশিক সত্য বা ভ্ৰান্তিমূলক হ'ব পাৰে। পৰিস্থিতিৰ পাকচক্ৰত আমি যি দেখোঁ, বাস্তৱত সেয়া বেলেগ হ'ব পাৰে। সেয়েহে চকুৰে দেখা ঘটনা এটা বিভিন্ন দিশৰ পৰা পৰীক্ষা কৰিহে নিশ্চিত হোৱা উচিত।

এই যোজনাই সমাজত সৃষ্টি হ'ব পৰা ভুল বুজাবুজি বা কাৰোবাৰ প্ৰতি হ'ব পৰা অন্যায়ৰ পৰা হাত সাৰি চলিবলৈ পৰামৰ্শ দিয়ে।

**প্ৰায়োগিক বাক্য : ক'ৰবাত কিবা এটা শুনি আহিয়েই মানুহজনক দোষী সজোৱাটো ভাল হৈছেনে? জ্ঞানী লোকে কয়—শুনা কথাত নিদিবা কাণ, দেখাৰো ল'বা তিনি প্ৰমাণ।** ❖

## অভ্যাসে কৃতবিদ্যা, অনভ্যাসে হতবিদ্যা

অভ্যাসৰ বলত মানুহে নিজৰ বিদ্যা অথবা দক্ষতাৰ অধিক বিকাশ ঘটাব পাৰে। অভ্যাসে মানুহৰ দক্ষতাক অধিক পৰিপক্ক কৰি তোলে। আনহাতে সঠিকভাৱে অনুশীলন কৰি নাথাকিলে মানুহৰ দক্ষতাৰ বিকাশ নঘটে। প্ৰতিদিনৰ অভ্যাসৰ বলত মানুহে আপাতদৃষ্টিত অসম্ভৱ যেন লগা কামকো সম্ভৱ কৰি তুলিব পাৰে। আনহাতে চৰ্চা অবিহনে মানুহৰ বিদ্যা থাকিলেও কাৰ্যকৰী নহয়, ফলত সুফল লাভ কৰিব নোৱাৰি।

**প্ৰায়োগিক বাক্য : এসময়ত ইমান উল গুঁঠিছিলোঁ, এতিয়া সকলো পাহৰিলোঁ; ইয়াকে কয় বোলে অভ্যাসে কৃতবিদ্যা, অনভ্যাসে হতবিদ্যা।** ❖

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ

**ভাৰতীয় হাতী** (ইংৰাজী নাম : Indian elephant, বৈজ্ঞানিক নাম *Elephas maximus indicus*) :



ভাৰতীয় হাতী এলিফেণ্টিডি (Elephantidae) পৰিয়ালৰ অন্তৰ্গত এবিধ স্তন্যপায়ী প্ৰাণী। ই সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ভাৰত, নেপাল, বাংলাদেশ, ভূটান, ম্যানমাৰ, থাইলেণ্ড, ভিয়েটনাম ইত্যাদি দেশত বিস্তৃত হৈ আছে। এইবিধ প্ৰাণী ভাৰতবৰ্ষৰ ঝাৰখণ্ড, কৰ্ণাটক আৰু কেৰেলমৰ ৰাজ্যিক জন্তু। ১৯৮৬ চনৰ পৰাই হাতীক আইইউচিএনৰ (IUCN) তালিকাত সংকটাপন্ন বুলি স্বীকৃতি দিয়া হৈছে। যোৱা তিনিটা দশক জুৰি ইয়াৰ সংখ্যা শতকৰা ৫০ ভাগ হ্ৰাস হোৱা বুলি জানিব পৰা গৈছে। এইবিধ প্ৰাণীৰ স্থিতি বা অৱস্থানৰ প্ৰতি সৃষ্টি হোৱা প্ৰধান ভাবুকিবোৰ হৈছে—বনাঞ্চল ধ্বংস, মানুহৰ সৈতে হোৱা সংঘাত ইত্যাদি।

এইবিধ প্ৰাণীয়ে মূলতঃ ঘাঁহনি, ক্ৰান্তীয় চিৰসেউজীয়া বনাঞ্চল, সেমেকা আৰু শুকান পৰ্ণপাতী বনাঞ্চল আৰু শুকান কাঁইটীয়া বনাঞ্চলত বাস কৰে। হাতীয়ে ১১২বিধ বিভিন্ন উদ্ভিদ প্ৰজাতি খাদ্য হিচাপে গ্ৰহণ কৰে। হাতীৰ শুঁৰডালে প্ৰায় চাৰি লিটাৰ পৰ্য্যন্ত পানী ধৰি ৰাখিব পাৰে। তথ্য অনুসৰি হাতীৰ শুঁৰডাল প্ৰায় ৬০,০০০টা মাংসপেশীৰে গঠিত। ইয়াৰ উপৰি হাতীয়ে শুঁৰডাল খাদ্য খোৱা, পানী খোৱা, স্পৰ্শ কৰা, ধূলি ছটিওৱা, শব্দ কৰা, প্ৰতিৰক্ষা আদি বিভিন্ন কামত ব্যৱহাৰ কৰে। ভাৰতীয় হাতী সাধাৰণতে আফ্ৰিকাৰ হাতীতকৈ আকাৰত সৰু। ইয়াৰ পিঠি অংশ হটঙা। কাণ দুখন তুলনামূলকভাৱে সৰু আৰু সমুখৰ ফালে ভাঁজ খোৱা। মতা হাতীৰ কান্ধলৈকে উচ্চতা প্ৰায় ৯ৰ পৰা ১০.৫ ফুট আৰু মাইকী হাতীৰ প্ৰায় ৮ৰ পৰা ৮.৫ ফুট।

মাইকী হাতীৰ সাধাৰণতে মতা হাতীৰ দৰে দাঁত নাথাকে। কিছুমান মতা হাতীৰো দাঁত নাথাকে—এনে হাতীক মখনা বুলি কোৱা হয়। ভাৰতীয় হাতীৰ কপালত দুয়োফালে দুটা গাঁতৰ দৰে অংশ থাকে। হাতীৰ ছালৰ বৰণ সাধাৰণতে মুগা হয়। ই প্ৰায় মাটিৰে ঢাক খাই থাকে। ভাৰতীয় হাতী খুবেই বুদ্ধিমান আৰু সতৰ্ক হোৱা দেখা যায়। হাতী সাধাৰণতে দোকমোকালি আৰু গধূলি সময়ত আটাইতকৈ বেছি সক্ৰিয় হৈ থাকে। ইহঁতে সাধাৰণতে দল বান্ধি বাস কৰে। তদুপৰি হাতীৰ উচ্চ-কম্পনাংকৰ শব্দ শুনাৰো ক্ষমতা আছে। হাতীৰ জীৱনকাল গড়ে প্ৰায় ৬০ বছৰ। ❖

# লিবাৰ্টি বেল



আমেৰিকা যুক্তৰাষ্ট্ৰত থকা এটা বৃহৎ ঐতিহাসিক ঘণ্টাৰ নাম লিবাৰ্টি বেল (Liberty Bell)। এই ঘণ্টাটো আগতে 'ইণ্ডিপেণ্ডেন্স হল'ৰ ওপৰত এক নিৰ্দিষ্ট স্থানত ওলমাই থোৱা আছিল। এতিয়া অৱশ্যে সেই স্থানত আছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতাৰ শতবৰ্ষ উপলক্ষে নতুনকৈ নিৰ্মাণ কৰা এক 'শতবাৰ্ষিকী ঘণ্টা'। ফাট মেলা 'লিবাৰ্টি বেল'টো আন ঠাইত সংৰক্ষিত অৱস্থাত ৰখা হৈছে।

এই ঘণ্টাটো বহুবাৰ বজোৱা হ'লেও ১৭৭৬ চনৰ আঠ জুলাইত বজোৱাটোৱেহে বিশেষ তাৎপৰ্য্য বহন কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতাৰ ঘোষণা-পত্ৰ পাঠ অনুষ্ঠানলৈ ফিলাডেলফিয়াৰ নাগৰিকসকলক মাতিবলৈ সেইদিনা এই ঘণ্টাটো বজোৱা হৈছিল। বৰ্তমান ইয়াক স্বাধীনতা আৰু ন্যায়ৰ এক আন্তৰ্জাতিক প্ৰতীক হিচাপে গণ্য কৰা হয়।

১৮৩৯ চনৰ আগলৈকে এই ঘণ্টাক অৱশ্যে 'ইণ্ডিপেণ্ডেন্স বেল' বুলিহে কোৱা হৈছিল। সেই বছৰ আমেৰিকাৰ দাস প্ৰথা বিৰোধী 'আমেৰিকান এণ্টি-শ্লেভাৰী ছ'চাইটি'য়ে তাক মুক্তিৰ প্ৰতীক বুলি গণ্য কৰে আৰু ১৮৩৯ চনত ঘণ্টাটো লিবাৰ্টি বেল হিচাপে অভিহিত কৰা হয়।

ঊনবিংশ শতিকাত 'লিবাৰ্টি বেল' কেইবাবাৰো বজোৱা হৈছিল। ১৮৪৬ চনৰ ২২ ফেব্ৰুৱাৰীত জৰ্জ ৱাশ্বিংটনৰ জন্মদিন বাবে এই ঘণ্টাটো কেইবাঘণ্টা ধৰি বজোৱা হয় আৰু তেতিয়াই তাত দ্বিতীয় ফাটটো দৃষ্টিগোচৰ হয়। তাৰ পাছত তাক খুলি আনি ইণ্ডিপেণ্ডেন্স হলৰ (Independence Hall) 'ডিক্লেৰাছন চেম্বাৰ'ত (Declaration Chamber) সংৰক্ষিত কৰি ৰখা হৈছে আৰু তাৰ স্থানত ইংলেণ্ডে উপহাৰ দিয়া এটা একে সাঁচৰ ঘণ্টা 'চেণ্টেনিয়েল বেল' (Centennial Bell) বা 'শতবাৰ্ষিকী ঘণ্টা' ওলমাই থোৱা হৈছে। 'লিবাৰ্টি বেল'ৰ পৰিধি ১২ ফুট, ওজন ২,০৫৫ পাউণ্ড। ১৭৫২ চনত ইয়াক সজা হৈছিল। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিশ্ব ঐতিহ্য' গ্ৰন্থ।)*

## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, আমি সততে কওঁতে বা লিখোঁতে ভুল কৰা কেইটিমান শব্দ জানি থওঁ আহা :

| **ভুল** | **শুদ্ধ** | **প্ৰায়োগিক বাক্য** |
|---|---|---|
| তাতোধিক | ততোধিক | গীতটোত দুই বা ততোধিক বাদ্যযন্ত্ৰ সংগত কৰা হৈছে। |
| দৰ্জন | ডজন | বজাৰৰ পৰা দুই ডজন কণী লৈ আহাচোন। ❖ |

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| কোণ | angle | সংকলন | anthology, collection |
| দেৱদূত | angel | নৃতত্ত্ববিদ্যা | anthropology |
| খং | anger | প্ৰতিজৈৱিক | antibiotic |
| প্ৰাণৱন্ত, জীৱন্ত | animate, lively | প্ৰত্যাশা, পূৰ্বব্যৱস্থা | anticipation |
| ভৰিৰ সৰু গাঁঠি | ankle | বীজাণুনাশক | antiseptic |
| নূপুৰ | anklet | সমাজ-বিৰোধী | anti-social |
| বাৰ্ষিকী | anniversary | বিপৰীত শব্দ | antonym |
| ঘোষণা কৰা | announce | উদ্বিগ্নতা, উৎকণ্ঠা | anxiety |
| আমনি কৰা | annoy, disturb | উদাসীন, নিৰ্লিপ্ত | apathetic |
| বছৰেকীয়া | annual | শীৰ্ষ, সৰ্বোচ্চ | apex, highest supreme |
| বিসংগতি | anomaly | বন মানুহ | ape |
| নামহীন, বেনামী | anonymous | মৌ পালন কেন্দ্ৰ | apiary |
| বিৰোধী, প্ৰতিপক্ষ | antagonist, opponent | দূত বা প্ৰচাৰক | apostle |
| পূৰ্বৱৰ্তী, পূৰ্বগামী | antecedent, previous | ঊৰ্ধকমা | apostrophe |
| ৰাষ্ট্ৰীয় সংগীত | national anthem | নিবেদন, গোহাৰি | appeal ❖ |

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

তলৰ কথাখিনি ভালদৰে পঢ়া আৰু প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰ বাছি উলিওৱা :

এটা শ্ৰেণীৰ ছগৰাকী শিক্ষাৰ্থীৰ বয়স আৰু উচ্চতা এনে ধৰণৰ :

অমিত তপনতকৈ ওখ আৰু ডাঙৰ কিন্তু শ্ৰুতিতকৈ চাপৰ আৰু সৰু। ভবেন চম্পকতকৈ ওখ কিন্তু তপনতকৈ চাপৰ। আটাইতকৈ ডাঙৰজনেই আটাইতকৈ চাপৰ। আটাইতকৈ সৰুজন উচ্চতাৰ অধঃক্ৰমত চতুৰ্থ স্থানত থাকে। ভবেন ৰূপমতকৈ সৰু কিন্তু চম্পকতকৈ ডাঙৰ। চম্পক শ্ৰুতিতকৈ ডাঙৰ।

1. আটাইতকৈ ওখ কোন?

   a) তপন b) চম্পক c) শ্ৰুতি d) তথ্য পৰ্য্যাপ্ত নহয়

2. কোনগৰাকী তপনতকৈ ডাঙৰ, কিন্তু শ্ৰুতিতকৈ সৰু?

   a) ৰূপম b) ভবেন c) অমিত d) তথ্য পৰ্য্যাপ্ত নহয়

3. তলৰ কোনটো উক্তি নিঃসন্দেহে সত্য?

   a) ভবেন আটাইতকৈ ডাঙৰ b) তপন আটাইতকৈ ওখ
   c) অমিত ভবেনতকৈ ডাঙৰ d) ৰূপম আটাইতকৈ চাপৰ

4. শিক্ষাৰ্থীকেইজনক উচ্চতাৰ অধঃক্ৰমত সজালে তলৰ কোনটো শুদ্ধ হ'ব?

   a) অমিত, শ্ৰুতি, ভবেন, তপন, চম্পক, ৰূপম b) ৰূপম, ভবেন, চম্পক, শ্ৰুতি, অমিত, তপন
   c) ভবেন, শ্ৰুতি, অমিত, তপন, চম্পক, ৰূপম d) তথ্য পৰ্য্যাপ্ত নহয়

5. কোন আটাইতকৈ ডাঙৰ?

   a) ৰূপম b) চম্পক c) শ্ৰুতি d) তপন

6. কোনগৰাকী অমিততকৈ ডাঙৰ কিন্তু চম্পকতকৈ সৰু?

   a) ৰূপম b) শ্ৰুতি c) ভবেন d) তপন

**উত্তৰসমূহ :**

1. d 2. c 3. d 4. d 5. a 6. b

## Stories from World Classics

# A Journey to the Center of the Earth

■ **Papari Kalita**

*(Contd. from September issue)*




Hans, Lidenbrock and Axel make camp in the crater. The next morning, the sky is overcast, and Axel's hope is renewed as he realises that if the weather remains cloudy for the next four days, the Kalends of June will have passed without revealing the shadow in the crater. Lidenbrock grows angry, and his rage only increases as three days pass without clear skies. Finally, on 28th June, the sun comes out and casts a shadow that points to the middle crater. Lidenbrock is overjoyed and urges Hans and Axel onward.

Now that the men have found the entry to Saknussemm's pathway, the "real journey" is about to begin, and Axel must decide if he is willing to undertake it. He wants to argue with Lidenbrock again, but he stays quiet because Hans accepted the mission so calmly. Axel looks down the chimney, and the depth immediately disorients him.

Lidenbrock secures a rope and lowers it down the hole for the men to climb. He splits the fragile elements of the luggage into three bags, and each man straps one to his back. He tosses the rest of the luggage down into the abyss. The men descend the rope in silence. Axel is terrified that the rope will give way. He pays no attention to the composition of the rocks they pass, but Lidenbrock notes the types of rocks and remarks that they support his hypothesis that traveling to the center of the earth is possible.

The men reach the bottom of the shaft. They decide to make camp for the night before looking for passage onward in the morning. As Axel lies down to sleep, he looks up the shaft and sees a single star through the shaft's entrance. The distance makes the star look dim.

In the morning, a ray of sunlight comes through the shaft and allows the men to view their surroundings. Lidenbrock exclaims that their night in the crater was quieter than any night in Hamburg, but Axel notes that "the very calm has something terrifying about it." Lidenbrock scoffs that Axel shouldn't be afraid, since the journey down the shaft only brought them to sea level. They check the barometer, and Axel worries that the increasing pressure as they descend will be painful. Lidenbrock assures him that their lungs will adjust to the dense air.

The men eat breakfast, and Lidenbrock measures and records a series of observations about their location. When he finishes, Lidenbrock and Hans turn on their two electric lanterns. Axel looks up at the sky through the opening above, and his narration notes that he will never see the Icelandic sky again. The men begin walking, and Axel is amazed to see the lava in the passage has crystallised. As they walk on the temperature does not increase, leading Axel to grant some credence to his uncle's theories about the earth's core. ❖ *Contd.*

# Telescopefish

■ **Binoy Bikash Gogoi**



Just imagine diving into the ocean and encountering a creature that looks like a horror movie monster. Though it looks strange, it's actually a fish that lives in the ocean at depths of around 10,000 feet. These amazing creatures are called telescopefish. They are found in cold, deep tropical waters worldwide.

The name telescopefish comes from their bizarre, tubular eyes. They have large heads and telescoping eyes with large, forward-pointing lenses. Their mouth is lined with sharp and downward-flexing teeth. They have long, transparent, spineless fins that can be over half of the total body in length.

These fish are solitary, but are active predators at the same time. They search for prey by looking skyward and identifying the outlined silhouettes of possible prey. The protruded telescopic eyes help them judge the distance of the prey. Because of their extensible jaws and elastic stomach, they can swallow prey larger than themselves. They swim vertically to the surface of the ocean at night and come back to the depths during daytime. Because of their unique and unearthly physical features,they are considered highly bizarre. ❖

# The majestic magnetic hill



How will you feel if you are trying to go downhill, but your car moves uphill instead? Interesting, isn't it? Well, there is a popular place named Magnetic Hill in Ladakh, which is believed to defy the laws of gravity. When a vehicle is put in neutral at a designated spot, it is observed that it runs at a constant speed of 10-15 km/h uphill. This interesting fact keeps people awed and intrigued. Magnetic Hill is one of the most visited spots on the Kargil-Leh highway. This place is at an altitude of 14,000 feet above sea level. The best time to visit this place is between June and September.

Some people believe this phenomenon to be supernatural, while others believe it to be scientific. The locals believe that there was a time when the road was a gateway to heaven; only the people worthy of heaven were pulled up while walking on this path. Scientists and some other people believe that there is a strong magnetic force present there. However, the real fact is something else. Magnetic Hill is actually downhill instead of uphill. But because of its unique surrounding terrain, it creates an optical illusion where people see the vehicle going uphill. The lack of a clear horizon contributes to this visual deception.Nonetheless, a visit to this place gives people a unique experience of a lifetime. ❖

# পাৰ্ল এছ বাক

■ অপৰাজিতা দত্ত



পাৰ্ল এছ বাক (Pearl S. Buck) আছিল এগৰাকী আমেৰিকান ঔপন্যাসিক। তেওঁৰ জন্ম হৈছিল পশ্চিম ভাৰ্জিনিয়াত (১৮৯২ চনত), চাৰি মাহ বয়সতেই তেওঁক মাক-দেউতাকে চীন দেশলৈ লৈ গৈছিল। তেওঁৰ মাক-দেউতাক আছিল মিছনেৰী। খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে তেওঁলোকে জীৱনৰ বেছিভাগ সময় চীন দেশতেই কটাইছিল। পাৰ্ল বাকৰো শৈশৱৰ প্ৰায়খিনি সময় চীন দেশতেই অতিবাহিত হৈছিল। স্কুলীয়া শিক্ষা সাং কৰি তেওঁ ১৯১১ চনত ভাৰ্জিনিয়াৰ ৰেনড'ল্ফ মেক'ন ওমেনজ কলেজৰ (Randolph Macon Woman's College) পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ আকৌ চীনলৈ উভতি যায় আৰু ১৯১৪ চনৰ পৰা ১৯৩২ চনলৈ মিছনেৰী হিচাপে কাম কৰে। ইয়াৰ পাছত ১৯৩৫ চনত তেওঁ পুনৰ আমেৰিকা যুক্তৰাজ্যলৈ উভতি যায় আৰু তাৰ ক'ৰনেল (Cornell) বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

পাৰ্লে চীন দেশৰ নেনকিং বিশ্ববিদ্যালয়ত (University of Nanking) ইংৰাজী সাহিত্যৰ অধ্যাপক হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

পাৰ্ল বাকৰ সাহিত্য চৰ্চা আৰম্ভ হৈছিল চীন দেশত। তেওঁ নিজে কৈছিল, "মই জন্মসূত্ৰে আমেৰিকান, কিন্তু লেখক হিচাপে মোৰ জন্ম হৈছিল চীনত।" সেইবাবেই তেওঁৰ লিখনিত চীনৰ সমাজ জীৱনৰ ছবি প্ৰতিফলিত হয়। তেওঁৰ গল্প আৰু উপন্যাসসমূহ প্ৰধানতঃ নাৰীৰ অধিকাৰ, এছিয়াৰ সমাজ আৰু সংস্কৃতি, মিছনেৰীসকলৰ কাম-কাজ, যুদ্ধ, হিংসা আদি বিষয়বস্তুৰ ওপৰত আধাৰিত।

১৯৩২ চনত পাৰ্ল বাকে দ্য গুড আৰ্থ (The Good Earth) নামৰ উপন্যাসখনৰ বাবে পুলিৎজাৰ বঁটা লাভ কৰে। এইখন উপন্যাস তেওঁৰ হাউছ অৱ আৰ্থ ট্ৰিল'জিৰ (House of Earth trilogy) এখন। আন দুখন হ'ল ছন্স (Sons) আৰু এ হাউছ ডিভাইডেড (The House Divided)। তদুপৰি তেওঁৰ আন কেইখনমান উচ্চ প্ৰশংসিত উপন্যাস হ'ল—ইষ্ট উইণ্ড : ৱেষ্ট উইণ্ড (East Wind : West Wind), দি মাডাৰ (The Mother), চাইনা স্কাই (China sky) ইত্যাদি। পাৰ্লে দেউতাকৰ জীৱনৰ আধাৰত ৰচনা কৰা ফাইটিং এঞ্জেল : পট্ৰেইট অৱ এ ছ'ল (Fighting Angel : Portrait of a soul) নামৰ কিতাপখনত মিছনেৰীসকলৰ জীৱনৰ এক প্ৰতিচ্ছবি দেখা যায়। তেনেদৰে মাকৰ জীৱনৰ আধাৰতো তেওঁ ৰচনা কৰিছিল দি এক্সাইল : পট্ৰেইট অৱ এন এমেৰিকান মাডাৰ (The Exile: Portrait of an American Mother) নামৰ কিতাপখন। তদুপৰি তেওঁ মাই ছেভাৰেল ৱৰ্ল্ডছ : এ পাৰ্ছনেল ৰেকৰ্ড (My Several Worlds : A Personal Record) নামেৰে এখনি আত্মজীৱনীও প্ৰকাশ কৰি উলিয়াইছিল। ১৯৩৮ চনত পাৰ্ল বাকে সাহিত্যৰ ন'বেল বঁটা লাভ কৰে। তেৱেঁই ন'বেল বঁটা লাভ কৰা প্ৰথম আমেৰিকান মহিলা।

পাৰ্ল বাক বহুতো সমাজসেৱামূলক অনুষ্ঠানৰ সৈতেও জড়িত হৈ আছিল। বিশেষভাৱে তেওঁ অনাথ শিশুৰ প্ৰতিপালনৰ বাবে ৱেলকাম হাউছ (Welcome house) নামৰ এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। তদুপৰি তেওঁ প্ৰতিবন্ধী শিশুৰ বাবেও বহু কাম কৰিছিল। ১৯৭৩ চনত এইগৰাকী মহান সাহিত্যিকৰ মৃত্যু হয়। ❖

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২৩৫ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 3 | 7 | 2 | 9 | 8 | 4 | 1 | 5 |
| 5 | 2 | 1 | 4 | 6 | 7 | 8 | 9 | 3 |
| 9 | 4 | 8 | 1 | 3 | 5 | 6 | 7 | 2 |
| 1 | 9 | 3 | 7 | 5 | 6 | 2 | 4 | 8 |
| 8 | 5 | 4 | 3 | 2 | 9 | 1 | 6 | 7 |
| 2 | 7 | 6 | 8 | 1 | 4 | 5 | 3 | 9 |
| 7 | 8 | 5 | 6 | 4 | 3 | 9 | 2 | 1 |
| 4 | 1 | 9 | 5 | 7 | 2 | 3 | 8 | 6 |
| 3 | 6 | 2 | 9 | 8 | 1 | 7 | 5 | 4 |

### চুড'কু ২৩৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | | 9 | | | 2 | 8 | | |
| | 3 | | | | 1 | 6 | 2 | 9 |
| | 8 | | 7 | 9 | | | 1 | |
| | | | | | 7 | | 4 | 1 |
| 2 | | | 5 | | | | | 6 |
| | | | | 8 | 3 | | | |
| | 9 | | | | | 1 | | 2 |
| 7 | | | 6 | | | | | 8 |
| | 6 | 4 | | | | | | |

## তোমালোকে জানানে?

# লাষ্ট ছাপাৰ ছবিখন বিশ্ববিখ্যাত কিয়?



লাষ্ট-ছাপাৰ (The Last Supper) ছবিখন আঁকিছিল বিখ্যাত চিত্ৰশিল্পী লিঅ'নাৰ্ডো ডা-ভিন্সিয়ে। তেওঁ ইটালীৰ মিলানৰ (Milan) এক কনভেণ্টৰ ডাইনিং হলত এই ছবিখন আঁকিছিল। তাত সেইখন অঁকাৰ কাৰণ আছিল যে ধাৰ্মিক লোকসকলে আহাৰ গ্ৰহণ কৰাৰ সময়ত যাতে যীশুখৃষ্টৰ শেষ আহাৰত চকু ৰাখি এক আধ্যাত্মিক ভাবত আহাৰ খাব পাৰে। সেই ছবিখনে গোটেই বেৰখন জুৰি আছিল। লিঅ'নাৰ্ডোৱে অঁকা ছবিবোৰৰ ভিতৰত সেইখনেই আটাইতকৈ দীঘল ছবি। দেখাত এনে লাগিছিল যে তাত যেন বেৰ নাই, আৰু সেইফালে এটা চুকত বহি যীশুখৃষ্ট আৰু তেওঁৰ শিষ্যসকলে আহাৰ গ্ৰহণ কৰি আছে। সেই শিষ্যসকলে তেতিয়াহে তেওঁলোকৰ মাজৰে কোনোবা এজনে যীশুক বিশ্বাসঘাতকতা কৰিছে বুলি গম পাইছিল আৰু সেই অবিশ্বাস, আতংকৰ চিন তেওঁলোকৰ মুখত স্পষ্ট হৈ উঠিছিল। এই ছবিখনত সকলোৰে আবেগ বেছ সুন্দৰভাৱে প্ৰতিফলিত হৈছে। সোঁমাজতে বহি থকা যীশুখৃষ্টৰ শান্ত, সমাহিত মুখখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ছবিখন আঁকোঁতে ডা-ভিন্সিৰ ১৪৯৫ চনৰ পৰা ১৪৯৮ চনলৈকে প্ৰায় চাৰি বছৰমান সময় লাগিছিল। এই ছবিখনত তেওঁ নতুনকৈ আৱিষ্কাৰ কৰা টেম্পেৰা নামৰ চিত্ৰৰীতি প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰিছিল। পাছত অৱশ্যে দেখা গ'ল যে ডা-ভিন্সিৰ নতুন ৰীতিয়ে সমস্যাৰহে সৃষ্টি কৰিছে। কাৰণ সেই ছবিখনৰ কিছু টুকুৰা খহি পৰিবলৈ ধৰিলে। পাছত কলা বিশেষজ্ঞসকলে সেইখন আকৌ আগৰ দৰে ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি মূল ছবিখনৰ সৌন্দৰ্য্য আৰু আকৰ্ষণ বজাই ৰাখিবলৈ সক্ষম হৈছিল। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞান-বিজ্ঞানৰ কি, ক'ত, কিয়, কোন আৰু কেতিয়া)।*

# ৰাষ্ট্ৰীয় কেডেট ক'ৰ্প্‌ছ

■ অপৰ্ণা দেৱী

ৰাষ্ট্ৰীয় কেডেট ক'ৰ্প্‌ছ (National Cadet Corps), চমুকৈ এনচিচি (NCC) হৈছে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ (Ministry of Defence) অধীনস্থ এক সংগঠন। এই সংগঠনটো এক স্বেচ্ছাসেৱী যুৱ সংগঠন।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত এনচিচি গঠনৰ ধাৰণাই এক সুসংগঠিত ৰূপ লাভ কৰে। ১৯৪৮ চনৰ ১৫ জুলাই তাৰিখে (এনচিচি এক্ট, ১৯৪৮ৰ অধীনত) এনচিচি সেৱাৰ আনুষ্ঠানিকভাৱে আৰম্ভণি হয়। পৰৱৰ্তী সময়ত এনচিচিৰ কাৰ্য্যসূচী বিদ্যালয়, মহাবিদ্যালয়কে ধৰি উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহলৈ বিস্তৃত হয়।

এনচিচিয়ে ভাৰতৰ যুৱ সমাজৰ মাজত শৃংখলা, দেশপ্ৰেম, নেতৃত্ব, মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ ভাব গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনচিচিৰ মূলমন্ত্ৰ হৈছে একতা বা ঐক্য আৰু শৃংখলা (Unity and Discipline)।

ভাৰতীয় সশস্ত্ৰ বাহিনীৰ (Indian Armed Force) আৰ্হিৰ সৈতে এনচিচি সম্পৰ্কিত যদিও ই মূলতঃ ছাত্ৰ-ছাত্ৰীৰ বাবে স্বেচ্ছাসেৱী এক সংগঠন। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এনচিচি সেৱাত অংশগ্ৰহণ কৰে, তেওঁলোকক কেডেট (cadet) বোলা হয়। কেডেটসকলক জুনিয়ৰ ডিভিজন বা উইং আৰু ছিনিয়ৰ ডিভিজন বা উইং—এই দুটা ভাগত ভাগ কৰা হয়। বিদ্যালয় পৰ্য্যায়ৰ কেডেটসকল জুনিয়ৰ উইঙৰ অন্তৰ্গত আৰু মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ৰ কেডেটসকল ছিনিয়ৰ উইঙৰ অন্তৰ্গত।

এনচিচিয়ে কেডেটসকলৰ সুচৰিত্ৰ গঠন কৰাৰ বাবে, তেওঁলোকৰ মাজত শৃংখলা গঢ়ি তোলাৰ বাবে বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰে। সেই প্ৰশিক্ষণসমূহৰ জৰিয়তে কেডেটসকলৰ মাজত নেতৃত্বৰ গুণ, দেশপ্ৰেমৰ ভাব, সাহস, আত্মবিশ্বাস আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা, সমাজৰ প্ৰতি সেৱা আৰু দায়বদ্ধতাৰ মনোভাব সৃষ্টি তথা বিকশিত কৰি দেশৰ প্ৰতি দায়িত্বশীল হিচাপে যুৱ প্ৰজন্মক গঢ়ি তোলাৰ চেষ্টা কৰা হয়।

এনচিচিত মূলতঃ তিনিটা সেৱাৰ সৈতে সম্পৰ্কিত প্ৰশিক্ষণ থাকে। সেই তিনিটা সেৱা হ'ল—স্থলসেনা সেৱা (Army Wing), নৌ সেনা (Naval Wing) আৰু বায়ু সেনা (Air Wing)। তিনিওটা শাখাত কেডেটসকলক বিভিন্ন সামৰিক জ্ঞান, শৃংখলা, নেতৃত্ব আৰু দলগত কামৰ প্ৰশিক্ষণ দিয়া হয়। এনচিচিৰ প্ৰশিক্ষণ সামৰিক কৌশলতে সীমাবদ্ধ নহয়। কেডেটসকলৰ সামগ্ৰিক বিকাশৰ বাবে এনচিচিত কিছুমান আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ কৰ্মসূচী থাকে। সেই কৰ্মসূচীসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল—কুচকাৱাজ (drill), শাৰীৰিক শিক্ষা, নেতৃত্ব গুণ আহৰণৰ প্ৰশিক্ষণ; সামাজিক সেৱা, কেম্পত (শিবিৰ) অংশগ্ৰহণ, দুঃসাহসিক কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা ইত্যাদি। এনচিচিৰ বিভিন্ন কৰ্মসূচীত নেতৃত্ব লোৱাৰ সুযোগে ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰে আৰু সমস্যাৰ সন্মুখীন হৈ সমাধান বিচৰাৰ ক্ষমতা উন্নত কৰে।

এনচিচিত বিভিন্ন পৰ্য্যায়ৰ প্ৰমাণপত্ৰ (certificate) পৰীক্ষা থাকে। সাধাৰণভাৱে A, B, C প্ৰমাণপত্ৰৰ কথা উল্লেখ কৰিব পাৰি। সেই প্ৰমাণপত্ৰসমূহৰ বাবে কেডেটসকলে প্ৰশিক্ষণ, পৰীক্ষা আৰু অন্যান্য নিৰ্ধাৰিত কাৰ্য্যসূচী সম্পূৰ্ণ কৰিব লাগে। সাধাৰণতে এনচিচিৰ C পৰ্য্যায়ৰ প্ৰমাণপত্ৰ উচ্চ পৰ্য্যায়ৰ প্ৰশিক্ষণৰ সৈতে জড়িত। এনচিচিৰ প্ৰমাণপত্ৰ বিভিন্ন ক্ষেত্ৰত নিযুক্তি লাভৰ ক্ষেত্ৰত সহায়ক হয়। কিন্তু এনচিচিৰ কেৱল চাকৰি লাভৰ সম্ভাৱনাতে সীমাবদ্ধ নহয়। এনচিচিৰ মূল উদ্দেশ্য হৈছে দায়িত্বশীল, শৃংখলাবদ্ধ আৰু দেশপ্ৰেমিক নাগৰিক গঢ়ি তোলা। ❖

# বৰাক নদী

■ পলাশ কুমাৰ নাথ



মহাবাহু ব্ৰহ্মপুত্ৰৰ পাছতেই অসমৰ দ্বিতীয়খন বৃহৎ নদী হ'ল বৰাক নদী। দক্ষিণ অসমৰ জীৱনৰেখাস্বৰূপ বৰাক নদী হৈছে উত্তৰ-পূব ভাৰত আৰু দক্ষিণ অসমৰ এক অন্যতম গুৰুত্বপূৰ্ণ তথা প্ৰধান নদী।

বৰাক নদী মণিপুৰৰ সেনাপতি জিলাৰ মাও নামৰ ঠাইৰ ওচৰৰ বৰাইল পৰ্বতশ্ৰেণীৰ পৰা উৎপত্তি হৈছে। বৰাক নদীৰ সৰ্বমুঠ দৈৰ্ঘ্য প্ৰায় ৯০০ কিলোমিটাৰ। ভাৰত আৰু বাংলাদেশৰ মাজেৰে বৈ গৈ নদীখন বংগোপ সাগৰত পৰিছে। মণিপুৰৰ পৰা ওলাই বৰাক নদীখন নাগালেণ্ড আৰু মিজোৰাম সীমান্তৰে বৈ আহি অসমৰ কাছাৰ জিলাত প্ৰবেশ কৰিছে আৰু তাৰ পাছতেই শ্ৰীভূমি আৰু হাইলাকান্দি অৰ্থাৎ বৰাক উপত্যকাৰ মাজেৰে বৈ গৈ বাংলাদেশত প্ৰবেশ কৰিছে। ভাৰত-বাংলাদেশ সীমান্তৰ বদৰপুৰৰ ওচৰত নদীখন 'সুৰমা' আৰু 'কুশিয়াৰা' নামেৰে দুটা শাখাত বিভক্ত হৈ বৈ গৈ পুনৰ লগ লাগি 'মেঘনা নদী' নাম লয়। জিৰি, জটিয়া, মধুৰা, লাৰাং, চিৰি, বদ্ৰী আদি বৰাক নদীৰ উত্তৰপাৰৰ উপনৈ। সোণাই, ধলেশ্বৰী, ছিংলা, লংগাই, ঘাগৰা আদি বৰাক নদীৰ দক্ষিণ পাৰৰ উপনৈ।

বৰাক নদী কেৱল এখন নদী নহয়, ই অঞ্চলটোৰ মানুহৰ জীৱন-জীৱিকা, সংস্কৃতি, অৰ্থনীতি আৰু প্ৰাকৃতিক সম্পদৰ এক গুৰুত্বপূৰ্ণ অংশ। বৰাক নদীৰ অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ইয়াৰ জলসম্পদ। বৰাক উপত্যকাৰ বহু কৃষক বৰাক নদী আৰু ইয়াৰ উপনৈসমূহৰ ওপৰত নিৰ্ভৰশীল। ধান, শাক-পাচলি, মৰাপাট, চাহ আৰু অন্যান্য কৃষিজাত সামগ্ৰী উৎপাদনত নদীখনৰ পানী আৰু পলসুৱা মাটিয়ে সহায় কৰে। মাছধৰাটো বৰাক উপত্যকাৰ বহু লোকৰ পৰম্পৰাগত জীৱিকা। বৰাক নদীত বিভিন্ন প্ৰজাতিৰ মাছ পোৱা যায়। বৰাক নদী আৰু ইয়াৰ উপনৈসমূহে মাছৰ প্ৰজনন আৰু জলজ জীৱৰ বাবে উপযুক্ত পৰিবেশৰ সৃষ্টি কৰিছে। সেয়েহে বৰাক নদীৰ সৈতে স্থানীয় অৰ্থনীতিও জড়িত হৈ আছে।

অসমৰ কাছাৰ জিলাৰ প্ৰধান চহৰ শিলচৰ বৰাক নদীৰ পাৰত অৱস্থিত। শিলচৰ চহৰৰ সামাজিক, সাংস্কৃতিক আৰু বাণিজ্যিক জীৱনত বৰাক নদীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বাৰিষা কালত অতিবৃষ্টি আৰু পাহাৰীয়া অঞ্চলৰ পৰা নামি অহা ধলৰ ফলত বৰাক উপত্যকাৰ বহু অঞ্চলত বানপানীৰ সৃষ্টি হয়। এই বানে বৰাক উপত্যকাৰ বহু অঞ্চলত ঘৰ-বাৰী, খেতিপথাৰ, ৰাস্তা-ঘাট আৰু অন্যান্য সম্পত্তি নষ্ট কৰে। বহু সময়ত বৰাকৰ বানে শিলচৰ চহৰৰ বহু অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰিছে। গৰাখহনীয়া হৈছে বৰাক নদীৰ আন এক সমস্যা। নদীৰ প্ৰবল সোঁত আৰু বানপানীৰ ফলত বৰাক উপত্যকাৰ বহু অঞ্চলত গৰাখহনীয়াৰ সৃষ্টি হয়, ফলত বহু লোকে ঘৰ-বাৰী আৰু কৃষিভূমি হেৰুৱাবলগীয়া হয়।

বৰাক নদীৰ সৈতে অঞ্চলটোৰ সাংস্কৃতিক জীৱনৰ এক গভীৰ সম্পৰ্ক আছে। নদীখনক কেন্দ্ৰ কৰি বহু লোকগীত, কবিতা, গল্প আদি নানা সাহিত্যৰ সৃষ্টি হৈছে। বৰ্তমান সময়ত বৰাক নদীৰ আন এক সমস্যা হৈছে প্ৰদূষণ। জনসংখ্যা বৃদ্ধি, নগৰীকৰণ আৰু বিভিন্ন ধৰণৰ আৱৰ্জনা নদীখনত পেলোৱাৰ ফলত নদীখন প্ৰদূষিত হৈছে। গতিকে খহনীয়া, প্ৰদূষণ আদি সমস্যাৰ পৰা বৰাক নদীখনক সুৰক্ষিত কৰি ৰখাটো অতি জৰুৰী হৈ পৰিছে। ❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি



প্ৰয়াসী প্ৰিয়ম তালুকদাৰ, ষষ্ঠ ক



প্ৰিয়াংশী কাশ্যপ, চতুৰ্থ ক



দিশান কুমাৰ, ষষ্ঠ ঙ



বৰ্ণালী খাখলাৰী, নৱম খ



দেৱাংগনা বৰঠাকুৰ, সপ্তম ক



লিপি শৰ্মা, অষ্টম ঘ



নীহাৰিকা ডি কৌডিণ্য, পঞ্চম খ

# অসম জাতীয় বিদ্যালয়ত উদযাপিত জুবিন দিৱস, ২০২৬ৰ কেইটামান মুহূৰ্ত



বিদ্যালয়ৰ প্ৰায় ২৫০০ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ দ্বাৰা জুবিন গাৰ্গৰ 'দিয়া ঘূৰাই দিয়া' শীৰ্ষক গীত পৰিবেশন



জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে আয়োজন কৰা শ্ৰদ্ধাৰ্ঘ্য যাত্ৰাৰ শুভাৰম্ভ কৰে শ্ৰীযুতা গৰিমা শইকীয়া গাৰ্গে



শ্ৰদ্ধাৰ্ঘ্য যাত্ৰাৰ বাবে সুসজ্জিত বাহনৰ যাত্ৰাৰ আৰম্ভণি